● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন



কোনো এটা কাম সম্পূৰ্ণ কৰি নুঠালৈকে তাক অসম্ভৱ যেনেই লাগে।

নেলছন মেণ্ডেলা
*আফ্ৰিকাৰ ৰাষ্ট্ৰনেতা*

৫ পৰিস্থিতি জটিল, গজনিও তালিবানৰ দখললৈ
১১ অলিম্পিকগামী খেলুৱৈৰ স'তে মোদীৰ বাৰ্তালাপ
4 বিচাৰবিহীন হত্যা পুলিচ আৰু বিৰোধীৰ ভূমিকা

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ২৭৪তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ২৯ আহাৰ ১৪২৮ ভাস্কৰাব্দ ১৪ জুলাই ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 14 July 2021 মূল্য ঃ ৭.০০ টকা

## ৰাজনৈতিক পৰিক্ৰমাৰ কেন্দ্ৰীয় কেবিনেট কমিটীত স্থান সোণোৱালৰ

■ মানস বন্দ্যোপাধ্যায়
**নতুন দিল্লী, ১২ জুলাই ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেন্দ্ৰীয় কেবিনেটৰ সালসলনি ঘটোৱাৰ পাছত এইবাৰ কেবিনেট কমিটীসমূহ পুনৰ গঠন কৰে। প্ৰধানমন্ত্ৰী মোদী নেতৃত্বাধীন অতি শক্তিশালী ৰাজনৈতিক পৰিক্ৰমাৰ কেবিনেট *দুই পৃষ্ঠাত চাওক*



*ব্ৰহ্মপুত্ৰৰ চকু জুৰোৱা দৃশ্য, তেজপুৰত মঙলবাৰে।*

## ৰাজ্যত ২৪ ঘণ্টাত ২৩জনৰ মৃত্যু, নতুনকৈ সংক্ৰমিত হ'ল ২,১৬৯জন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ জুলাই ঃ** আজিৰ দিনটোত অসমত ২৩জন ক'ভিড ৰোগীৰ মৃত্যু হয়। সেইদৰে নতুনকৈ আক্ৰান্ত হ'ল দুহেজাৰ ১৬৯জন লোকে। ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে এই তথ্য প্ৰকাশ কৰিছে। আজি সংক্ৰমণৰ হাৰ সামান্য *দুই পৃষ্ঠাত চাওক*

■ উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰে বৈঠক প্ৰধানমন্ত্ৰীৰ

অধিক প্ৰতিষেধক আবণ্টনৰ বাবে অনুৰোধ জনালে মুখ্যমন্ত্ৰী শৰ্মাই

## পাহাৰলৈ যোৱা পৰ্যটকৰ ক'ভিড বিধি অবজ্ঞা, বজাৰৰ ভিৰত উদ্বিগ্ন মোদী

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত প্ৰতিবেদক**
**গুৱাহাটী/নতুন দিল্লী, ১৩ জুলাই ঃ** মুখত নাই মাস্ক, দূৰত্ব বিধিৰ কোনো পৰোৱা নাই, সহাস্য বদনে অকলে অথবা জাকপাতি উঠা ফটোৰে ফেচবুক আদিৰ দৰে সামাজিক মাধ্যম ভৰাই পেলাইছে এচাম দেশীয় পৰ্যটকে। এই ফটোৰ স্থান হৈছে দেশৰ পৰ্যটনৰ অন্যতম আকৰ্ষণস্থলী হিমাচল প্ৰদেশৰ *আঠ পৃষ্ঠাত চাওক*



## মুখ্যমন্ত্ৰীৰ গুড্ বুক-বেড বুক! বিধানসভাত পৰস্পৰলৈ শেল মন্ত্ৰী-বিধায়কৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি বিধানসভাত পাঠ কৰি দিয়া এটা বিধিৰ আঁত ধৰি আজি বিৰোধী উপ-দলপতি ৰকিবুল হুছেইনে সদনত ভাষণ দি মত ব্যক্ত কৰি থকাৰ সময়তে মাজতে হস্তক্ষেপ কৰি মাত মাতে *দুই পৃষ্ঠাত চাওক*

■ অভিযুক্ত ৰমেন মেধিৰ আত্মসমৰ্পণ ■ বৃক্ক বিক্ৰী নকৰাকৈ কলকাতাৰ পৰা উভতিল দুজন ঃ এতিয়াও আছে একাধিক পৰিয়াল ■ ৰাজেশ পোদ্দাৰ-প্লাৱন বৰঠাকুৰ কোন

# বৃক্ক বিক্ৰীৰ বাবে কলকাতাত বাহৰ

কলকাতাৰ হাস্পতালত বিক্ৰী ■ মৰিগাঁও জিলাৰ পৰা বিস্তাৰ মানৱ অংগৰ ব্যৱসায়ী চক্ৰৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/মৰিগাঁও/জাগীৰোড, ১৩ জুলাই ঃ কেৱল মৰিগাঁও জিলাতে সীমাবদ্ধ থকা নাই মানৱ অংগৰ ব্যৱসায়ী চক্ৰটোৰ কাৰ্যকলাপ। দৰিদ্ৰ লোকক ধনৰ প্ৰলোভন দি বৃক্ক বিক্ৰী কৰিবলৈ প্ৰৰোচিত কৰা এই চক্ৰটোৰ কাৰ্যকলাপ অসমৰ বিভিন্ন স্থানলৈ বিয়পি পৰাৰ আশংকা কৰা হৈছে। ইতিমধ্যে বৃক্ক বিক্ৰী কৰা মৰিগাঁও জিলাৰ ধৰমতুলৰ একাংশ লোকৰ ভাষ্যৰ পৰাই এই বিষয়টো স্পষ্ট হৈ পৰিছে। ইফালে, যোৱা নিশা ধৰমতুল আৰক্ষী থানাত আত্মসমৰ্পণ কৰে ধৰমতুলৰ ঘটনাৰ অন্যতম মূল** *আঠ পৃষ্ঠাত চাওক*





## চৰকাৰৰ নিৰ্দেশত নিধন কৰা গাহৰিৰ ক্ষতিপূৰণ দিয়া হ'ব ঃ মন্ত্ৰী বৰা



**অগ্ৰদূত বাৰ্তা**
**কলাইগাঁও, ১৩ জুলাই ঃ** 'দৰঙৰ অকলিবাৰিত আফ্ৰিকান শ্ব'ৱাইন ফ্লুত আক্ৰান্ত হৈ শ শ পশুধন, গাহৰি মৃত্যু হোৱাটো *দুই পৃষ্ঠাত চাওক*




## আৰক্ষীৰ পিষ্টল কাঢ়িবলৈ চেষ্টা! গুলিত আহত আত্মসমৰ্পণকাৰী আলফা

অ'এনজিচিৰ কৰ্মী অপহৰণত জড়িত ঃ এছপি

**অগ্ৰদূত বাৰ্তা**
**নাজিৰা, ১৩ জুলাই ঃ** এইবাৰ অসম আৰক্ষীৰ গুলিত আহত হ'ল এজন সদ্য আত্মসমৰ্পণকাৰী আলফা (স্বাঃ) সদস্য। যোৱা নিশা শিৱসাগৰ আৰু নাজিৰা আৰক্ষীৰ গুলিত ভৰিত আঘাতপ্ৰাপ্ত হোৱা এই যুৱকজন হৈছে তিনিচুকীয়া জিলাৰ শদিয়াৰ তেলীকলা গাঁৱৰ ভুপেন *আঠ পৃষ্ঠাত চাওক*

## নৱগঠিত উগ্ৰপন্থী সংগঠন এনএলএফবিৰ ওদালগুৰি জিলাৰ কমাণ্ডাৰ নিহত



অসম-অৰুণাচল সীমান্তত সংঘৰ্ষ

**বিশেষ সংবাদদাতা**
**ওদালগুৰি, ১৩ জুলাই ঃ** বিটিএডিত নৱগঠিত উগ্ৰপন্থী সংগঠন এনএলএফবিৰ ওদালগুৰি জিলাৰ স্বয়ম্ভু কমাণ্ডাৰ জিপিৰোছ নাৰ্জাৰী (৩০) ওৰফে এন জৌংখৌল যোৱা নিশা আৰক্ষীৰে হোৱা এক সংঘৰ্ষত ধৰাশায়ী হয়। নিহত উগ্ৰপন্থীজনৰ ঘৰ ওদালগুৰি *দুই পৃষ্ঠাত চাওক*

চৰকাৰী নথি হিচাপে প্ৰযোজ্য নহয় ৰেচন কাৰ্ড

## কৰ্মহীন জবকাৰ্ড হিতাধিকাৰীক আন পঞ্চায়তত নিয়োজিত কৰাৰ নিৰ্দেশ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ জুলাই ঃ** ৰাজ্যৰ কোনো পঞ্চায়তত জবকাৰ্ড হিতাধিকাৰীসকল যদি কৰ্মহীন হৈ আছে, তেন্তে আঁচনিৰ কাম চলি থকা আন পঞ্চায়তলৈ গৈ কাম কৰিব পাৰিব বুলি আজি বিধানসভাত ঘোষণা কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। আজি কংগ্ৰেছ বিধায়ক ৰেকিবুদ্দিন আহমেদৰ প্ৰশ্নৰ উত্তৰত জাকিৰ হুছেইন শিকদাৰৰ পৰিপূৰক প্ৰশ্নৰ উত্তৰত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী *আঠ পৃষ্ঠাত চাওক*

■ সংবাদমেলত ব্যয়ৰ হিচাপ দিলে সাংসদ গগৈয়ে ■ গো-সুৰক্ষা বিধেয়কক লৈও প্ৰতিক্ৰিয়া

## কোটি টকা ব্যয়ৰে মন্ত্ৰী আৱাসৰ নবীকৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ জুলাই ঃ** যি সময়ত কৰ'না মহামাৰীৰ কবলত পৰি সাধাৰণ ৰাইজৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে, যি সময়ত স্বয়ং ৰাজ্য চৰকাৰখনে মহামাৰী সৃষ্ট আৰ্থিক সংকটৰ পৰিপ্ৰেক্ষিতত ৰাইজৰ পৰা দান-বৰঙণি ল'বলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে তেনে সময়তে অসম চৰকাৰৰ মন্ত্ৰীসকলৰ আৱাসৰ নবীকৰণ পূৰ্ণগতিত চলিছে। আজি এই অভিযোগ কৰি কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়ে কয় যে মহামাৰী হেতুকে ৰাজ্যৰ বহুকেইখন জিলাত সম্পূৰ্ণ তলাবন্ধ থকাৰ বিপৰীতে বাকী জিলাসমূহত এতিয়াও আংশিক সান্ধ্য আইন মানি চলিবলগীয়া হৈছে যদিও দিছপুৰীয়া মন্ত্ৰীসকলৰ আৱাসৰ নবীকৰণৰ কাম দিনে-নিশাই চলি আছে। চৰকাৰৰ এনে বিলাসিতাৰ ৰূপ দেখি আশ্চৰ্য প্ৰকাশ কৰি সাংসদ গগৈয়ে অসম চৰকাৰলৈ প্ৰশ্ন উত্থাপন কৰি কয় যে যি সময়ত অসমৰ জনতাই নাখাই মৰিবলগীয়া পৰিস্থিতিৰ সন্মুখীন হৈছে, তেনে সময়ত মন্ত্ৰীসকলৰ বিলাসিতা পূৰণ কৰিবলৈ গৈ কোটি কোটি টকা ৰাজকোষৰ ধন অপচয় কৰাৰ যুক্তি ক'ত? গগৈয়ে কয়, 'একো একোটা মন্ত্ৰীৰ আৱাসৰ শৌচাগাৰ, স্নানাগাৰ নিৰ্মাণৰ নামত *আঠ পৃষ্ঠাত চাওক*



## ডেৰ বছৰ পাছত দেশৰ প্ৰথমগৰাকী কৰ'না ৰোগী পুনৰ আক্ৰান্ত

■ নিউজ ব্যুৰ'
**তিৰুঅনন্তপুৰম, ১৩ জুলাই ঃ** সেই সময়ত কৰ'নাত জৰ্জৰিত চীন। কৰ'নাৰ নাম শুনিলেই বিশ্বজুৰি আতংকই গ্ৰাস কৰিছিল। কৰ'না যে এক মাৰণ ভাইৰাছ ক্ৰমশঃ স্পষ্ট হৈছিল। এনে আতংকৰ মাজতে ২০২০ৰ ৩০ জানুৱাৰীত ভাৰতৰ কেৰালাত প্ৰথমজন ক'ভিড-১৯ত আক্ৰান্ত ৰোগীক *আঠ পৃষ্ঠাত চাওক*

■ ৰাজ্যৰ শিক্ষাখণ্ডত শীঘ্ৰে ব্যাপক সালসলনি ঃ ঘোষণা মন্ত্ৰী পেগুৰ

## উচ্চতৰ মাধ্যমিকৰ বিষয় শিক্ষকে পাঠদান কৰিব লাগিব হাইস্কুলতো

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ জুলাই ঃ** ৰাজ্যৰ শিক্ষা খণ্ডত বিস্তাৰিত সালসলনিৰ দিশে অগ্ৰসৰ হৈছে চৰকাৰ। তাৰ অংশৰূপে শিক্ষকক নতুন দায়িত্ব অৰ্পণ, বদলিৰ ক্ষেত্ৰত চৰ্ত আৰোপ আদি ব্যৱস্থা কাৰ্যকৰী কৰাৰ স্পষ্ট ইংগিত দিয়ে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। বিধানসভাত মন্ত্ৰীজনে কয় যে শিক্ষানুষ্ঠানৰ গাঁথনি সলনিৰ দিশে শিক্ষা বিভাগ আগবাঢ়িছে। তাৰ ফলত উচ্চতৰ মাধ্যমিকৰ বিষয় শিক্ষককেও নৱম-দশম শ্ৰেণীত পাঠদান কৰিব লাগিব। শিক্ষাক্ষেত্ৰ আঁচনি নতুনকৈ ৰূপায়ণ হ'ব আৰু তাৰ জৰিয়তে এই ধৰণৰ সালসলনি কৰা হ'ব বুলি *আঠ পৃষ্ঠাত চাওক*

## বাতৰিৰ স্বত্বক লৈ গোচৰ, চাৰি হেজাৰ কোটিৰ জৰিমনা বিহিলে গুগলক



■ নিউজ ব্যুৰ'
**পেৰিছ, ১৩ জুলাই ঃ** ফ্ৰান্সত বৃহৎ পৰিমাণৰ জৰিমনা বিহা হ'ল গুগলক। আজি ফ্ৰান্সৰ বাণিজ্যিক প্ৰতিযোগিতা নিয়ন্ত্ৰক সংস্থাই ঘোষণা কৰা অনুসৰি, বাতৰিৰ স্বত্বৰ নিয়ম ভংগ কৰাৰ বাবে বিশ্বৰ আগশাৰীৰ ছাৰ্চ ইঞ্জিন গুগলে ভাৰতীয় মুদ্ৰাত প্ৰায় চাৰি হেজাৰ কোটি টকাৰ জৰিমনা ভৰিব লাগিব। ইউৰোপীয় ইউনিয়নৰ নিৰ্দিষ্ট স্বত্ব আইন অনুসৰি, গুগলে বিভিন্ন সংস্থাৰ স'তে ভৰসাযোগ্য বাণিজ্য নীতি বৰ্তাই ৰাখিবলৈ সক্ষম নোহোৱাত এই বৃহৎ পৰিমাণৰ জৰিমনা ছাৰ্চ ইঞ্জিনটোক বিহা হ'ল। *আঠ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩২° | ২৬° |
| ডিব্ৰুগড় | ৩৬° | ২৫° |
| দিল্লী | ৩৩° | ২৭° |
| কলকাতা | ৩৩° | ২৮° |
| মুম্বাই | ২৯° | ২৬° |
| চেন্নাই | ৩৫° | ২৬° |
| বাংগালুৰু | ২৩° | ২০° |
| শ্বিলং | ২২° | ১৮° |

*১৩ জুলাই, ২০২১*

## চেঙা তেল




*চৌদিশে ভয়াৰহতালৈ চাই সম্প্ৰতি এই মন্দিৰতে প্ৰাৰ্থনা কৰি জীৱনৰ আশিস মাগিছো!*

## বিধি-পৰম্পৰাক লৈ দ্বিতীয় দিনাও সৰৱ সদন ঃ সংসদীয় মন্ত্ৰীৰ হস্তক্ষেপ

অধ্যক্ষ ১৭ বছৰ সংসদত আছিল কাৰণে বিধানসভাৰ পৰম্পৰা অৱগত নহয়

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী,১৩ জুলাই ঃ** অসম বিধানসভাৰ বাজেট অধিবেশনৰ আজি দ্বিতীয় দিনাও বিধি আৰু পৰম্পৰাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিতৰ্কৰ ফলত উত্তপ্ত হৈ পৰে সদন। প্ৰশ্নোত্তৰ কালৰ অন্তত অধ্যক্ষই 'পইণ্ট অব অৰ্ডাৰ'ৰ অনুমতি নিদিয়াৰ পৰিপ্ৰেক্ষিতত বিৰোধী পক্ষই এয়া সদনৰ পৰম্পৰা বুলি অধ্যক্ষৰ বিষয়টো দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰে যদিও অধ্যক্ষই অনুমতি নিদিয়াত প্ৰায় ২০ মিনিট সময় উত্তপ্ত হৈ পৰে সদনৰ মজিয়া। শেষত সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে *আঠ পৃষ্ঠাত চাওক*



■ ক'ভিডৰ নতুন উদ্বেগ ■ জাগ্ৰত মানৱ শৰীৰত সুপ্ত হৈ থকা ভাইৰাছ ■ দেশত দৈনিক সংক্ৰমণ হ্ৰাস পালেও প্ৰাণহানি দুই সহস্ৰাধিকৰ

## ছাইট'মেগাল' ভাইৰাছ, দিল্লী-পুনেৰ পাছত কলকাতাত মৃত্যু তিনিজনৰ



■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ১৩ জুলাই ঃ** ক'ভিড আক্ৰান্ত ৰোগীৰ ৰোগ-প্ৰতিৰোধ ক্ষমতা হ্ৰাস পোৱাৰ সুযোগ লৈ জাগ্ৰত হৈ উঠিছে মানৱ শৰীৰত সুপ্ত হৈ থকা অন্যান্য ভাইৰাছ। এইসমূহ ভাইৰাছৰ অন্যতম এবিধ হৈছে ছাইট'মেগাল' ভাইৰাছ। ইতিমধ্যে দিল্লী, পুনেত কে'বাজনো এই ভাইৰাছত আক্ৰান্ত ৰোগীক চিনাক্ত কৰা হৈছে। শেহতীয়াভাৱে *আঠ পৃষ্ঠাত চাওক*

শিৱসাগৰক ৰাজ্যিক ঐতিহ্য ক্ষেত্ৰৰূপে গঢ়ি তোলাৰ দাবীৰ প্ৰসংগত মন্ত্ৰী পীযুষৰ কটাক্ষ

## বিধি ব্যৱস্থাৰ মাজেৰে যাব লাগিব, ভুকুতে কল পকাব বিচাৰে অখিল গগৈয়ে!



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ জুলাই ঃ** 'ভুকুতে কল নপকে অথচ অখিল গগৈয়ে ভুকুতে কল পকাব বিচাৰে।' বিধানসভাত আজি সংসদীয় পৰিক্ৰমা মন্ত্ৰী পীযুষ হাজৰিকাই এইদৰে নিৰ্দলীয় বিধায়কজনক কটাক্ষ কৰে। বিধায়কৰ সমষ্টিৰ আলোচনাত গগৈয়ে তেওঁৰ শিৱসাগৰ সমষ্টিক ৰাজ্যিক ঐতিহ্যক্ষেত্ৰ ঘোষণাৰ দাবী জনাই এই সম্পৰ্কত বিস্তৃতভাৱে যুক্তি দাঙি ধৰে। শিৱসাগৰক ৰাজ্যিক ঐতিহ্য ক্ষেত্ৰ কৰাৰ অংশৰূপে প্ৰস্তাৱ কৰা অনুষ্ঠানৰ বাবে গগৈয়ে চৰকাৰৰ পৰা এশ কোটি *দুই পৃষ্ঠাত চাওক*

অভিযুক্তৰ মটৰ চাইকেলৰ খুন্দাত আহত অন্তঃসত্বা মহিলা

## আৰক্ষীয়ে খেদি খেদি ধৰিলে দুই ড্ৰাগছ্ সৰবৰাহকাৰীক

**আলোপতি, ১৩ জুলাই ঃ** কামৰূপ জিলাৰ নগৰবেৰাৰ উত্তৰ ৰাংগাপানীত আজি আৰক্ষীয়ে দুজন ড্ৰাগছ্ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। মটৰ চাইকেলত পলায়ন কৰা ড্ৰাগছ্ সৰবৰাহকাৰীদ্বয়ক আৰক্ষীয়ে খেদি খেদি কৰায়ত্ত কৰে। ড্ৰাগছ্ সৰবৰাহকাৰীদ্বয়ে *আঠ পৃষ্ঠাত চাওক*

অসমত ৱাকফ ব'ৰ্ডৰ কেলেংকাৰিক লৈ সৰৱ বিধায়ক ■ সদন কমিটী গঠনৰ দাবী উত্থাপন

## ৮১ হেজাৰ ঘৰভাড়া লৈ দেখুৱায় ১০ হেজাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ জুলাই ঃ** ৰাজ্যত ৱাকফ সম্পত্তিৰ নামত ইয়াৰ পৰিচালন ব'ৰ্ডত বৃহৎ কেলেংকাৰি সংঘটিত হৈ আছে। সেয়েহে এই ব'ৰ্ডৰ কাম-কাজত হস্তক্ষেপ কৰি চৰকাৰে সম্পত্তিসমূহৰ সদ্ব্যৱহাৰ কৰিব লাগে বুলি আজি অসম বিধানসভাত দাবী উত্থাপন কৰে কংগ্ৰেছ বিধায়ক শ্বেৰমান আলীয়ে। বিধানসভাৰ সংকল্প প্ৰস্তাৱ কাৰ্যসূচীৰ অধীনত ৱাকফ ব'ৰ্ডৰ সম্পত্তিৰ বিষয়টো উত্থাপন কৰি আলীয়ে কয়, '২০১৩ৰ ১৩ জুনত প্ৰকাশিত জাননী অনুসৰি অসমত ১৪,৭০৯ টা ৱাকফ সম্পত্তি আছে। ইয়াৰে ভিতৰত স্থাৱৰ-অস্থাৱৰ দুয়োবিধ সম্পত্তি আছে। সম্পত্তিবোৰৰ ভিতৰত থকা মাটিৰ পৰিমাণ ২০ লাখ বিঘা। এইবোৰ অত্যন্ত মূল্যবান। ৰাজ্যখনৰ বিভিন্ন উল্লেখযোগ্য স্থানত ৱাকফ সম্পত্তি আছে, কৃষিভূমিও আছে। কমেও এশটা সম্পত্তি চহৰ অঞ্চলত *দুই পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী, ১৪ জুলাই, ২০২১ বুধবাৰ পৃষ্ঠা তিনি

## শিশু নিৰ্যাতনত ৰংজুলিৰ ভাৰপ্ৰাপ্ত বিষয়াৰ বিৰুদ্ধে দায়বদ্ধতা আয়োগত অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৩ জুলাই ঃ** গোৱালপাৰা জিলাৰ ৰংজুলি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দীপু বৰাই ক্ষমতাৰ অপব্যৱহাৰেৰে চাৰি বছৰীয়া শিশুসহ পিতৃক থানাত আবদ্ধ কৰি ৰাখি মানসিক নিৰ্যাতন চলোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত আজি ভুক্তভোগীয়ে ৰাজ্যিক আৰক্ষী দায়বদ্ধতা আয়োগক লিখিত অভিযোগ দাখিল কৰে। অভিযোগ মতে মাটিয়াৰ চাহাবুল ইছলামে তেওঁৰ চাৰি বছৰীয়া কন্যা সন্তান ছাৰলীজ আমনৰ বমি আৰু জ্বৰ হোৱাত নিজৰ গাড়ীৰে যোৱা ন জুলাইৰ দিনৰ ১০ বজাত ৰংজুলি হাস্পতাললৈ নিয়ে। ছয় পৃষ্ঠাত চাওক

### সোঁতৰ বিপৰীতে



## শতাধিক আওপুৰণি-দুৰ্বল ভটভটী নাৱৰেই যাতায়াত চৰৰ ৰাইজৰ

# নগাঁও-মৰিগাঁৱত ব্ৰহ্মপুত্ৰৰ বুকুত বিপদসংকুল যাত্ৰা



**বিশেষ সংবাদদাতা**

**নগাঁও, ১৩ জুলাই ঃ** সকলো ধৰণৰ চৰকাৰী নীতি-নিৰ্দেশনাক জলাঞ্জলি দি নগাঁও আৰু মৰিগাঁও জিলাত ব্ৰহ্মপুত্ৰৰ বুকুত চলাচল কৰি আছে শতাধিক সৰু-ডাঙৰ আওপুৰণি যন্ত্ৰচালিত নাও (ভটভটী)। এই আওপুৰণি যন্ত্ৰচালিত নাওসমূহতেই নিতৌ জিলা দুখনৰ বিভিন্ন চৰ-চাপৰি, নৈপৰীয়া অঞ্চলৰ শ শ লোকে, গৰু, ম'হ, কৃষিজাত সামগ্ৰী, বিভিন্ন বয়বস্তু সহিত অতি বিপদসংকুল যাত্ৰা অব্যাহত ৰাখিছে। যিকোনো মুহূৰ্তত এই নাওযাত্ৰীসকলৰ জীৱনলৈ চৰম দুৰ্যোগ নামি আহিব পৰাৰ সম্ভাৱনা থাকে। তৎসত্ত্বেও ইয়াৰ প্ৰতি কোনো ভ্ৰূক্ষেপ নাই সংশ্লিষ্ট জিলাাকেইখনৰ প্ৰশাসন, জল পৰিবহণ বিভাগ, ভটভটীৰ লেচী, চালক, পৰিচালক আনকি যাত্ৰীসকলৰো। নগাঁও-মৰিগাঁও জিলা প্ৰশাসন, আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ দায়িত্বহীনতাৰ বাবেই জিলা দুখনৰ ভিন্ন ঠাইত ব্ৰহ্মপুত্ৰৰ বুকুত আওপুৰণি ভটভটীসমূহৰ চলাচল সম্ভৱ হৈছে বুলি ৰাইজে অভিযোগ তুলিছে।

নগাঁও আৰু মৰিগাঁও জিলাত আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ অধীনস্থ ফেৰীঘাটকেইটা হৈছে, মৈৰাবাৰী, লেৰুৱামুখ, ধিং ঘাট আৰু বৰালিমাৰী ঘাট। এই ফেৰীঘাটসমূহৰ ভিতৰৰ কেৱল বৰালিমাৰীঘাটৰ পৰাহে বৰচলা, খাৰুপেটীয়া, গুৱাহাটীলৈ কেইখনমান ফেৰী চলাচল হয়। অৱশ্যে এই ফেৰীঘাটৰ পৰাও একাংশ যন্ত্ৰচালিত নাও (ভটভটী) জল পৰিবহণ বিভাগৰ অধীনত ফেৰীৰ সলনি চলাই থকাও পৰিলক্ষিত হৈছে। এই যন্ত্ৰচালিত নাওসমূহৰ আওপুৰণি আৰু ইয়াৰ বহন ক্ষমতাও নিচেই কম হোৱা সত্ত্বেও যাত্ৰীৰ লগতে জীৱ-জন্তু, অন্য সা-সামগ্ৰী কঢ়িয়াই থকা হৈছে। ঠিক ছয় পৃষ্ঠাত চাওক

## আৰক্ষীৰ গুলিত নিহত জয়নাল আবেদিন দুৰ্ধৰ্ষ অপৰাধী আছিল

### সংবাদমেলত নগাঁৱৰ আৰক্ষী অধীক্ষকৰ দাবী



**বিশেষ সংবাদদাতা**

**নগাঁও, ১৩ জুলাই ঃ** 'আৰক্ষীৰ গুলিত নিহত নগাঁও জিলাৰ ধিঙৰ শালকাটিৰ জয়নাল আবেদিন এজন দুৰ্ধৰ্ষ অপৰাধী আছিল। জয়নালৰ বিৰুদ্ধে অকল ধিং আৰক্ষী থানাতে চাৰিটাকৈ গোচৰ ৰুজু হৈ আছে।' এই মন্তব্য নগাঁৱৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰৰ। আজি নগাঁও আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত আয়োজন কৰা এক সংবাদমেলত এই কথা প্ৰকাশ কৰি আৰক্ষী অধীক্ষক মিশ্ৰই আৰু কয়, 'চৰকাৰী কাৰ্যালয়ত মাৰণাস্ত্ৰৰে ভাবুকি প্ৰদান কৰে, এচিড দলিওৱা, ধৰ্মান্তকৰণ, ধন লুটকে ধৰি বিভিন্ন অপৰাধজনিত ঘটনাৰ লগত জয়নাল জড়িত আছিল। ১০ জুলাইৰ নিশা এক ডকাইতি ঘটনা সংঘটিত কৰিবৰ বাবে জয়নালে কৰা পৰিকল্পনাৰ খবৰ লাভ কৰি নগাঁও আৰক্ষীয়ে জয়নালৰ বিৰুদ্ধে অভিযান চলাইছিল। আৰক্ষীয়ে জয়নালক আটক কৰিবলৈ চেষ্টা কৰাৰ ছয় পৃষ্ঠাত চাওক

## কাৰ্বি আংলঙৰ পাৰখোৱাত বোৱাৰীৰ ৰহস্যজনক মৃত্যু

### স্বামীগৃহৰ বিৰুদ্ধে হত্যাৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**বকলীয়াঘাট, ১৩ জুলাই ঃ** কাৰ্বি আংলঙৰ পাৰখোৱাত এগৰাকী বোৱাৰীৰ ৰহস্যজনক মৃত্যুক কেন্দ্ৰ কৰি উত্তেজনাৰ সৃষ্টি হৈছে। পুৱা আত্মীয়ৰ স'তে বোৱাৰীগাকীয়ে কথা পাতিছিল ম'বাইলত। প্ৰায় আঠ বছৰ পূৰ্বে কাৰ্বিং আংলঙৰ মাঞ্জা আৰক্ষী থানাৰ অন্তৰ্গত আমলখি নিবাসী প্ৰয়াত মনোৰঞ্জন দাস আৰু জুনুৰাণী দাসৰ কন্যা ৰীণা দাস সামাজিকভাৱেই পাৰখোৱাৰ ৰঞ্জিত ভদ্ৰৰ স'তে বিবাহপাশত আবদ্ধ হৈছিল। বিবাহৰ পাছৰে পৰা স্বামীগৃহৰ শাৰীৰিক, মানসিক অত্যাচাৰ সহিব লগাত পৰে ৰীণাই। প্ৰায় সাত বছৰীয়া এটি পুত্ৰ সন্তানৰ মাতৃ ৰীণাৰ আজি পুৱা ৰহস্যজনকভাৱে মৃতদেহ চিপ লোৱা অৱস্থাত ঘৰৰ ভিতৰত প্ৰত্যক্ষ কৰে বুলি স্বামীগৃহৰ পৰা জনোৱাত শোকত ভাগি পৰে মাতৃগৃহৰ লোকসকল। ইতিমধ্যে, ৰীণাৰ মাতৃ জুনুৰাণী দাস, ককায়েক গবিন দাসসহ আত্মীয় মাঞ্জাৰ পৰা আহি পাৰখোৱাত উপস্থিত হৈ এয়া এক হত্যাকাণ্ড বুলি অভিযোগ কৰে। উল্লেখ্য যে ৰীণাৰ স্বামী ৰঞ্জিত ভদ্ৰই নতুনকৈ পুনৰ এগৰাকী মহিলাৰ স'তে বিবাহপাশত আবদ্ধ হোৱাত পূৰ্বৰ অশান্তি দুগুণে বৃদ্ধি পায়। ছয় পৃষ্ঠাত চাওক

## মানকাচৰত দুটাকৈ অভিযানত বৃহৎ পৰিমাণৰ বিস্ফোৰক জব্দ আৰক্ষীৰ

### তিনিজনক গ্ৰেপ্তাৰ এজন পলাতক



**মানকাচৰ, ১৩ জুলাই ঃ** যোৱা নিশা দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ মানকাচৰ আৰু সুখচৰত আৰক্ষীয়ে চলোৱা দুটা পৃথক পৃথক অভিযানত বিস্ফোৰণত ব্যৱহাৰ কৰা বৃহৎ পৰিমাণৰ বিভিন্ন সামগ্ৰীৰ উপৰি তিনিজন লোককো গ্ৰেপ্তাৰ কৰে। কালি মাজনিশা মানকাচৰ আৰু কালাপানী আৰক্ষীৰ এটা দলে অসম-মেঘালয় সীমান্তৱৰ্তী পিপুলবাৰীত যৌথ অভিযান চলায়। এই অভিযানত বৰবিলা গাঁৱৰ আহালউদ্দিন শ্বেখৰ পুত্ৰ ইজাজুল মিঞা আৰু পিপুলবাৰী গাঁৱৰ আমজাদ আলীৰ পুত্ৰ আজিজুল ৰহমানৰ ঘৰৰ পৰা ১৫০ টা ইলেক্ট্ৰনিক ডিট'নেটৰ, ১৬ ডাল জিলেটিন ষ্টিক, ১৯ টা টাইম ফিউজ ৰোলচ আৰু ৪৮ টা নন ইলেক্ট্ৰনিক ডিট'নেটৰ উদ্ধাৰ কৰে। আৰক্ষীয়ে ইজাজুল আৰু আজিজুলক জেৰা কৰাত তেওঁলোকৰ তথ্যৰ ভিত্তিত সুখচৰ আৰক্ষী থানাৰ এটা দলে আজি পুৱা বড়কাজিগাঁওত অভিযান চলায়। এই অভিযানত ছয় পৃষ্ঠাত চাওক

## জেংখাত বনৰীয়া হাতীৰ মৃতদেহ উদ্ধাৰ



**অগ্ৰদূত বাৰ্তা**

**ডংকামোকাম, ১৩ জুলাই ঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ জেংখাত স্থানীয় ৰাইজে আজি পুৱাই এটা বনৰীয়া হাতীৰ মৃতদেহ প্ৰত্যক্ষ কৰে। জিলাখনৰ জেংখাস্থিত চেং চেং বিলৰ কুঁহিয়াৰ আৰু মৰাপাট খেতিৰ মাজত উদ্ধাৰ হৈছে এটা মতা বনৰীয়া হাতীটোৰ মৃতদেহ। আজি পুৱা স্থানীয় ৰাইজে মৃত হাতীটোক প্ৰত্যক্ষ কৰি বন বিভাগ আৰু আৰক্ষীক ছয় পৃষ্ঠাত চাওক

## প্লাৱিত গহপুৰ নগৰৰ বিস্তীৰ্ণ অঞ্চল

# ছত্ৰং নদীৰ বাঢ়নী পানীয়ে খহাই নিলে মথাউৰি



**অগ্ৰদূত বাৰ্তা**

**গহপুৰ, ১৩ জুলাই ঃ** গহপুৰ নগৰবাসীৰ বাবে চকুলোত পৰিণত হোৱা পাহাৰীয়া খৰস্ৰোতা ছত্ৰং নদীৰ বাঢ়নী পানীয়ে নগৰখনৰ ছয় নম্বৰ ৱাৰ্ডত আজি পুৱাৰ ভাগত পুনৰ জলপ্লাৱনৰ সৃষ্টি কৰে। উল্লেখ্য যে বিগত প্ৰায় এটা দশক ধৰি প্ৰতিটো বৰ্ষা ঋতুতে ত্ৰাহি মধুসূদন সোঁৱৰাই অহা ছত্ৰং নদীৰ বাঢ়নী পানীৰ তাণ্ডৱৰ পৰা আজিকোপতি পৰিত্ৰাণ নাপালে গহপুৰ নগৰবাসীয়ে। আজি পুৱতি নিশাৰে পৰা হোৱা ধাৰাসাৰ বৰষুণৰ ফলত সৃষ্টি হোৱা নদীখনৰ বাঢ়নী পানীৰ তীব্ৰ গতি সম্পন্ন স্ৰোত ধাৰাই পুৱা ন মান বজাত নগৰখনৰ ছয় নম্বৰ ৱাৰ্ডৰ মধ্য ছত্ৰং অঞ্চলত নদীখনৰ পূব দিশৰ মথাউৰিৰ প্ৰায় ১৫ মিটাৰ ছয় পৃষ্ঠাত চাওক

## চামগুৰিৰ কুহুমতলিত তিনি ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**চামগুৰি, ১৩ জুলাই ঃ** নগাঁও জিলাৰ চামগৰি আৰক্ষীয়ে কালি গ্ৰেপ্তাৰ কৰা তিনি ড্ৰাগছ সৰবৰাহকাৰীক আজি কলিয়াবৰ আদালতত হাজিৰ কৰাই জেললৈ প্ৰেৰণ কৰে। চামগুৰি থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কৃষ্ণকান্ত দলেৰ নেতৃত্বত যোৱা আৰক্ষীৰ এটা দলে ১১ জুলাইৰ পুৱতি নিশা কুহুমতলিৰ এখন ব্ৰইলাৰ ফাৰ্মত অভিযান চলাই ১৮টা ড্ৰাগছভৰ্তি কণ্টেইনাৰসহ তিনি যুৱকক আটক কৰিছিল। তথ্য মতে, কুহুমতলি গাঁৱৰ মহব্বৰ আলী নামৰ লোকজনৰ ব্ৰইলাৰ ফাৰ্মখনত অভিযান চলাই ছাদ্দাম হুছেইন (২৫), ছহিদুল ইছলাম (২৮) আৰু নাজিৰ হুছেইন (৩০) নামৰ তিনি ড্ৰাগছ সৰবৰাহকাৰীক আৰক্ষীয়ে আটক কৰে। অৱশ্যে আৰক্ষীৰ অভিযানৰ উমান পাই আন্ধাৰৰ সুযোগত ফাৰ্মখনৰ গৰাকী মহব্বৰ আলী পলাই যাবলৈ সক্ষম হয়। চামগুৰি আৰক্ষীয়ে ১৮টা কণ্টেইনাৰত ২.২৫ গ্ৰাম হেৰ'ইন তিনি যুৱকৰ হাতৰ পৰা জব্দ কৰে। আজি চামগুৰি আৰক্ষীয়ে ধৃত তিনি যুৱকক আদালতত হাদিৰ কৰায়। আদলতে তিনিওকে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে।

## চি আৰ পি এফ-আৰক্ষীৰ সন্মুখত ধিঙত সাংবাদিকক প্ৰহাৰ উত্তেজিত জনতাৰ

**অগ্ৰদূত বাৰ্তা**

**ধিং, ১৩ জুলাই ঃ** বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা দুই সাংবাদিকক আজি ধিঙৰ শালকাটি পথাৰত একাংশ দুষ্কৃতিকাৰীয়ে আক্ৰমণ কৰে। এই ঘটনাক কেন্দ্ৰ কৰি বৰ্তমানো সমগ্ৰ ধিং অঞ্চলতে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে যোৱা ১১ জুলাইৰ পুৱতি নিশা নগাঁও আৰু ধিং আৰক্ষীয়ে এক বিশেষ সূত্ৰৰ পম খেদি চলোৱা অভিযানত ধিঙৰ শালকাটি পথাৰত পুলিচৰ এনকাউণ্টাৰত জয়নাল আবেদিন নামৰ এজন দুৰ্ধৰ্ষ ডকাইত নিহত হৈছিল। নিহত আবেদিনক একাংশই নিৰপৰাধী ব্যক্তি বুলি দাবী কৰি আৰক্ষীয়ে ডকাইত সজাই হত্যা কৰা বুলি অভিযোগ তুলি স্থানীয় লোকে আজি শালকাটিত এক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা বাবে ধিঙৰ দুই সাংবাদিক বাতৰি সংগ্ৰহৰ বাবে ঘটনাস্থলীত উপস্থিত হৈছিল। কিন্তু সেই সময়ত 'পাব্লিক প্ৰেছৰ সাংবাদিক ইমামুদ্দিন আহমেদ নামৰ সাংবাদিকজনক একাংশই চি আৰ পি এফ আৰু আৰক্ষীৰ সন্মুখতে ছয় পৃষ্ঠাত চাওক

## 'দিঠকত হেৰাল সপোন'লৈ আন এক সন্মান

**অগ্ৰদূত বাৰ্তা**

**কনিহা, ১৩ জুলাই ঃ** মুক্তিৰ পূৰ্বেই এটাৰ পাছত আনটো সন্মান পাবলৈ সক্ষম হৈছে মাকনপ্ৰিয়া প্ৰডাকচনৰ বেনাৰত নিৰ্মিত অসমীয়া কথাছবি 'দিঠকত হেৰাল সপোন'এ। 'লিফ্‌ট অৱ গ্লোৰেল নেটৱৰ্ক' ইণ্টাৰনেছনেল ফিল্ম ফেষ্টিভেল ২০২১ত মুখ্য শাখাত নমিনেচন লাভ কৰিছে দিঠকত হেৰাল সপোনে। ফেষ্টিভেল আয়োজক সমিতিয়ে ই-মেইলযোগে এই খবৰ জনাইছে বুলি প্ৰযোজক অজিত বৰ্মনে সদৰী কৰিছে। ছয় পৃষ্ঠাত চাওক

## বিশ্বনাথৰ নবজাৰত দুদিন ধৰি গঁড়ৰ আতংক




**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৩ জুলাই ঃ** বিশ্বনাথ চাৰিআলিৰ গুপ্তকাশী বিশ্বনাথঘাটত দুদিন ধৰি গঁড়ৰ আতংক অব্যাহত আছে। উল্লেখ্য যে কালি পুৱাই বিশ্বনাথৰ দক্ষিণ পাৰে থকা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা এটা গঁড়ে আতংকিত কৰিছে গাঁওবাসীক। গঁড়টো ওলাই বিশ্বনাথৰ ন বজাৰৰ অন্তৰ্গত এডাৰ ঘন মৰাপাট খেতিৰ মাজত দুদিন ধৰি আশ্ৰয় গ্ৰহণ কৰি আছিল। যাৰ বাবে স্থানীয় ৰাইজ আতংকিত হৈ পৰিছিল। কাৰণ মৰাপাট খেতিৰ পৰা যদি গঁড়টো ওলাই আহি কাষৰ গাঁওখনত প্ৰৱেশ কৰে তেনেহ'লে নিশ্চিতভাৱে গাঁওখনৰ লোকক ক্ষতিসাধন কৰিব পাৰে। সেয়েহে বিশ্বনাথৰ বন বিভাগৰ লোকে কালিৰ পৰাই উক্ত স্থানত পহৰা দিয়াৰ লগত গঁড়টোক পুনৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ খেদি পঠিয়াবলৈ চেষ্টা অব্যাহত ৰাখিছে যদিও এতিয়া পৰ্যন্ত সক্ষম হোৱা নাই।

## ট্ৰাকৰ মুখামুখি সংঘৰ্ষত হালাকুৰাৰ চালক নিহত

**বক্সিৰহাট, ১৩ জুলাই ঃ** আজি পুৱা দুখন ট্ৰাকৰ মুখামুখি সংঘৰ্ষত এজন চালক নিহত হয়। ট্ৰাকখনে বৰপেটাৰ পৰা পাইপ বোজাই কৰি ধুবুৰী জিলাৰ গৌৰীপুৰলৈ আহি থাকোতে বিলাসীপাৰাৰ টাৰ্নিঙত আন এখন শিল ভৰ্তি ট্ৰাকৰে ধুবুৰীৰ পৰা বঙাইগাঁওলৈ যোৱা পথত মুখামুখি সংঘৰ্ষ হয়। সংঘৰ্ষত গৌৰীপুৰমুখী ট্ৰাকৰ চালক ভেগু আলী (৩২) থিতাতে নিহত হয়। ছয় পৃষ্ঠাত চাওক

## ক'ভিডত মূৰে-কপালে হাত দিছে বকোৰ দুগ্ধ উৎপাদনকাৰীয়ে



**আলোপতি, ১৩ জুলাই ঃ** ক'ভিড সৃষ্ট জটিল পৰিস্থিতিৰ বাবে মূৰে-কপালে হাত দিবলগীয়া হৈছে বকো সমষ্টিৰ বিভিন্ন প্ৰান্তৰ দুগ্ধ উৎপাদনকাৰীসকলে। সমষ্টিটোৰ বিভিন্ন প্ৰান্তত একাংশ কৃষিজীৱী লোকৰ উপৰি আন একাংশ শিক্ষিত যুৱকে ব্যৱসায় ভিত্তিত দুগ্ধ উৎপাদন কৰি লাভৱান হৈছিল যদিও দীঘলীয়া ক'ভিড অতিমাৰীয়ে স্তব্ধ কৰিছে এনে ব্যৱসায়। বিগত বৰ্ষৰ সম্পূৰ্ণ তলাবন্ধত একপ্ৰকাৰ বন্ধ হৈ পৰা দুগ্ধ ব্যৱসায়টো কৰ'না অতিমাৰীৰ পাছত পুনৰায় আৰম্ভ কৰিলেও সাম্প্ৰতিক সময়ত বেয়াকৈ মাধমাৰ খাইছে অঞ্চলটোৰ দুগ্ধ উৎপাদকসকলে। বকো সমষ্টিৰ বিভিন্ন প্ৰান্তত একাংশ লোকে উন্নত প্ৰজাতিৰ গোপালনৰ জৰিয়তে আৰম্ভ কৰা দুগ্ধ ব্যৱসায়টো সম্প্ৰতি বন্ধ হৈ পৰাৰ উপক্ৰম হৈছে। ছয় পৃষ্ঠাত চাওক

## পানবাৰীত দুই ট্ৰাকৰ মুখামুখি ভয়ংকৰ সংঘৰ্ষ ঃ নিহত এক, গুৰুতৰভাৱে আহত আনজন চালক

**অগ্ৰদূত বাৰ্তা**

**গৌৰীপুৰ, ১৩ জুলাই ঃ** বিটিআৰৰ পৰ্বতঝোৰা মহকুমাৰ কাজিগাও আৰক্ষী থানাৰ অন্তৰ্গত ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পানবাৰীত আজি পুৱা পাঁচ বজাত দুখন ট্ৰাকৰ মুখামুখি সংঘৰ্ষ হোৱাত থিতাতে নিহত হয় এজন চালক। আনহাতে, গুৰুতৰভাৱে আহত হয় আনজন ট্ৰাক চালক। পুৱা এ এছ-১৭ চি-১৩৭৮ নম্বৰৰ ট্ৰাকখন বিলাসীপাৰাৰ পৰা গৌৰীপুৰ অভিমুখে গৈ থকা অৱস্থাত গৌৰীপুৰৰ পৰা বিলাসীপাৰা অভিমুখে গৈ থকা এ এছ-০১ এ চি-২৭৬৯ নম্বৰৰ ট্ৰাকখনৰে মুখামুখি সংঘৰ্ষ হোৱাত থিতাতে নিহত হয় এজন ট্ৰাকৰ চালক। চালকজন আগমনি অঞ্চলৰ বিদ্যাৰ ডাবৰি গাঁৱৰ কুৰবান আলী (৩৫)। দুৰ্ঘটনাটো ইমানেই ভয়ংকৰ আছিল যে এখন ট্ৰাক নলাত লাগি ধৰে আৰু নিজৰ ট্ৰাকৰ চকাৰ তলত পৰি নিহত হয় চালকজন। পানবাৰী বিএছএফ কেম্পৰ সন্মুখত সংঘটিত দুৰ্ঘটনাত আহত হোৱা আনজন চালকক ধুবুৰী অসামৰিক চিকিৎসালয়ত ছয় পৃষ্ঠাত চাওক

## বিজনীৰ নিকটৱৰ্তী গোহাঁই কমল আলী পথ পুনৰ নিৰ্মাণত বিতৰ্ক



**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ১৩ জুলাই ঃ** চিৰাং জিলাৰ বিজনীৰ নিকটৱৰ্তী শিয়ালমাৰী-দহলাপাৰা-গেৰুকাবাৰী পৌৰাণিক গোহাঁই কোমল আলি পথৰ নিৰ্মাণ কাৰ্যত বিসংগতি তথা দুৰ্নীতি হোৱা বুলি একাংশ ৰাইজে কৰা অভিযোগৰ ভিত্তিত কালি বিজনী মহকুমাৰ লোক নিৰ্মাণ বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা সন্তোষ ব্ৰহ্ম আৰু বিজনী মহকুমা প্ৰশাসনৰ দণ্ডাধীশ দীপাংকৰ বৰাই নিৰ্মাণ কাৰ্যৰ তদাৰক কৰে। ৰাইজৰ অভিযোগক সন্মান ছয় পৃষ্ঠাত চাওক

# ধ্বংসৰ গৰাহত কলিয়াবৰৰ অসম সমবায় মৰাপাট কল

### কৰ্তৃপক্ষ-বিষয়া-শ্ৰমিকৰ মতবিৰোধে নমাই আনিছে অশনি সংকেত



**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ১৩ জুলাই ঃ** ধ্বংসৰ গৰাহত পৰিছে উত্তৰ-পূবৰ সমবায় খণ্ডৰ অন্যতম শক্তিশালী উদ্যোগ কলিয়াবৰৰ শিলঘাটস্থিত অসম সমবায় মৰাপাট কল। কাণ্ডজ্ঞানহীন নেতৃত্বৰ অদূৰদৰ্শিতাৰ ফলশ্ৰুতিত মৃত্যুমুখী হৈছে কলটোৰ। ইয়াৰ মাজতে ক'ভিড বিধি সম্পূৰ্ণৰূপে উলংঘা কৰি প্ৰশাসনৰ কোনো অনুমতি অবিহনে কলিয়াবৰ মহকুমাৰ শিলঘাটস্থিত অসম সমবায় কলৰ অন্তৰ্ভাগত যোৱা ১১ জুলাইত সংগোপনে অনুষ্ঠিত ৰাজহুৱা সভা নামেৰে নামাকৰণ কৰা এক বিতৰ্কিত সভাক কেন্দ্ৰ কৰি চৌদিশে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিগত ১৩ মে'ৰ পৰা ৬০ দিন ধৰি ক'ভিডসৃষ্ট জটিল পৰিস্থিতিৰ বাবে সম্পূৰ্ণৰূপে স্তব্ধ হৈ পৰা শিলঘাট কলটো পুনৰ কাৰ্যক্ষম কৰাৰ উদ্দেশ্যেৰে সাংবাদিকৰ প্ৰৱেশ নিষিদ্ধ কৰি অবৈধভাৱে আয়োজিত ৰাজহুৱা সভাখনে প্ৰকৃতাৰ্থত সন্দিহান কৰি তুলিছে সচেতন মহলক। স্থানীয় জ্যেষ্ঠ নাগৰিক যোগেন শইকীয়াৰ পৰিচালনাত অনুষ্ঠিত ৰাজহুৱা সভাখন কাৰ্যত ফ্লপ' শ্ব' লৈ পৰ্যবসিত ঘটে। সভাত দুই বিপৰীত ছয় পৃষ্ঠাত চাওক

## জুৰীয়াত পাৰ্শ্বৱৰ্তী লাংগীয়া নৈত অচিনাক্ত মহিলাৰ মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**জুৰীয়া, ১৩ জুলাই ঃ** নগাঁও জিলাৰ জুৰীয়াৰ পাশ্বৱৰ্তী ডুমডুমীয়া আৰক্ষী পহৰা চকীৰ অন্তৰ্গত লাংগিয়া নৈৰ পানীত ওপঙি থকা অৱস্থাত আজি পুৱা এগৰাকী মহিলাৰ মৃতদেহ উদ্ধাৰ হয়। নৈখনত এটা মৃতদেহ ওপঙি থকা স্থানীয় লোকে প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। পাছত আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰে। বাতৰি লিখা পৰলৈকে মহিলাগৰাকীক চিনাক্ত কৰিব পৰা হোৱা নাই। দুষ্কৃতিকাৰীয়ে মহিলাগৰাকীক হত্যা কৰি নৈখনত পেলাই থৈ যোৱাৰ সন্দেহ কৰিছে স্থানীয় ৰাইজে। কিয়নো উৰলি যোৱা মৃত মহিলাগৰাকীৰ শৰীৰত ৰছিৰে বান্ধি থোৱা অৱস্থাত উদ্ধাৰ কৰা হৈছে। বিগত ছয়-সাত দিন পূৰ্বে কোনো দুষ্ট চক্ৰই হত্যা কৰি নদীত পেলাই দিয়াৰ সন্দেহ কৰা হৈছে।

দৈনিক অগ্ৰদূত
গুৱাহাটী বুধবাৰ ২৯ আহাৰ ১৪২৮ ভাস্কৰাব্দ ১৪ জুলাই ২০২১

# জনসংখ্যা আৰু উন্নয়ন

অসমৰ পাছত এইবাৰ উত্তৰ প্ৰদেশৰ যোগী আদিত্যনাথ চৰকাৰে নতুন জনসংখ্যা নীতি ঘোষণা কৰিছে। ২০২১-৩০ৰ বাবে উত্তৰ প্ৰদেশ চৰকাৰে ঘোষণা কৰা জনসংখ্যা নীতি উন্মোচন কৰি মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে কৈছে যে জনসংখ্যা বৃদ্ধি সমাজত অসমতা বৃদ্ধিৰ অন্যতম কাৰণ। বৰ্দ্ধিত জনসংখ্যাক উন্নয়নৰ ক্ষেত্ৰত বাধা স্বৰূপ বুলি কোৱা হৈছে। আদিত্যনাথে অৱশ্যে ৰাজ্যখনৰ সকলো জনগোষ্ঠীৰ কথা বিবেচনা কৰিয়েই এই জনসংখ্যা নীতি গ্ৰহণ কৰা হৈছে বুলি কৈছে। অসমৰ দৰে মুছলমানসকলৰ মাজত অধিক জনসংখ্যা বৃদ্ধিত উদ্বেগ প্ৰকাশ নকৰিলেও আদিত্যনাথে কৈছে যে নতুন জনসংখ্যা নীতিৰ জৰিয়তে ৰাজ্যখনৰ সকলো জনগোষ্ঠীৰ মাজত এক ভাৰসাম্য সৃষ্টি কৰিবলৈ পৰিকল্পনা কৰা হৈছে।

বৰ্তমান উত্তৰ প্ৰদেশৰ মুঠ প্ৰজননৰ হাৰ (টি এফ আৰ) ২.৭ৰ পৰা অহা ২০২৬ৰ ভিতৰত ২.১লৈ হ্ৰাস কৰাৰ লক্ষ্য লোৱা হৈছে বুলি উত্তৰ প্ৰদেশৰ নতুন জনসংখ্যা নীতিত কোৱা হৈছে। অহা ২০৩০ৰ ভিতৰত টি এফ আৰ ১.৭লৈ হ্ৰাসৰ পৰিকল্পনা লোৱা হৈছে। অসম, উত্তৰ প্ৰদেশ আদি ৰাজ্যসমূহে জনসংখ্যা নিয়ন্ত্ৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ সময়ত পঞ্চম ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপ বা সংক্ষেপে এন এফ এইছ এছৰ তৰফৰ পৰা কোৱা হৈছে যে ভাৰতবৰ্ষৰ মুঠ প্ৰজননৰ হাৰ সৰহভাগ ৰাজ্যতেই হ্ৰাস পাইছে। এন এফ এইছ এছে ১৭ খন ৰাজ্যত জৰীপ চলোৱাৰ পাছত বিহাৰ, মণিপুৰ আৰু মেঘালয়ত বাদে বাকীবোৰ ৰাজ্যত মুঠ প্ৰজননৰ হাৰ ২.১তকৈ কম পাইছে। পপুলেছন ফাউণ্ডেছন ইণ্ডিয়াৰ মতেও দেশৰ জনসংখ্যা বৃদ্ধি এতিয়া হ্ৰাস পাইছে। গৰ্ভনিৰোধক ব্যৱহাৰৰ দ্বাৰা জন্ম নিয়ন্ত্ৰণৰ প্ৰতি মহিলাসকল আগতকৈ অধিক আকৰ্ষিত হৈছে। ওপৰত উল্লেখ কৰা জৰীপ অনুসৰি মহিলাসকলে নিজাববীয়াকৈ ১৭ খন ৰাজ্যৰ ভিতৰত নখনত সিদ্ধান্ত লয়। একেদৰে অসম, বিহাৰ, গুজৰাট আৰু পশ্চিমবংগত মহিলাসকলৰ বেংক একাউন্টৰ সংখ্যা ৩০ শতাংশ বৃদ্ধি পাইছে। তদুপৰি পাঁচ বছৰ অনুৰ্ধ শিশুৰ পুষ্টিৰ পৰিমাণো আগতকৈ ভালেমান ৰাজ্যত বৃদ্ধি পাইছে। অৱশ্যে মহিলাৰ মাজত ৰক্তহীনতাৰ পৰিমাণ এতিয়াও পুৰুষৰ তুলনাত অধিক বুলি কোৱা হৈছে। আকৌ অসমকে ধৰি ত্ৰিপুৰা, মণিপুৰ, পশ্চিমবংগ, বিহাৰ আদি ৰাজ্যত ২০১৫-১৬ বছৰটোত বাল্য বিবাহৰ পৰিমাণ বৃদ্ধি পাইছে। একেদৰেই অসমকে ধৰি ছিকিম, মহাৰাষ্ট্ৰ আৰু হিমাচল প্ৰদেশত গৃহিণীৰ ওপৰত সংঘটিত হিংসাত্মক ঘটনাৰ পৰিমাণ এন এফ এইছ এছ-৪ আৰু এন এফ এইছ এছ-৫ জৰীপৰ মাজত ২০.৬ শতাংশৰ পৰা ৪৪.৪ শতাংশলৈ বৃদ্ধি পাইছে।

বৰ্তমান সমগ্ৰ বিশ্বৰ পৰিস্থিতিলৈ চাই ক'ব পাৰি যে বিশ্বৰ প্ৰতিগৰাকী মহিলাৰ গড় সন্তানৰ সংখ্যা ২.৫টা। যোৱা ৫০টা বছৰত গোলকীয় প্ৰজননৰ হাৰ প্ৰায় আধালৈ হ্ৰাস পাইছে। আধুনিক যুগৰ আগেয়ে বিশ্বৰ প্ৰতিগৰাকী মহিলাৰ সন্তানৰ পৰিমাণ আছিল গড়ে ৪-৫টাৰ পৰা সাতটালৈকে। তদুপৰি সেই সময়ত সন্তান জন্ম দিয়াৰ সময়ত শিশুৰ মৃত্যুৰ হাৰো অধিক আছিল, নহ'লে জন্মৰ হাৰ আৰু অধিক হ'লহেঁতেন। গতিকে মুঠ জনসংখ্যাৰ হাৰ হ্ৰাস পোৱাটো এক গোলকীয় দৃশ্য। যিবোৰ দেশত উন্নয়ন যথেষ্ট হৈছে, তাত প্ৰজনন হ্ৰাস পোৱাৰ বিপৰীতে মানুহৰ গড় আয়ুস বাঢ়িছে, শিশু মৃত্যুৰ হাৰ হ্ৰাস পাইছে আৰু তেওঁলোকৰ মাজত ব্যক্তিগত আয়ৰ পৰিমাণো বৃদ্ধি পাবলৈ ধৰিছে। ইউৰোপীয় দেশসমূহত বৰ্তমান জনসংখ্যা বৃদ্ধিৰ হাৰ যথেষ্ট কম; কিন্তু এটা সময় আছিল যেতিয়া ইউৰোপীয় দেশসমূহতো সন্তান জন্মৰ হাৰ উদ্বেগজনক আছিল।

এই কথা ঠিক যে মহিলাৰ সবলীকৰণ, মহিলাৰ মাজত শিক্ষাৰ প্ৰসাৰ আদি কাৰকবোৰে জনসংখ্যা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত গৰ্ভনিৰোধকতকৈ অধিক পৰিমাণে জনসংখ্যা নিয়ন্ত্ৰণত অৰিহণা যোগায়। সেয়া যি কি নহওক, জনসংখ্যা বৃদ্ধিৰ সমস্যাটোক বাস্তৱভাৱে বিশ্লেষণ কৰা প্ৰয়োজন। ৰাজনৈতিক তথা সাম্প্ৰদায়িক দৃষ্টিকোণেৰে জনসংখ্যাৰ সমস্যা সমাধান কৰাটো সম্ভৱ নহয়। সেয়েহে ৰাজ্য চৰকাৰসমূহে জনসংখ্যা নীতিৰ সমান্তৰালভাৱে অধিক পৰিমাণে উন্নয়নৰ আঁচনি হাতত লওক। উন্নয়নে জনসংখ্যা ৰোধত ইতিবাচক আৰু স্থায়ী প্ৰভাৱ পেলাব পাৰে।

## খোলা মঞ্চ

# অসমৰ নতুন চৰকাৰখনে কিবোৰ বিষয়ত গুৰুত্ব দিয়া উচিত?



**বলোৰাম ডেকা**, *লেখক*

**অসমৰ** নতুন চৰকাৰখনৰ মুখ্যমন্ত্ৰীজনৰ তৎপৰতাৰ আৰু দায়িত্ববোধৰ বাবে তেওঁৰ আহ্বানক্ৰমে নতুন মন্ত্ৰীসকলেও যৎপৰোনাস্তিৰে নিজৰ নিজৰ দায়িত্ব পালনৰ বাবে চেষ্টা চলাইছে। নিৰ্বাচনৰ সময়ত ৰাইজক দিয়া প্ৰতিশ্ৰুতি আৰু আগৰ কাৰ্যকালৰ জনকল্যাণমুখী আঁচনিসমূহৰ আধৰুৱা বা বাদ পৰি যোৱা কামসমূহ অগ্ৰাধিকাৰ ভিত্তিত পৰ্যায়ক্ৰমে কাৰ্যকৰী কৰাৰ দিশত ক্ষিপ্ৰ গতিত অগ্ৰসৰ হোৱা দেখা গৈছে।

স্বাধীনতা লাভৰ পাছত অসমত বহুকেইখন চৰকাৰ হ'ল; কিন্তু প্ৰকৃত সমস্যাৰ সমাধান কোনো এখন চৰকাৰে সম্পূৰ্ণকৈ কৰিব পৰা নাই আৰু নোৱাৰেও। তৎসত্ত্বেও যিবিলাক বিষয়ৰ কাৰণে জনসাধাৰণ উন্নয়নত বাধা হয় আৰু অৰ্থনৈতিক ক্ষেত্ৰত অগ্ৰগতি লাভ কৰিব পাৰি তেনে বিষয়ত নতুন চৰকাৰখনে গুৰুত্ব দিব লাগিব। দেশ স্বাধীন হোৱাৰ আগৰ পৰাই অসমত যি বিদেশী নাগৰিকৰ সোঁত বৈছিল, স্বাধীন হোৱাৰ পাছতো সেই সোঁত আৰু বেছিকৈ বৈছিল। স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ দিনত অসমত বহু চৰণীয়া ঠাই আছে বুলি পূৰ্বৰ বংগীয় ভগনীয়াসকলক অসমলৈ পঠিওৱাৰ যি ষড়যন্ত্ৰ আজিও তাৰ লানি নিছিগা সোঁত বৈ আছে। অসমত থকা জলাহ ভূমি, নদীৰ চৰ অঞ্চল বিদেশীৰে ভৰি পৰিছে। অসমৰ মঠ-মন্দিৰৰ আবণ্টিত ভূমিবিলাক এফালৰ পৰা সন্দেহযুক্ত নাগৰিকে গ্ৰাস কৰি গৈছে। অসমীয়া সংস্কৃতি বৰ্তমান বিজতৰীয়া হোৱাৰ উপক্ৰম। এইবিলাকৰ কাৰণে ৰাজ্যখনত অপ্ৰীতিকৰ কাৰ্যকলাপ চোৰ, ডকাইতৰ অনৈতিক কাম-কাজেৰে ভৰি পৰিছে।

সেয়েহে নতুন চৰকাৰখনে কেন্দ্ৰৰ সহযোগত প্ৰথমতে দেশীয় সীমা সুৰক্ষিত কৰাৰ লগতে বিদেশী নাগৰিকৰ চিনাক্ত কৰি বহিষ্কাৰ কৰাৰ বাবে সংকল্পবদ্ধ হ'ব লাগিব।

দ্বিতীয়তে অসমখন কৃষিপ্ৰধান ৰাজ্য। ইয়াৰ মাটি সাৰুৱা। ইয়াৰ কৃষি কাৰ্য উন্নত পদ্ধতিৰে কৰাৰ বাবে চৰকাৰে পৰিকল্পনা কৰিব লাগিব। অসম এখন নদী মাতৃক দেশ। বাৰিষা কালত ফেনে-ফোটোকাৰে নদীৰ পানী বাঢ়ি অহাৰ ফলত বানপানী আৰু গৰাখহনীয়াই ৰাইজৰ বিস্তৰ ক্ষতি কৰে। এই ব্যৱস্থাক কোনো এখন চৰকাৰে ৰোধ কৰিব পৰা নাই। আগৰ চৰকাৰে যে এইবিলাক বিষয়ত ব্যৱস্থা লোৱা নাই, সেইটো নহয়। কৰিছে, কিন্তু ইয়াৰ উচিত ব্যৱস্থা হোৱা নাই। এই চৰকাৰখনে ইয়াৰ এটা সুপৰিকল্পিত উন্নত ব্যৱস্থা কৰিব লাগিব।

তৃতীয়তে, অসমৰ ক্ৰমবৰ্ধমান জনসংখ্যাৰ কাৰণে বছৰে বছৰে নিবনুৱাৰ সংখ্যা বাঢ়ি গৈ আছে। অসমখন প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ ৰাজ্য যদিও ইয়াত আজিকোপতি উন্নত উদ্যোগৰ ব্যৱস্থা হোৱা নাই। যিকেইটা উদ্যোগ জনসাধাৰণৰ আন্দোলনত হৈছিল, সেইকেইটাৰো ৰুগ্ন অৱস্থা। নতুন চৰকাৰখনে এই ৰুগ্ন উদ্যোগসমূহ পুনৰ জীৱিত কৰিব লাগিব। নতুন উদ্যোগ গঢ়াৰ ব্যৱস্থা কৰি বৰ্ধিত নিবনুৱাক কৰ্মসংস্থাপনৰ ওপৰত গুৰুত্ব দিব লাগিব।

চতুৰ্থতে, বৰ্তমান চৰকাৰখনে দুখীয়া দৰিদ্ৰক সহায় কৰাৰ কাৰণে বিভিন্ন আঁচনি লৈছে। এইটো ভাল কথা। আঁচনি লাগে, কিন্তু বেছি আঁচনিয়ে মানুহৰ মনত কৰ্মৰ প্ৰতি অনীহা ভাব জগাই তোলে। মানুহৰ যদি তাড়না নাথাকে, কৰ্মস্পৃহাও নাথাকে। সেয়েহে নতুন চৰকাৰখনে এনে আঁচনি প্ৰয়োগ কৰক, যাৰ ফলত জনসাধাৰণ কৰ্মমুখী হ'ব পাৰে। তদুপৰি নতুন চৰকাৰখনে স্বাস্থ্য আৰু শিক্ষাৰ ক্ষেত্ৰত তথাকথিত ব্যৱস্থা উন্নত কৰি নতুনত্বৰে প্ৰগতিমুখী কৰিব লাগিব। তেতিয়াহে আগৰ গতানুগতিক চৰকাৰ এখনৰ পৰিৱৰ্তে নৱগঠিত চৰকাৰখনে জনসাধাৰণৰ মনত প্ৰভাৱ পেলাব পাৰিব।

*ফোন ঃ ৮৭৬১৯০৪৩১৭*

# বিৰোধীসকল শক্তিশালী হ'লেহে গণতন্ত্ৰ শক্তিশালী হয়

# বিচাৰবিহীন হত্যা —— পুলিচ আৰু বিৰোধীৰ ভূমিকা

**নিউজ স্কেন**



**গীতাৰ্থ পাঠক**

১৯৭৪ত আমেৰিকা যুক্তৰাষ্ট্ৰৰ টেনেচি ৰাজ্যত হোৱা সাধাৰণ চুৰিৰ ঘটনাত জড়িত ১৫ বছৰীয়া শিশু এটিক পলাবলৈ চেষ্টা কৰোতে পুলিচে ল'ৰাজনক লক্ষ্য কৰি গুলীয়ায়। গুলি ল'ৰাজনৰ মূৰৰ পাছত লগাত হাস্পতাললৈ নিয়াৰ পথতেই ল'ৰাজনৰ মৃত্যু ঘটে। এডৱাৰ্ড গাৰ্নাৰ নামৰ এই ল'ৰাটোৰ দেউতাকে আমেৰিকা যুক্তৰাষ্ট্ৰৰ উচ্চতম ন্যায়ালয়ত টেনেচি ৰাজ্যৰ বিৰুদ্ধে গোচৰ তৰাৰ পাছত এল্টন হাইমন নামৰ পুলিচ বিষয়াজনক দোষী সাব্যস্ত কৰে। সেই সময়ত টেনেচিৰ আইন অনুসৰি কোনো অপৰাধীয়ে পুলিচৰ হাতৰ পৰা পলাবলৈ চেষ্টা কৰিলে পুলিচে তেনে লোকক গুলীয়াব পাৰে। গাৰ্নাৰৰ দেউতাকে টেনেচি ৰাজ্যৰ এই আইনৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত গোচৰ তৰাত ন্যায়ালয়ে টেনেচিৰ আইন মাৰ্কিন সংবিধানৰ চতুৰ্থ সংশোধন অনুযায়ী অবৈধ বুলি ঘোষণা কৰে। কোনো অপৰাধীয়ে পলাবলৈ চেষ্টা কৰিলেও তেনে অপৰাধ যদি অস্ত্ৰ-শস্ত্ৰ লৈ নাথাকে আৰু তেওঁক ধৰিবলৈ যোৱা পুলিচ বিষয়াৰ প্ৰাণৰ সংশয়ৰ কাৰণ নহয়, তেনেহ'লে পুলিচে তেনে লোকক লক্ষ্য কৰি গুলীয়াব নোৱাৰে।

আমাৰ দেশৰ আইন অনুসৰিও পুলিচে এনে ধৰণে কোনো অপৰাধীক পলাবলৈ ধৰোতে গুলীয়াই হত্যা কৰিব নোৱাৰে। আমাৰ দেশত এনকাউণ্টাৰৰ নামত পুলিচে বহু লোকক গুলীয়াই হত্যা কৰাৰ উদাহৰণ আছে। এই ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ে বিভিন্ন গোচৰত বাৰে বাৰে এনে ধৰণৰ বিনা বিচাৰে পুলিচে কৰা হত্যাৰ বিৰুদ্ধে মতপ্ৰকাশ কৰি আহিছে। আৰ এছ চোধি বনাম উত্তৰ প্ৰদেশ গোচৰত ১৯৯২তেই উচ্চতম ন্যায়ালয়ে এনে হত্যাৰ চি বি আই তদন্তৰ নিৰ্দেশ দিছিল। আকৌ ২০১১ত প্ৰকাশ কদম বনাম ৰাজপ্ৰসাদ বিশ্ব গুপ্তা গোচৰত উচ্চতম ন্যায়ালয়ে কোনো পুলিচ বিষয়াৰ বিৰুদ্ধে বেআইনীভাৱে যদি কোনো ব্যক্তি হত্যা প্ৰমাণিত হয় তেনেহ'লে তেনে পুলিচ বিষয়াক প্ৰাণদণ্ড দিব লাগে। ২০১২ত ওম প্ৰকাশ বনাম ঝাড়খণ্ড ৰাজ্য গোচৰত উচ্চতম ন্যায়ালয়ে ৰায়দান কৰি কয় যে বিনা বিচাৰে হত্যা কৰাটো আমাৰ অপৰাধ ন্যায় ব্যৱস্থা অনুসৰি বেআইনী আৰু তাক ৰাষ্ট্ৰৰ দ্বাৰা পৰিচালিত সন্ত্ৰাস। এই ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ে পুলিচ তথা ৰাষ্ট্ৰক ১৬ দফীয়া এক পৰামৰ্শ আগবঢ়ায়— যাৰ ভিতৰত আছে প্ৰামাণিক তথ্য সংৰক্ষণ, বিলম্ব নকৰি এফ আই আৰ দিয়া, ভিডিঅ'গ্ৰাফ আৰু মৰণোত্তৰ পৰীক্ষা, স্বতন্ত্ৰ তদন্ত, ন্যায়িক তদন্ত আৰু দোষীৰ খৰতকীয়া বিচাৰ। ইন্টাৰনেছনেল ক'ভেনেন্ট অন চিভিল এণ্ড পলিটিকেল ৰাইটৰ ছয় নম্বৰ দফাত কোৱা হৈছে যে প্ৰতিগৰাকী মানুহৰ জীৱনৰ অধিকাৰ আছে আৰু এই অধিকাৰক আইনৰ দ্বাৰা ৰক্ষণাবেক্ষণ দিব লাগিব। কোনো ব্যক্তিকেই ইচ্ছামতে জীৱনৰ অধিকাৰৰ পৰা বঞ্চিত কৰিব নোৱাৰিব। উল্লেখ্য যে এই আন্তৰ্জাতিক দলিলত ভাৰতেও স্বাক্ষৰ কৰিছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে ৰাষ্ট্ৰসংঘৰ কনভেনচন এগেইনষ্ট টৰ্চাৰ এণ্ড আদাৰ ক্ৰুৱেল ইনহিউমেন অ'ৰ ডিগ্ৰেডিং ট্ৰিটমেন্ট অ'ৰ পানিচমেন্টত ভাৰতে বিশ্বৰ বৃহত্তম গণতান্ত্ৰিক দেশ হৈও স্বাক্ষৰ কৰা নাই। এই আন্তৰ্জাতিক চুক্তিখনত চহী নকৰাৰ বাবে ভাৰত আন্তৰ্জাতিকভাৱে সমালোচিত হৈ আহিছে।

আমাৰ দেশত এক্সট্ৰা জুডিচিয়েল কিলিংছ অথবা বিচাৰবিহীনভাৱে সংঘটিত হত্যাকাণ্ডৰ সংখ্যা বাঢ়ি যাব ধৰিছে। বিশেষকৈ পুলিচ, সেনাবাহিনী অথবা অন্যান্য নিৰাপত্তা বাহিনীৰ হাতত এনকাউণ্টাৰৰ নামত অথবা এইবোৰৰ হেফাজতত বহুতো লোক নিহত হোৱা আমি দেখিছো। যোৱা ২০২০ত উত্তৰ প্ৰদেশত কুখ্যাত অপৰাধী বিকাশ ডুবেৰ এনকাউণ্টাৰত হোৱা হত্যা আৰু যোৱা ২০১৯ত হায়দৰাবাদত দলবদ্ধ ধৰ্ষণত জড়িত চাৰি অপৰাধীক পুলিচে এনকাউণ্টাৰৰ নামত পৰিকল্পিতভাৱে কৰা হত্যাৰ ঘটনাই দেশৰ পুলিচৰ ভূমিকাক সন্দেহৰ আৱৰ্তলৈ লৈ আহিছে। উল্লেখ্য যে এই দুয়োটা এনকাউণ্টাৰৰ ঘটনাৰ তদন্ত কৰিবলৈ উচ্চতম ন্যায়ালয়ে নিৰ্দেশ দিছিল।

পুলিচে আত্মৰক্ষাৰ বাবে অথবা শান্তি আৰু আইন ৰক্ষাৰ বাবে কোনো অপৰাধীক আঘাত কৰিব পাৰে আৰু আনকি হত্যাও কৰিব পাৰে। ভাৰতীয় দণ্ডবিধিৰ ৯৬ অনুচ্ছেদ, এশ নম্বৰ অনুচ্ছেদ আৰু তিনিশ অনুচ্ছেদ অথবা অপৰাধ দণ্ডবিধিৰ ৪৬ নম্বৰ অনুচ্ছেদৰ বলত পুলিচে এনে কৰিব পাৰে; কিন্তু পুলিচ বা অন্য বাহিনীয়ে নিজস্ব লাভালাভৰ বাবে অথবা অসাধু মতলবেৰে এনে ধৰণৰ কাৰ্যত লিপ্ত হ'ব নোৱাৰে। তদুপৰি ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগে বান্ধি দিয়া ২০১০ৰ গাইডলাইন পুলিচে ভংগ কৰিব নোৱাৰিব। তেনে কৰিলে ভাৰতীয় দণ্ডবিধিৰ ২৯৯ অনুচ্ছেদ অনুসৰি হত্যাৰ অভিযোগত অভিযুক্ত হ'ব আৰু বিভাগীয়ভাৱে পুলিচ বিভাগে এনে বিষয়াৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰিব লাগে। উল্লেখ কৰিব পাৰি যে ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগে ২০০০ৰ পৰা ২০১৭ৰ ভিতৰত আমাৰ দেশত মুঠতে



১৭৮২টা ভুৱা এনকাউণ্টাৰ সংঘটিত হৈছে বুলি তথ্য আগবঢ়াইছে। উত্তৰ প্ৰদেশ এই ক্ষেত্ৰত এক নম্বৰত আছে। এই ৰাজ্যখনত যোৱা ২০১৭ৰ পৰা ২০২০ৰ ভিতৰত প্ৰায় ছহেজাৰটা গুলীয়াগুলি বা এনকাউণ্টাৰৰ ঘটনা ঘটিছে আৰু কমেও ১২২ গৰাকী লোক এনে ঘটনাত নিহত হৈছে।

এই বিচাৰবিহীনভাৱে সংঘটিত হত্যাকাণ্ড আৰু পুলিচে সততে অপৰাধীক গুলীওৱা ঘটনাবোৰ আৰু সংশ্লিষ্ট আইনবোৰ এই কাৰণেই আমি আলোচনা

> **পুলিচে আত্মৰক্ষাৰ বাবে অথবা শান্তি আৰু আইন ৰক্ষাৰ বাবে কোনো অপৰাধীক আঘাত কৰিব পাৰে আৰু আনকি হত্যাও কৰিব পাৰে। ভাৰতীয় দণ্ডবিধিৰ ৯৬ অনুচ্ছেদ, এশ নম্বৰ অনুচ্ছেদ আৰু তিনিশ অনুচ্ছেদ অথবা অপৰাধ দণ্ডবিধিৰ ৪৬ নম্বৰ অনুচ্ছেদৰ বলত পুলিচে এনে কৰিব পাৰে**

কৰিছো যে অলপতে অসমৰ মুখ্যমন্ত্ৰীয়ে উচ্চতম ন্যায়ালয়, ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগৰ নিৰ্দেশাৱলী তথা আইনৰ কথা আওকাণ কৰি ৰাজ্যৰ বিভিন্ন থানাৰ ভাৰপ্ৰাপ্ত বিষয়াসকলৰ বৈঠকত কোনো অপৰাধী পলাবলৈ বিচাৰিলে পুলিচে গুলীওৱাটো এটা পেটাৰ্ণ হ'ব লাগে বুলি কৈ বিতৰ্কৰ সৃষ্টি কৰিছে। অসমত বৰ্তমান চৰকাৰে ড্ৰাগছৰ বিৰুদ্ধে এক অভিযান চলাইছে। সেয়া ভাল কথা; কিন্তু ড্ৰাগছৰ ব্যৱসায়ীসকল বা অপৰাধীসকল পলাই যাব বিচাৰিলেই তেনে লোকক গুলীয়াই দিয়াটোৱে ড্ৰাগছ নিৰ্মূলত সহায় নকৰে। কিয়নো ড্ৰাগছ বেপাৰীসকলৰ নেটৱৰ্ক বহু দীঘল। বহু বৃহৎ ব্যৱসায়ী, প্ৰভাৱশালী নেতা আৰু পুলিচৰ একাংশও ড্ৰাগছৰ লেনদেনৰ স'তে জড়িত থকাৰ তথ্য আমি মাজে মাজে পাই আহিছো। উত্তৰ প্ৰদেশৰ কুখ্যাত অপৰাধী বিকাশ ডুবেক এনকাউণ্টাৰত হত্যা কৰাৰ কাৰণ হ'ল বিকাশ ডুবেৰ স'তে বহু বিষয়া, নেতা-পালিনেতাৰ উঠ-বহ আছিল আৰু সেইবোৰ ফাদিল হোৱাৰ ভয়তেই বিকাশ ডুবেক এনকাউণ্টাৰৰ নামত হত্যা কৰা বুলি বিৰোধীসকলৰ পৰা আৰম্ভ কৰি বহুতেই অভিযোগ উত্থাপন কৰিছে। ড্ৰাগছৰ ক্ষেত্ৰতো পুলিচে ড্ৰাগছ সৰবৰাহকাৰী তথা ব্যৱসায়ীসকলক জীৱন্তে আটক কৰি ড্ৰাগছৰ সম্পূৰ্ণ নেটৱৰ্ক ধৰা পেলাওক। আমাৰ বিশ্বাস ড্ৰাগছৰ এই নেটৱৰ্কত বহু ৰৌ-বৰালিও আছে— যাক নধৰিলে ড্ৰাগছৰ প্ৰচলন বন্ধ কৰাটো সম্ভৱ নহ'ব। বৰ্তমান চৰকাৰে চৰকাৰৰ জনপ্ৰিয়তা বৃদ্ধি কৰাৰ বাবে ড্ৰাগছ বিৰোধী অভিযান চলাইছে নে সঁচাকৈয়ে ড্ৰাগছ নিৰ্মূলৰ বাবে প্ৰচেষ্টা চলাইছে, সেয়া সময়তহে জানিব পৰা যাব। পিছে যোৱা পাঁচটা বছৰত ৰাজ্যৰ বিজেপি চৰকাৰে ড্ৰাগছৰ বিৰুদ্ধে বিশেষ অভিযান চলোৱা কিয় নাছিল সেয়া বিচাৰ্য।

আমাৰ দেশত পুলিচী ব্যৱস্থাৰ সংস্কাৰৰ কথা কোৱা হৈছে। হিন্দী জনপ্ৰিয় চিনেমাসমূহত আমি দেখিছো পুলিচী ব্যৱস্থাৰ এক বাস্তৱ ছবি। পুলিচক দেখিলে নাগৰিকসকলে সকাহ অনুভৱ কৰিব লাগে— আমাৰ দেশত পিছে পুলিচ দেখিলে মানুহৰ মনত আশংকাৰ সৃষ্টি হয়। মহামাৰীৰ প্ৰথমটো ঢৌৰ সময়ত যোৱা বছৰত আমি দেখিছো ঘৰৰ বাহিৰলৈ ওলোৱাৰ অপৰাধত পুলিচৰ লাঠিচালনা আৰু অমানৱীয় নিৰ্যাতন। নিবনুৱা হৈ বাহিৰৰ পৰা হেজাৰ হেজাৰ মাইল খোজকাঢ়ি নিজ ঘৰলৈ অহা প্ৰব্ৰজিত শ্ৰমিকসকলক তলাবন্ধ ভংগৰ বাবে দেখিছো পুলিচে অত্যাচাৰ কৰাৰ ঘটনা। পুলিচ বাহিনীক অধিক মানৱীয় কৰাৰ বাবে যেতিয়া উচ্চতম ন্যায়ালয়ৰ পৰা পুলিচ সংস্কাৰ সমিতিসমূহে প্ৰচেষ্টা চলাইছে, সেই সময়ত পলাই যাব খোজা অপৰাধীক পুলিচে গুলীওৱাটো এটা পেটাৰ্ণ হ'ব লাগে বুলি মুখ্যমন্ত্ৰীয়ে কোৱা কথাষাৰে এনে ধৰণৰ পুলিচী সংস্কাৰৰ প্ৰচেষ্টাত চেঁচাপানী ঢালিব আৰু পুলিচক জনসাধাৰণৰ পৰা আঁতৰাই এক সন্ত্ৰাস বাহিনীলৈ ৰূপান্তৰিত হোৱাতহে সহায় কৰিব। আমি আশা কৰিব পাৰো আমাৰ দায়িত্বশীল শীৰ্ষ পুলিচ বিষয়াসকলে উচ্চতম ন্যায়ালয়, মানৱাধিকাৰ আয়োগ তথা আন্তৰ্জাতিক চুক্তিসমূহ মানি চলিব আৰু আইনসংগতভাৱে পুলিচ বাহিনীক পৰিচালিত কৰিব।


গণতান্ত্ৰিক দেশ এখনত গণতন্ত্ৰক সবল আৰু শক্তিশালী কৰাটো সকলোৰে কৰ্তব্য। আইনৰ অনুশাসন শক্তিশালী হ'ব লাগে, আইন তথা বিচাৰ ব্যৱস্থা যথাযথ আৰু খৰতকীয়া হ'ব লাগে। নিৰ্বাচিত গণ প্ৰতিনিধিসকলে তেওঁলোকৰ সমষ্টিৰ ৰাইজৰ হকে কাম কৰিব লাগে। সমষ্টি উন্নয়নৰ দায়িত্বও আমাৰ বিধায়ক-সাংসদসকলৰ আছে। পিছে বৰ্তমান বিধায়কসকলৰ আইন প্ৰণয়নত বাদে আন কোনো ভূমিকা নাই তথা সমষ্টি উন্নয়নৰ কামত বিধায়কৰ কোনো ভূমিকা বা ক্ষমতা নাই বুলি কোৱা কথাষাৰো গণতন্ত্ৰৰ পৰিপন্থী। বিধায়কক গ্ৰেপ্তাৰ কৰি থোৱা, মাত্ৰ দুই মিনিট বিধানসভাত কথা ক'বলৈ পাৰিব আদিৰে তাচ্ছিল্য কৰাটো সুস্থ গণতন্ত্ৰৰ লক্ষণ নহয়। বিৰোধীসকল শক্তিশালী হ'লেহে গণতন্ত্ৰ শক্তিশালী হয় বুলি ৰাজনৈতিক বিজ্ঞানত কোৱা হয়। যদিও বাস্তৱত শাসক দলে বিৰোধীসকলক নিঃশেষ কৰিবলৈ বিচাৰে তথা শক্তিশালী গণতন্ত্ৰত বিৰোধী সদায়েই শক্তিশালী হয়। আজি ব্ৰাজিলৰ ৰাষ্ট্ৰপতি জেইৰ বলচোনাৰোৰ বিৰুদ্ধে সংসদীয় কমিটিয়ে তদন্ত আৰম্ভ কৰিছে। আমাৰ দেশত এসময়ত বিৰোধীসকলক শাসক দলে যথেষ্ট গুৰুত্ব দিছিল। ৰাজীৱ গান্ধীয়ে নিজৰ দলৰ ৰাজ্য চৰকাৰখনক জলাঞ্জলি দি অসম চুক্তি স্বাক্ষৰ কৰিছিল, যাৰ ফলত অগপ ৰাজ্যৰ ক্ষমতালৈ আহিছিল। পাছলৈ হিতেশ্বৰ শইকীয়াৰ নেতৃত্বত কংগ্ৰেছ ক্ষমতালৈ আহিছিল যদিও শইকীয়া চৰকাৰৰ আমোলত বিৰোধীসকলে যথেষ্ট গুৰুত্ব পাইছিল। সি যি কি নহওক, আমি গণতন্ত্ৰৰ স্বাৰ্থত বিচাৰো শক্তিশালী বিৰোধী আৰু আইন-শৃংখলা বজাই ৰখাৰ স্বাৰ্থত তথা পুলিচ আৰু নাগৰিকৰ মাজত সুসম্পৰ্ক স্থাপনৰ স্বাৰ্থত বিচাৰো এক মানৱীয় নিৰাপত্তা বাহিনী। আমি আশা কৰিম ৰাজ্য চৰকাৰ তথা মন্ত্ৰীসকলে এই ক্ষেত্ৰত গণতন্ত্ৰক শক্তিশালী কৰাৰ বাবে ইতিবাচক ভূমিকা গ্ৰহণ কৰিব।

*ফোন ঃ ৯৪৩৫০৪৮৪৮৪*

# দুই অসম হিতৈষী আশুতোষ, শ্যামাপ্ৰসাদ

## শৰৎ চন্দ্ৰ বসু আৰু শ্যামাপ্ৰসাদ মুখাৰ্জীয়ে অসমক সমৰ্থন দিছিল আৰু অসমক বংগদেশৰ গোটলৈ যাব নালাগে বুলি কৈছিল


**অৱলোকন**



**ভবানীপ্ৰসাদ অধিকাৰী**

যোৱা কেইদিনমান শ্যামা প্ৰসাদ মুখাৰ্জীক কেন্দ্ৰ কৰি এক ৰাজনৈতিক বিতৰ্ক চলি আছে। শ্যামাপ্ৰসাদ মুখাৰ্জীৰ পিতৃ ছাৰ আশুতোষ মুখাৰ্জী ভাৰতৰ এগৰাকী নমস্য, বৰেণ্য লোক। তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ পৰম শ্ৰদ্ধেয় উপাচাৰ্য আছিল। সেইটোৱেই তেওঁৰ শেষ পৰিচয় নহয়। তেওঁ অসমীয়াৰ এগৰাকী পৰম হিতৈষী প্ৰাতঃস্মৰণীয় লোক। অসমীয়া ভাষা-সাহিত্যৰ তেওঁ আছিল গুণগ্ৰাহী আৰু পৃষ্ঠপোষক। সেই বিষয়ে আমি আন এটা প্ৰসংগত সবিস্তাৰে আলোচনা কৰিম।

আজি শ্যামাপ্ৰসাদ মুখাৰ্জীৰ প্ৰসংগত চমুকৈ কেইটামান কথা দাঙি ধৰিব বিচৰা হৈছে। স্বাধীনতা আন্দোলন কালত কংগ্ৰেছৰ লগত তেওঁৰ মত পাৰ্থক্য ঘটিছিল। কাৰণটো আছিল স্পষ্ট— মুখাৰ্জীয়ে ভাৰতীয় হিন্দুসকলৰ সৰ্বতো প্ৰকাৰে স্বাৰ্থ সুৰক্ষিত হোৱাটো বিচাৰিছিল। কংগ্ৰেছে হিন্দু মুছলমানৰ সম্প্ৰীতিৰ দোহাই দি বহুখিনি তললৈ নামিছিল। ১৯০৬তে গঠন হোৱা মুছলীম লীগৰ আগ্ৰাসী কৰ্মকাণ্ডই আৰু কংগ্ৰেছে সহনশীলতাৰ নামত বাৰে বাৰে আপোচ কৰি হিন্দুসকলক সততে অৱহেলা কৰা বুলি শ্যামাপ্ৰসাদ মুখাৰ্জী ক্ষুণ্ণ হৈ পৰিছিল। এইজন শ্যামাপ্ৰসাদ মুখাৰ্জীয়ে অসমৰ বিপদৰ সময়ত সেই সময়ৰ অসমৰ চাবেক বাসিন্দাকে ধৰি অসমীয়া হিন্দুসকলৰ সুৰক্ষাৰ বাবে অসমৰ জনপ্ৰিয় নেতা গোপীনাথ বৰদলৈৰ কাষত থিয় হৈছিল। কথাটো আছিল এনেকুৱা ঃ ১৯৪৬ৰ ২৩ মাৰ্চত ব্ৰিটিছ কেবিনেট মিছনে ভাৰতত পদাৰ্পণ কৰি ছিমলাত কংগ্ৰেছ আৰু মুছলীম লীগৰ নেতাৰে স'তে ক্ষমতা হস্তান্তৰ সম্পৰ্কত আলোচনাত বহিল। সেই সভাত ভাৰতৰ প্ৰাদেশিক প্ৰধানমন্ত্ৰীসকলৰ মাজত অসমৰ তেতিয়াৰ প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈয়েও ভাগ ল'লে। ক্ৰিপছ মিছন নামৰ কেবিনেট মিছনৰ ১৯৪৬ৰ ১৬ মে'ৰ চূড়ান্ত প্ৰস্তাৱ মৰ্মে ভাৰতক তিনিটা প্ৰশাসনীয় গোটত ভাগ কৰি অসমক 'গ' শ্ৰেণীৰ ৰাজ্য কৰিবলৈ সিদ্ধান্ত কৰিছিল। অসমক বংগৰ লগত সাঙুৰি ভৱিষ্যতলৈ মুছলমান ৰাজ্য গঠনৰ সৰ্বনশীয়া বাট মোকলাই দিয়াত বৰদলৈ ক্ষুব্ধ হৈ সেই প্ৰস্তাৱ কোনোপধ্যেই মানি ল'ব নোৱাৰে বুলি স্পষ্ট কৰি দিলে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে সভাপতি মহম্মদ তৈয়বুল্লাৰ নেতৃত্বত এটা সঁজাতী দল দিল্লীলৈ পঠালে। নতুন দিল্লীত ১০জুনত বহা কংগ্ৰেছ ৱৰ্কিং কমিটীৰ সভাত অসমৰ হৈ এখন স্মাৰকপত্ৰ দিলে। তাত কোৱা হ'ল যে অসম গ্ৰুপিঙৰ ফান্দত ভৰি নিদিয়ে। 'গ' শ্ৰেণীভুক্ত হোৱা মানেই অসমৰ নাম চিৰদিনৰ বাবে বিলুপ্ত হ'ব। অসমৰ চাৰিদফীয়া দাবী কংগ্ৰেছ ৱৰ্কিং কমিটীৰ ঐতিহাসিক সভাত স্বয়ং মহাত্মা গান্ধী উপস্থিত আছিল। পিছে অসমৰ এই সংকটকালত গান্ধীজীৰ বাহিৰে কংগ্ৰেছৰ নেহৰু, পেটেল প্ৰমুখ্যে প্ৰায়বোৰ সৰ্বভাৰতীয় নেতাই বিপৰীত স্থিতি লৈছিল। বৰদলৈ কিংকৰ্তব্য বিমূঢ় হৈ পুনৰ প্ৰতিগৰাকী নেতাৰ দুৱাৰে দুৱাৰে গৈয়ো বিমুখ হৈছিল যদিও মাত্ৰ শৰৎ চন্দ্ৰ বসু আৰু শ্যামাপ্ৰসাদ মুখাৰ্জীয়ে অসমক সমৰ্থন দিছিল আৰু অসমক বংগদেশৰ গোটলৈ যাব নালাগে বুলি কৈছিল। এই সম্পৰ্কে তেতিয়াৰ বিধানসভাৰ কংগ্ৰেছ দলৰ ডেপুটী লীডাৰ বৈদ্যনাথ মুখাৰ্জীক লগত লৈ দিল্লীৰ ভাংগি কল'নীলৈ বৰদলৈয়ে



যাত্ৰা কৰিলে। পাছত যেতিয়া কংগ্ৰেছী নেতৃবৃন্দৰ সমৰ্থন পাই ক্ৰিপছ মিছনৰ গ্ৰুপিং প্ৰস্তাৱ ঠন ধৰি উঠিল, তেতিয়া বৰদলৈ অস্থিৰ হৈ মহেন্দ্ৰ মোহন চৌধুৰী আৰু বিজয় ভাগৱতীক নোৱাখালিত মহাত্মা গান্ধীক সাক্ষাৎ কৰি সকলো কথা জনাই পৰামৰ্শ ল'বলৈ পঠালে। অসমৰ নেতা দুজনে এই বিষয়ে সোধাত গান্ধীজীয়ে ক'লে—'এই বিষয়ে এটা স্পষ্ট সিদ্ধান্ত ল'বলৈ মোক এক মিনিটো সময় নালাগে। কাৰণ মই এই সম্পৰ্কে চিন্তা কৰা আৰু সিদ্ধান্ত লোৱা আছে। মই হাড়ে-হিমজুৰে এজন কংগ্ৰেছী লোক, কংগ্ৰেছৰ সংবিধানৰ ময়েই ৰচক। কিন্তু মই বৰদলৈক কৈ থোৱা আছে যে কংগ্ৰেছ ৱৰ্কিং কমিটীয়ে যদি অসমক স্পষ্ট নিৰ্দেশ নিদিয়ে, তেন্তে অসমে ইয়াৰ প্ৰতিবাদ কৰিব লাগে আৰু গণ পৰিষদৰ পৰা ওলাই আহিব লাগে। কংগ্ৰেছৰ ভালৰ কাৰণে কংগ্ৰেছৰ বিৰুদ্ধে কৰা ই এক সত্যাগ্ৰহৰ দৰে হ'ব।' ইয়াৰ পাছৰ কথাবোৰ অসমৰ ৰাইজে জানে।

(কংগ্ৰেছ নেতা দেৱেশ্বৰ শৰ্মাৰ 'মই জনা গোপীনাথ বৰদলৈ' শীৰ্ষক লেখাৰ পৰা উদ্ধৃত পৃঃ৭৮-৭৯। 'গোপীনাথ বৰদলৈ' ঃ অসম প্ৰকাশন পৰিষদ)

উপৰিউক্ত গ্ৰন্থৰ ১৮১ পৃষ্ঠাৰ পৰা আৰম্ভ কৰা 'বৰদলৈৰ ব্যক্তিগত এভুমুকি' শিৰোনামৰ প্ৰখ্যাত মুক্তিযুঁজাৰু পুষ্পলতা দাসে লিখা নিবন্ধৰ ১৮৯ পৃষ্ঠাৰ পৰা কে'বাটাও দফাত ব্ৰিটিছ কেবিনেট মিছনৰ আঁচনিখনেই গ্ৰুপিং আঁচনি নামে যে জনাজাত সেয়া ব্যাখ্যা কৰিছে। তেওঁ লিখিছে—'অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে জুনৰ প্ৰথম সপ্তাহটো গ্ৰুপ বিৰোধী প্ৰতিবাদ সপ্তাহৰূপে পালন কৰিবলৈ স্থিৰ কৰে। ৰাজহুৱা সভা-সমিতি পাতি এই ব্যৱস্থাৰ প্ৰতিবাদ স্বৰূপে প্ৰস্তাৱ গ্ৰহণ কৰি প্ৰদেশ কংগ্ৰেছ কমিটীক জনাবলৈ নিৰ্দেশ দিয়ে আৰু অসমৰ সদৌ ৰাইজক এই বিষয়ত কংগ্ৰেছৰ লগত সহযোগ কৰিবলৈ অনুৰোধ জনায়। এই অনুৰোধৰ সঁহাৰি অভূতপূৰ্ব আছিল। বৰদলৈয়ে ১৯ মে'ৰ দিনাও ৱৰ্কিং কমিটীক এটা চোকা টোকা দি আহিছে বুলি কয়। পৰিস্থিতিৰ জটিলতা বুজি ২৬ মে'ত প্ৰদেশ কংগ্ৰেছ কমিটীৰ এখন জৰুৰী বৈঠক বহি ১০জুনৰ দিনা দিল্লীত কংগ্ৰেছ ৱৰ্কিং কমিটী বহাৰ আগে আগে সেই কমিটীৰ যিমান কিজন সদস্যক পাৰে সিমানক আৰু ভাৰতৰ অন্যান্য নেতাসকলক আৰু বাতৰি কাকতসমূহৰ অসমৰ প্ৰতি কৰা অন্যায়ৰ কথাবোৰ বুজাই ক'বলৈ পাঁচজন সদস্যৰ এটা প্ৰতিনিধি দল পঠিওৱাটো স্থিৰ হয়। এই প্ৰতিনিধি দলে কলিকতা, পাটনা, বানাৰস, নাইনিতাল আৰু দিল্লীত কংগ্ৰেছ ৱৰ্কিং কমিটীৰ প্ৰায়খিনি সদস্যক লগ ধৰে। দলটোৰ সদস্যসকল আছিল— হৰেন্দ্ৰ নাথ বৰুৱা, কামাখ্যা প্ৰসাদ ত্ৰিপাঠী, দেৱকান্ত বৰুৱা, হৰেশ্বৰ গোস্বামী আৰু এই প্ৰবন্ধৰ লেখিকা। প্ৰতিনিধিসকলে সেই সময়ত এটা কথা অনুভৱ কৰিছিল যে অসমে নিজ শক্তি সামৰ্থ্যৰে নুযুঁজিলে আমাক ৰক্ষা কৰোতা কোনো নাই। বংগদেশৰ নেতৃবৃন্দৰ ভিতৰত একমাত্ৰ শৰৎ চন্দ্ৰ বসু আৰু শ্যামাপ্ৰসাদ মুখাৰ্জীৰ বাহিৰে বাকী নেতাসকলৰ, বিশেষকৈ বংগ প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদক কালিপদ মুখাৰ্জীৰ মনোভাৱ আছিল এনেধৰণৰ ঃ যদি কেবিনেট মিছনৰ আঁচনি কংগ্ৰেছ ৱৰ্কিং কমিটীয়ে গ্ৰহণেই কৰে, তেন্তে অসম বংগদেশৰ লগত থাকিবই লাগিব। তেতিয়া বংগদেশ আৰু অসমৰ কংগ্ৰেছ কৰ্মীসকলে যুটীয়াভাৱে কিজানি ৰক্ষা কৰিব পাৰেই। নহ'লে অসমে পাছত 'ৱাক আউট' কৰি ওলাই আহিব পাৰিব? অসমৰ সদস্যসকলে এবাৰ শাখাত সোমাই এইদৰে ওলাই অহাটো যে অৰ্থহীন কথা, তাক তেওঁবিলাকে বুজিও নুবুজাৰ ভাও লৈছিল। অসমে এই শাখাত সোমালে যে কি কূটনৈতিক জালৰ ভিতৰত মেৰ খাই পৰিলেহেঁতেন সেই কথা এই প্ৰতিনিধি দলটোৱে ভালদৰে উপলব্ধি কৰিব পাৰিছিল। আমাৰ দলটো সেই সময়ৰ বংগদেশৰ জাতীয়তাবাদী মুছলিম নেতা নৌছেৰ আলীৰ (বংগ বিধানসভাৰ সেই সময়ৰ অধ্যক্ষ) বাসভৱনলৈ তেওঁক দেখা কৰিবলৈ যাবলগীয়া হৈছিল। নৌছেৰ আলী চাহাবে মহম্মদ আলী জিন্নাৰ গোটেই আঁচনিখনকেই কৰ্মীসকলৰ আগত ফঁহিয়াই দেখুৱাইছিল। আমি যি পৰিস্থিতিৰ মাজেদি তেওঁক দেখা কৰিবলৈ গৈছিলো সেই পৰিস্থিতিৰ মাজত তেওঁ কিদৰে বাচি থাকিবলগীয়া হৈছে তাকো আমাক বুজাই কৈছিল। সেই সন্ধিয়াৰ ঘটনা আজিও মই পাহৰা নাই। আমি নৌছেৰ আলিৰ ঘৰ যেতিয়া পাওঁগৈ তেতিয়া সন্ধিয়া প্ৰায় লাগো লাগো। তেওঁৰ ঘৰৰ সমুখতে এখন মুকলি খেলপথাৰ। সেই পথাৰ পাৰ হৈ গ'লেই তেওঁৰ ঘৰ। আমি পথাৰখনৰ মাজ পাওঁতে দেখিলো, বহুতো ডেকা ল'ৰাই বগা পায়জামা আৰু বগা টুপী পিন্ধি হাতত লাঠি আৰু ছজনমানে হাতত মিত্‌দাৰ নিচিনা বস্তু লৈ 'লড়কে লেংগে পাকিস্তান— লড়কে লেংগে পাকিস্তান' বুলি ধ্বনি দি দি এজন আদহীয়া ধৰণৰ মানুহৰ তত্বাৱধানত, দুটা পক্ষ হৈ এটা দলে আনটো দলক লাঠিৰে কেনেকৈ আক্ৰমণ কৰিব পাৰে তাৰে আখৰা কৰিছে। আমি তাৰ মাজেৰেই পাৰ হৈ গ'লো। তেওঁবিলাকে ইমান মনোযোগেৰে আখৰা কৰি আছিল যে আমি তেওঁলোকৰ মাজেৰে পাৰ হৈ যোৱাটো তেওবিলাকে লক্ষ্যকে কৰা নাছিল। সেই ডেকাবিলাকৰ মুখত যি নিষ্ঠুৰ দৃঢ়তা ফুটি উঠিছিল, সেই ছবি যেতিয়া মনত পৰে তেতিয়া ভাবো, ডেকা তেজৰ কেঁচা উৎসাহক মানুহে নিজ স্বাৰ্থ ৰক্ষাৰ কাৰণে কিদৰে অবাটে নিব পাৰে। যি হওক নৌছেৰ আলীৰ কথাত আমাৰ প্ৰতি তেওঁৰ সহানুভূতিসূচক সুৰ বাজি উঠা দেখি ভাল লাগিছিল। তেওঁৰ নৈতিক সমৰ্থনখিনিও আমাৰ কাৰণে আপুৰুগীয়া সম্পদ আছিল। শৰৎ চন্দ্ৰ বসু আৰু শ্যামাপ্ৰসাদ মুখাৰ্জীয়েতো অসমৰ নেতাসকলৰ, বিশেষকৈ বৰদলৈক 'গ' শাখাৰ বিৰুদ্ধে অসমৰ অভিমত ব্যক্তি কৰি যুগুত কৰা চিঠি-পত্ৰ, প্ৰস্তাৱ আদি ৰচনা কৰোতে কেনেকুৱা অব্যৰ্থ যুক্তিৰে তাক গাঁথিব লাগিব সেই বিষয়ে দিহা-পৰামৰ্শ দি তেওঁলোকে নিজেও কিছুদিন আহি লিখি দিছিল। তেওঁলোকে কৈছিল— বংগদেশৰ লগতে অসম মৰিব নালাগে। অসমে যুঁজ দি এই আঁচনি ব্যৰ্থ কৰিব দিয়া। শৰৎ চন্দ্ৰ বসু আৰু শ্যামাপ্ৰসাদ মুখাৰ্জীৰ মেধা সেই সময়ত বৰদলৈৰ কাৰণে কিমান সহায়ক আছিল, সেই সময়ৰ কৰ্মীসকলে জানে। অসমে সেই দুগৰাকী ব্যক্তিক কৃতজ্ঞতাৰে স্মৰণ কৰিবই লাগিব।'

এইজনেই শ্যামাপ্ৰসাদ মুখাৰ্জী যিজনাক এচামে অনাহক বিতৰ্কলৈ টানি আনিছে।

*ফোন ঃ ৯৮৬৪০৭৯০১৯*

## বিগত ১১ দিনত কেৰালাত ১.২৮ লাখ, মহাৰাষ্ট্ৰত ৮৮,১৩০ জন কৰ'না আক্ৰান্তক নতুনকৈ চিনাক্ত

# তৃতীয় ঢৌৰ শংকা ঃ মহাৰাষ্ট্ৰ-কেৰালাত দ্ৰুত বৃদ্ধি সংক্ৰমণ

**নিউজ ব্যুৰ' মুম্বাই, ১৩ জুলাই ঃ** দেশত কৰ'না মহামাৰীৰ সংক্ৰমণৰ দ্বিতীয়টো ঢৌৰ গতি ক্ৰমে মন্থৰ হৈ আহিছে। কিন্তু একে সময়তে ইয়াৰ বিপৰীত পৰিস্থিতি প্ৰত্যক্ষ হৈছে মহাৰাষ্ট্ৰ আৰু কেৰালাত। বিগত ১১ দিনত যোৱা ১১ জুলাইলৈকে কেৰালাত ১.২৮ লাখ আৰু মহাৰাষ্ট্ৰত ৮৮,১৩০ জন কৰ'না আক্ৰান্তক নতুনকৈ চিনাক্ত কৰা হৈছিল। এই পৰিসংখ্যালৈ লক্ষ্য ৰাখি বিশেষজ্ঞসকলে সকীয়নি দিলে। সংশ্লিষ্ট দুই ৰাজ্যক ক'ভিডৰ সম্ভাব্য তৃতীয় ঢৌৰ প্ৰতিৰোধৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈকো স্বাস্থ্য বিশেষজ্ঞই পৰামৰ্শ দিছে। বিশেষজ্ঞৰ মতে, ক'ভিড আক্ৰান্তৰ সংখ্যা প্ৰতিদিনে দ্ৰুত বৃদ্ধি হোৱাৰ প্ৰতি লক্ষ্য ৰাখিলে কেৰালা আৰু মহাৰাষ্ট্ৰত ক'ভিডৰ তৃতীয়টো ঢৌৰ আগমন ঘটাৰ শংকা প্ৰকট হৈছে। ইয়াৰ পূৰ্বেও প্ৰথম আৰু দ্বিতীয় ঢৌৰ সময়তো এই দুই ৰাজ্যত একে ধৰণৰ সংক্ৰমণৰ প্ৰৱণতা প্ৰত্যক্ষ হৈছিল বুলি স্বাস্থ্য বিশেষজ্ঞই জানিবলৈ দিয়ে।

বৰ্তমানে কেৰালা হৈছে দেশখনৰ একমাত্ৰ ৰাজ্য, য'ত বিগত ১১ দিনত নতুনকৈ ১,২৮,৯৫১ জন লোক ক'ভিড-১৯ত আক্ৰান্ত হ'ল। উল্লেখ্য যে দিল্লীত কৰ'নাৰ দ্বিতীয়টো ঢৌৰ সময়ত দৈনিক সংক্ৰমণ ২৫ হেজাৰতকৈ অধিক হৈছিল। কিন্তু দেশৰ ৰাষ্ট্ৰীয় ৰাজধানীখনত যোৱা ১-১১ জুলাইৰ সময়ছোৱাত ক'ভিডত নতুনকৈ আক্ৰান্ত হ'ল মাত্ৰ ৮৭০ জন লোক। কেৰালাৰ মল্লপুৰম, কোট্টয়ম, কাছৰগ'ড, কোঝিকোড় আৰু ত্ৰিশূৰসহ ১৪খন জিলাত কৰ'নাৰ আক্ৰান্তৰ সংখ্যা প্ৰতিদিনে যথেষ্ট বৃদ্ধি পাইছে। ফলত প্ৰশাসনৰ লগতে সাধাৰণ নাগৰিকৰ উদ্বেগ বৃদ্ধি পাইছে। মল্লপুৰম, কোট্টয়ম আৰু কাছৰগ'ডত কৰ'না ভাইৰাছত আক্ৰান্তৰ সংখ্যা প্ৰতিদিনে দ্ৰুতগতিত বৃদ্ধি পাইছে। ইফালে, মহাৰাষ্ট্ৰতো বিগত দুসপ্তাহত ক'ভিডৰ সংক্ৰমণ উদ্বেগজনক হাৰত বৃদ্ধি পাইছে। ৰাজ্যখনত মুম্বাই, পুনে, কোলহাপুৰ আৰু থানেত ক'ভিড আক্ৰান্তৰ সংখ্যা প্ৰতিদিনে উৰ্ধ্বমুখী হৈছে। এইসমূহ অঞ্চলত ক'ভিডৰ দৈনিক সংক্ৰমণ ৮,০০০ৰ পৰা ১০ হেজাৰৰ ভিতৰত আছে। কেৰালা আৰু মহাৰাষ্ট্ৰৰ পৰাই দেশত ক'ভিডৰ সংক্ৰমণৰ তৃতীয়টো ঢৌৰ সৃষ্টি হ'ব পাৰে বুলি বিশেষজ্ঞসকলে সংশ্লিষ্ট ৰাজ্য দুখনৰ লগতে সমগ্ৰ দেশকে সকীয়াই দিছে।





## দেশত বজ্ৰপাতত মৃতকৰ সংখ্যা ৭১ জনলৈ বৃদ্ধি


**নিউজ ব্যুৰ' ছিমলা, ১৩ জুলাই ঃ** হিমাচল প্ৰদেশ আৰু জম্মুত বিগত কে'বাদিন ধৰি অব্যাহত থকা প্ৰবল বৃষ্টিপাতৰ ফলত বহু অঞ্চলত স্বাভাৱিক জনজীৱন ব্যাহত হৈছে। হিমাচল প্ৰদেশৰ ধৰ্মশালাত প্ৰবল বৃষ্টিপাতৰ ফলত সৃষ্টি হোৱা বানে কে'বাখনো গাড়ী উটুৱাই নিয়াৰ লগতে দুটা অট্টালিকাৰো ক্ষতিসাধন কৰে। প্ৰতিকূল বতৰৰ বাবে গগ্গলত কাংগড়া বিমানকোঠ সাময়িকভাৱে বন্ধ ৰখা হৈছে। অঞ্চলটোত হঠাতে সৃষ্টি হোৱা বানে এখন চৰকাৰী বিদ্যালয়ৰ লগতে আন কে'বাটাও অট্টালিকাৰ যথেষ্ট ক্ষতিসাধন কৰিলে। ইফালে, দেশৰ একাধিক ৰাজ্যত প্ৰবল বৃষ্টিপাতৰ লগতে হোৱা বজ্ৰপাতৰ ঘটনাত মৃতকৰ সংখ্যা ৭১ জনলৈ বৃদ্ধি পালে।



## পৰীক্ষামূলক উৎক্ষেপণৰ সময়ত ভাঙি পৰিল ব্ৰাহ্মছ ক্ষেপণাস্ত্ৰ

**নিউজ ব্যুৰ' বালেশ্বৰ, ১৩ জুলাই ঃ** পৰীক্ষামূলক উৎপেক্ষণৰ সময়তে ভাঙি পৰিল ভাৰতৰ শক্তিশালী ব্ৰাহ্মছ ক্ষেপণাস্ত্ৰ। ওড়িছাৰ বালেশ্বৰৰ সমুদ্ৰ উপকূলত থকা পৰীক্ষণ কেন্দ্ৰৰ পৰা এই ক্ষেপণাস্ত্ৰৰ পৰীক্ষামূলক উৎক্ষেপণৰ কিছু সময়ৰ পাছতে ক্ষেপণাস্ত্ৰটো ভাঙি সমুদ্ৰত পৰে। সোমবাৰে ব্ৰাহ্মছ ক্ষেপণাস্ত্ৰৰ এই পৰীক্ষামূলক পৰীক্ষণ কৰাৰ সময়তে দুৰ্ঘটনাটো সংঘটিত হ'ল। উল্লেখ্য যে ব্ৰাহ্মছ হৈছে ভাৰতৰ ছুপাৰছনিক ক্ৰুইজ ক্ষেপণাস্ত্ৰ। এই ক্ষেপণাস্ত্ৰই ৪৫০ কিলোমিটাৰ দূৰত্বভেদি লক্ষ্যস্থানত আঘাত হানিবলৈ সক্ষম। ব্ৰাহ্মছৰ পৰীক্ষামূলক উৎক্ষেপণ ইয়াৰ পূৰ্বেও সম্পন্ন কৰা হৈছিল।

## অসুস্থতাৰ কাৰণত ড'মিনিকাত অৱশেষত জামিন লাভ মেহুল চ'ক্‌ছিৰ



**নিউজ ব্যুৰ', ড'মিনিকা, ১৩ জুলাই ঃ** অৱশেষত জামিন লাভ কৰিলে ভাৰতীয়মূলক পলাতক বিত্তীয় প্ৰৱঞ্চক তথা হীৰাৰ ব্যৱসায়ী মেহুল চ'ক্‌ছিয়ে। শাৰীৰিক অসুস্থতাৰ কাৰণত চ'ক্‌ছিৰ জামিন আবেদন মঞ্জুৰ কৰিলে কেৰিবিয়ান দ্বীপপুঞ্জৰ ড'মিনিকাৰ আদালতে। আদালতে লগতে কয় যে চ'ক্‌ছিয়ে প্ৰতিবেশী দেশ এণ্টিগা আৰু বাৰবুদালৈ গৈ চিকিৎসা কৰাব পাৰিব। ২০১৮ৰ পৰা চ'ক্‌ছিয়ে এণ্টিগাৰ নাগৰিক হিচাপে বসবাস কৰি আহিছে। উল্লেখ্য যে পঞ্জাৱ নেচনেল বেংকৰ পৰা ১৩,৫০০ কোটি টকাৰ ঋণ লৈ পৰিশোধ নকৰাকৈ চ'ক্‌ছিয়ে ২০১৮ত ভাৰতৰ পৰা গোপনে এণ্টিগালৈ পলায়ন কৰিছিল। অলপতে এণ্টিগাৰ পৰা গোপনে সমুদ্ৰ পথৰে পলায়ন কৰাৰ সময়তে ড'মিনিকাত নিৰাপত্তা বাহিনীয়ে চ'ক্‌ছিক গ্ৰেপ্তাৰ কৰিছিল।

## পাকিস্তানত মালালা বিৰোধী তথ্যচিত্ৰ নিৰ্মাণ, ন'বেলজয়ী যুৱতীক ইছলামবিৰোধী আখ্যা



**নিউজ ব্যুৰ', ইছলামাবাদ, ১৩ জুলাই ঃ** মাত্ৰ ১৪ বছৰ বয়সতে তালিবানৰ আক্ৰমণত গুলিবিদ্ধ হৈও হাৰ নামানি শিশু আৰু মহিলাৰ অধিকাৰ ৰক্ষাৰ সপক্ষে অহৰহ সংগ্ৰাম কৰি অহা পাকিস্তানৰ যুৱতী মালালা ইউছুফজাইৰ বিৰুদ্ধে পাকিস্তানত নিৰ্মাণ কৰা হ'ল এখন তথ্যচিত্ৰ। শান্তিৰ ন'বেল বঁটাজয়ী এইগৰাকী পাকিস্তানী যুৱতীৰ বিৰুদ্ধে 'আই এম নট মালালা' নামৰে এখন তথ্যচিত্ৰ নিৰ্মাণ কৰিলে অল পাকিস্তান প্ৰাইভেট স্কুলছ এছ'চিয়েচনে। এই তথ্যচিত্ৰত মালালাই ইছলাম আৰু বিবাহ সন্দৰ্ভত প্ৰকাশ কৰা মন্তব্যক কঠোৰভাৱে সমালোচনা কৰা হৈছে। তথ্যচিত্ৰৰ নিৰ্মাতা সংস্থাটোৰ সভাপতি কাছিফ মিৰ্জাই এই সন্দৰ্ভত মন্তব্য কৰি কয়, 'আমি 'আই এম নট মালালা' তথ্যচিত্ৰৰ জৰিয়তে আমাৰ দেশৰ দুই লাখ বেচৰকাৰী স্কুলৰ দুই কোটি ছাত্ৰ-ছাত্ৰীক মালালাৰ ইছলাম, বিবাহ আৰু পশ্চিমীয়া জ্ঞান-ধাৰণাক লৈ বিতৰ্কিত মতামতৰ সন্দৰ্ভত সবিশেষ অৱগত কৰিব বিচাৰিছে। দেশৰ তৰুণ প্ৰজন্মৰ সন্মুখত আমি মালালাৰ মুখা খুলি দিব বিচাৰিছো। যাতে তেওঁলোকে এই তথাকথিত মহিলাৰ অধিকাৰ আদায়ৰ সংগ্ৰামৰ কাহিনী শুনি তেওঁৰ দ্বাৰা প্ৰভাৱিত হ'ব নোৱাৰে।' মিৰ্জাই এই তথ্যচিত্ৰত মালালাক 'ইছলাম বিৰোধী' বুলিও অভিহিত কৰিছে।

## ভাৰতত ২৭ দিন পাছত হঠাৎ কিয় বৃদ্ধি পালে ক'ভিডত মৃত্যু?

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৩ জুলাই ঃ** ভাৰতত কৰ'নাৰ সংক্ৰমণ হ্ৰাস পোৱাৰ সময়তে হঠাতে মৃত্যুৰ সংখ্যা যথেষ্ট বৃদ্ধি পোৱাত নতুন উদ্বেগৰ সৃষ্টি হ'ল। ২৭ দিন পাছত দেশত হঠাতে কৰ'না ভাইৰাছত মৃতকৰ সংখ্যা যথেষ্ট বৃদ্ধি পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে আজি প্ৰকাশ কৰা অনুসৰি, যোৱা ২৪ ঘণ্টাত দেশত মুঠ ২০২৪ জন লোকৰ কৰ'নাত মৃত্যু হ'ল। ইয়াৰ পূৰ্বে



দেশত যোৱা ১৬ জুনত ক'ভিডত অন্তিমবাৰৰ বাবে মৃতকৰ সংখ্যা দুহেজাৰৰ অধিক হৈছিল। উক্ত দিনা দেশত ২,৩২৯ জন লোকৰ ক'ভিডত মৃত্যু হৈছে। কিন্তু কিয় যোৱা ২৪ ঘণ্টাত ভাৰতত পুনৰ ক'ভিডত মৃতকৰ সংখ্যাই দুহেজাৰৰ সীমা অতিক্ৰম কৰিলে। প্ৰাপ্ত তথ্য অনুসৰি, মধ্য প্ৰদেশত পূৰ্বে মৃত্যু হোৱা ১৪৭৮ ক'ভিড ৰোগীৰ মৃত্যুৰ তথ্য বিগত ২৪ ঘণ্টাত মৃতকৰ তথ্যৰ স'তে চামিল কৰাৰ ফলত এইদৰে হঠাতে ক'ভিডত মৃতকৰ সংখ্যা ২০২৪ লৈ বৃদ্ধি পালে। উল্লেখ্য যে ইয়াৰ পূৰ্বে মহাৰাষ্ট্ৰতো যোৱা ন জুলাইত ক'ভিডত পূৰ্বে মৃত্যু হোৱা লোকৰ তথ্য অন্তৰ্ভুক্ত কৰা হৈছে। যোৱা ১৭ মে'ৰ পৰা দেশত এইদৰে ক'ভিডত পূৰ্বে মৃত্যু হোৱা লোকৰ তথ্যপাতি নতুনকৈ মৃত্যুৰ স'তে অন্তৰ্ভুক্ত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছিল।

## এজাক বৰষুণতে 'ছুইমিং পুল'ত পৰিণত হ'ল দিল্লীৰ ৰাজপথ




**নিউজ ব্যুৰ' নতুন দিল্লী, ১৩ জুলাই ঃ** ধাৰাসাৰ বৃষ্টিপাতত দেশৰ ৰাজধানী দিল্লীত অচল হ'ল জনজীৱন। কে'বাঘণ্টা ধৰি হোৱা বৰষুণৰ ফলত দিল্লীত বহু বাটপথ পানীৰে উপচি পৰে আৰু একপ্ৰকাৰৰ 'ছুইমিং পুল'ত পৰিণত হোৱা এনে বাটপথতে একাংশ শিশুৱে সাঁতুৰি-নাদুৰি ফুৰাৰ এক ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈছে। দিল্লীৰ সোমবিহাৰ অঞ্চলত এইদৰে বৰষুণৰ পাছত ৰাজপথ ছুইমিং পুলত পৰিণত হোৱাৰ এই ভিডিঅ' দৰ্শন কৰি সামাজিক মাধ্যমত বহু লোকে নানা ৰসাল মন্তব্য প্ৰকাশ কৰিছে। সোমবিহাৰৰ লগতে চৰিতা বিহাৰ, মথুৰা ৰোড, প্ৰহ্লাদপুৰ, আন্দাৰপাছ ছহিত আদি অঞ্চলৰ ৰাজপথতো বৰষুণৰ পানী জমা হৈ যাতায়াত ৰুদ্ধ কৰি তোলে। কালিৰে পৰা দিল্লীত প্ৰবল বৃষ্টিপাত অব্যাহত আছে।

## গৰ্ভধাৰণৰ অভিজ্ঞতাক লৈ কৰিণাই লিখিলে 'প্ৰেগ্‌নেন্সি বাইবেল', সংখ্যালঘু ব'ৰ্ডৰ তীব্ৰ আপত্তি

**নিউজ ব্যুৰ', মুম্বাই, ১৩ জুলাই ঃ** বলিউডৰ জনপ্ৰিয় অভিনেত্ৰী কৰিণা কপুৰ খানে চলিত বৰ্ষতে দ্বিতীয়টো সন্তান জন্ম দিছিল। যোৱা ন জুলাইত বলিউডৰ এইগৰাকী অভিনেত্ৰীয়ে নিজে লিখা এখন গ্ৰন্থ মুকলি কৰে। কৰিণাই এই গ্ৰন্থত দুবাৰকৈ মাতৃত্ব অৰ্জনৰ অভিজ্ঞতাৰ কথা ব্যক্ত কৰিছে। অভিনেত্ৰীগৰাকীয়ে গৰ্ভধাৰণ বিষয়ক গ্ৰন্থখনৰ নাম ৰাখিছে 'প্ৰেগনেন্সি বাইবেল'। কিন্তু এই নামৰে গ্ৰন্থ প্ৰকাশ কৰি এক বিপদৰ সন্মুখীন হ'ল বলিউডৰ এইগৰাকী অভিনেতা-লেখিকা। অল ইণ্ডিয়া মাইন'ৰিটি ব'ৰ্ডে ইতিমধ্যে কৰিণাৰ এইখন গ্ৰন্থৰ বিৰুদ্ধে আদালতৰ দ্বাৰস্থ হোৱাৰ সিদ্ধান্ত লৈছে। সংখ্যালঘু ব'ৰ্ডে কিতাপখনৰ নামকৰণক লৈ তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। ব'ৰ্ডৰ অধ্যক্ষ ডায়মণ্ড ইউছুফে এই সন্দৰ্ভত কানপুৰত এখন বৈঠক অনুষ্ঠিত কৰি কৰিণা কপুৰে ৰচনা কৰা গ্ৰন্থৰ নাম 'প্ৰেগনেন্সি বাইবেল' ৰখাৰ তীব্ৰ বিৰোধিতা কৰে। 'বাইবেল' হৈছে খ্ৰীষ্টধৰ্মৰ পৱিত্ৰ গ্ৰন্থ। এনে গ্ৰন্থৰ নাম কৰিণাই গৰ্ভধাৰণক লৈ লিখা গ্ৰন্থৰ নামৰ স'তে ব্যৱহাৰ কৰাত আপত্তি দৰ্শালে সংখ্যালঘু পৰিষদে।





## ইৰাকত পুনৰ কৰ'না চিকিৎসালয়ত ভয়াৱহ অগ্নিকাণ্ডত কমেও ৫৪ৰ মৃত্যু

**নিউজ ব্যুৰ', নাছিৰিয়া, ১৩ জুলাই ঃ** ইৰাকত পুনৰ এখন কৰ'না চিকিৎসালয়ত ভয়াৱহ অগ্নিকাণ্ড সংঘটিত হ'ল। অগ্নিদগ্ধ হোৱাৰ ফলত কমেও ৫৪ জন লোকে প্ৰাণ হেৰুৱালে। তদুপৰি এই অগ্নিকাণ্ডত কে'বাজনো লোক গুৰুতৰভাৱে আহত হৈছে। যোৱা নিশা ইৰাকৰ নাছিৰিয়া চহৰত থকা এখন ক'ভিড চিকিৎসালয়ত হঠাতে অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটিছিল। অগ্নিনিৰ্বাপক বাহিনী ঘটনাস্থলীত উপস্থিত হোৱাৰ পূৰ্বে কে'বাজনো লোকৰ অগ্নিদগ্ধ হৈ মৃত্যু হয়। দীৰ্ঘ সময় ধৰি চলোৱা চেষ্টাৰ অন্তত দুৰ্যোগ প্ৰশমন বিভাগে অগ্নিকাণ্ড নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে যোৱা এপ্ৰিলতো বাগদাদত আন এখন ক'ভিড চিকিৎসালয়ত হোৱা অগ্নিকাণ্ডত ৮২ জন লোকৰ মৃত্যু হৈছিল।

## কৰ'না পৰিস্থিতি জটিল ইন্দোনেছিয়া-ব্ৰিটেইনত, বিশ্বৰ ভিতৰতে সৰ্বাধিক আক্ৰান্ত

**নিউজ ব্যুৰ' লণ্ডন, ১৩ জুলাই ঃ** ইন্দোনেছিয়া আৰু ব্ৰিটেইনত ক'ভিড পৰিস্থিতি প্ৰতিদিনে অৱনমিত হৈছে। বিগত ২৪ ঘণ্টাত বিশ্বৰ ভিতৰতে সৰ্বাধিক ৪০,৪২৭ জন লোক কৰ'নাত আক্ৰান্ত হ'ল ইন্দোনেছিয়াত। আনহাতে, বিগত এদিনত ব্ৰিটেইনত নতুনকৈ চিনাক্ত হ'ল কৰ'না আক্ৰান্ত ৩৪,৪৭১ জন লোক। ব্ৰিটেইনত অহা ১৯ জুলাইৰ পৰা ক'ভিড বিধি প্ৰত্যাহাৰ কৰা হ'ব বুলি দেশখনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছনে ইতিমধ্যে ঘোষণা কৰিছে। ইন্দোনেছিয়াত যোৱা বছৰৰ মাৰ্চৰ পাছত পুনৰ ক'ভিড আক্ৰান্তৰ সংখ্যাই কালি ৪০ হেজাৰৰ সীমা অতিক্ৰম কৰিলে। ইয়াৰ পূৰ্বে যোৱা আঠ জুলাইত দেশখনৰ ৩৮,৩৯১ জন কৰ'না ৰোগী ধৰা পৰিছিল। ইন্দোনেছিয়াত বৰ্তমানলৈকে মুঠ ২৫ লাখ ৬৭ হেজাৰ ৬৩০ জন লোক ক'ভিডত আক্ৰান্ত হৈছে। তদুপৰি দেশখনত এই মাৰাত্মক ভাইৰাছে ৬৭,৩৫৫ জন লোকৰ প্ৰাণ কাঢ়িলে। বৰ্তমানে দেশখনত তিনি লাখ ৮০ হেজাৰ ৭৯৭ জন ক'ভিড ৰোগী চিকিৎসাধীন হৈ আছে।



## চীনত প্ৰৱল বৃষ্টিপাতত পাঁচজনৰ মৃত্যু, ১০ সন্ধানহীন



**নিউজ ব্যুৰ', বেইজিং, ১৩ জুলাই ঃ** চীনৰ বহু অঞ্চলত বিগত কে'বাদিন ধৰি প্ৰবল বৃষ্টিপাত অব্যাহত আছে। দেশখনৰ চন্সি প্ৰদেশত হোৱা ধাৰাসাৰ বৃষ্টিপাতৰ ফলত পাঁচজন লোকৰ মৃত্যু হোৱাৰ লগতে আন ১০ জন লোক সন্ধানহীন হৈ আছে। স্থানীয় বতৰ বিজ্ঞান বিভাগে লগতে প্ৰকাশ কৰা অনুসৰি চিনঝৌ চহৰত যোৱা শনিবাৰৰ পৰা অব্যাহত থকা ধাৰাসাৰ বৃষ্টিপাতত সৃষ্টি হোৱা বানত তিনিজন লোকৰ মৃত্যু হৈছিল আৰু আন তিনিজন গুৰুতৰভাৱে আহত হৈছিল। ইফালে, জিনছেংগ চহৰত দেওবাৰে ২৬৮ মিলিমিটাৰ বৃষ্টিপাত হৈছিল। এই অঞ্চলতো বানত দুজন লোকৰ মৃত্যু আৰু ১০ জন লোক সন্ধানহীন হয়।

## প্ৰতিষেধক প্ৰদানৰ নীতি সলনি কৰিলে থাইলেণ্ডে



**নিউজ ব্যুৰ', বেংকক, ১৩ জুলাই ঃ** থাইলেণ্ডৰ চৰকাৰে নিজৰ প্ৰতিষেধক নীতিত ব্যাপক পৰিৱৰ্তন সাধন কৰিলে। দেশখনৰ স্বাস্থ্য মন্ত্ৰণালয়ে প্ৰকাশ কৰা অনুসৰি, যিসকল লোকে চীনত তৈয়াৰী চিন'ভেক প্ৰতিষেধকৰ প্ৰথম পালি লাভ কৰিছিল, তেওঁলোকক এতিয়া দ্বিতীয় পালি হিচাপে অক্সফ'ৰ্ডৰ এষ্ট্ৰাজেনেকা প্ৰতিষেধক প্ৰদান কৰা হ'ব। বিশ্ব স্বাস্থ্য সংস্থাই এজন ব্যক্তিক দুপালি পৃথক প্ৰতিষেধক প্ৰদান কৰাৰ পৰিণতি বিষম হ'ব পাৰে বুলি ইতিমধ্যে সকীয়াই দিছে যদিও থাইলেণ্ড চৰকাৰে প্ৰথম পৰ্যায়ত চিন'ভেক প্ৰদান কৰা লোকসকলক এষ্ট্ৰাজেনেকাৰ দ্বিতীয় পালি প্ৰতিষেধক প্ৰদানৰ সিদ্ধান্ত ল'লে। চীনা প্ৰতিষেধক ক'ভিড প্ৰতিৰোধত বিশেষ কাৰ্যকৰী নোহোৱা বুলি অভিযোগ উত্থাপিত হোৱাৰ পাছত থাইলেণ্ডৰ স্বাস্থ্য বিভাগে এই প্ৰতিষেধক পূৰ্বে প্ৰদান কৰা ব্যক্তিক দ্বিতীয় পালি এষ্ট্ৰাজেনেকাৰ প্ৰতিষেধক প্ৰদানৰ সিদ্ধান্ত ল'লে।

## ধৰ্ষণৰ অপৰাধত কাৰাবন্দী ৰাম ৰহিমক এইমছ্‌ত কৰালে ভৰ্তি

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৩ জুলাই ঃ** দুগৰাকী মহিলাক ধৰ্ষণৰ অপৰাধত কাৰাগাৰত বন্দী হৈ থকা ডেৰা চচ্ছা চৌদাৰ মুৰব্বী গুৰমিত ৰাম ৰহিমক দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (এইমছ)ত ভৰ্তি কৰোৱা হৈছে। হঠাতে অসুস্থ অনুভৱ কৰা ৰাম ৰহিমক এণ্ড'স্কপিৰ বাবে চিকিৎসালয়খনত ভৰ্তি কৰোৱা হৈছে। এইমছৰ চিকিৎসকে আজি ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি, ৰাম ৰহিমৰ স্বাস্থ্যৰ সম্পূৰ্ণ পৰীক্ষা কৰাৰ পাছত তেওঁক কিমানদিন চিকিৎসকৰ নিৰীক্ষণত ৰখা হ'ব সেই সিদ্ধান্ত লোৱা হ'ব। চিকিৎসকে লগতে জনোৱা মতে, ৰাম ৰহিমৰ ৰক্তচাপৰ হ্ৰাস-বৃদ্ধি হৈ আহিছে। স্মৰ্তব্য যে ২০১৯ত এখন আদালতে ৰাম ৰহিম আৰু আন তিনিজন লোকক ১৬ বছৰ পূৰ্বে সংঘটিত হোৱা এজন সাংবাদিকৰ হত্যাকাণ্ডত দোষী সাব্যস্ত কৰি যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় দিছিল। ইয়াৰ পূৰ্বে ২০১৭ত চি বি আইৰ বিশেষ আদালতে দুগৰাকী মহিলাক ধৰ্ষণৰ অপৰাধত ৰাম ৰহিমক ২০ বছৰৰ কাৰাদণ্ডৰ ৰায় দিছিল।




## এদিনত নতুনকৈ ক'ভিডত আক্ৰান্ত হ'ল ৩.৯১ লাখ, ৬,৪৪৩ জনৰ প্ৰাণহানি



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৩ জুলাই ঃ** বিশ্বজুৰি কৰ'নাৰ সংক্ৰমণ পুনৰ বৃদ্ধি পাবলৈ ধৰিছে। বিশ্বত সোমবাৰে নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল তিনি লাখ ৯১ হেজাৰ ৮৯৭ জন লোক। বিগত ২৪ ঘণ্টাত বিভিন্ন দেশত মুঠ তিনি লাখ ৯৬ হেজাৰ ৩০৩ জন ক'ভিড ৰোগী সুস্থ হৈ উঠিল। ইফালে, বিশ্বজুৰি ৬,৪৪৩ জন লোকে বিগত এদিনত কৰ'নাত প্ৰাণ হেৰুৱালে। বিশ্বৰ বিভিন্ন দেশত বৰ্তমানলৈকে মুঠ ১৮.৮০ কোটি লোক কৰ'নাত আক্ৰান্ত হ'ল। তদুপৰি এতিয়ালৈকে এই মাৰাত্মক ভাইৰাছে বিশ্বৰ বিভিন্ন দেশত ৪০.৫৫ লাখ লোকৰ প্ৰাণ কাঢ়িলে। অৱশ্যে ইয়াৰ মাজতে ১৭.১৯ কোটিৰো অধিক লোকে কৰ'নাক পৰাভূত কৰিবলৈ সফল হ'ল। বৰ্তমানে বিশ্বত ১.২০ কোটি ক'ভিড ৰোগী চিকিৎসাধীন হৈ আছে। এইসকল ৰোগীৰ ৭৮,৫৪৭ জনৰ অৱস্থা সংকটজনক।

## পৰিস্থিতি জটিল আফগানিস্তানৰ, গজনিও তালিবানৰ দখললৈ



**নিউজ ব্যুৰ', কাবুল, ১৩ জুলাই ঃ** মাৰ্কিন সেনাৰ আফগানিস্তান ত্যাগৰ পাছত আকৌ এবাৰ দেশখনত অতি সক্ৰিয় হৈ উঠিছে সন্ত্ৰাসবাদী সংগঠন তালিবান। এইবাৰ তালিবানে আফগানিস্তানৰ গজনি চহৰ ঘেৰি ধৰিলে। উত্তৰ-পূব আফগানিস্তানত ইমানদিনে তালিবানে ঘাটি পাতিছিল যদিও মাৰ্কিন সেনাৰ প্ৰস্থানৰ পাছত সন্ত্ৰাসবাদী সংগঠনটোৱে ক্ৰমশঃ সমগ্ৰ দেশকে দখল কৰাৰ পথত অগ্ৰসৰ হৈছে। কিছুদিন পূৰ্বেও তালিবানৰ মুৰব্বীয়ে দাবী কৰি কৈছিল যে ইতিমধ্যে তেওঁলোকে আফগানিস্তানৰ ৮৫ শতাংশ অঞ্চল পুনৰ নিজৰ দখললৈ আনিলে। গজনিৰ প্ৰাদেশিক চৰকাৰে আজি প্ৰকাশ কৰা মতে, চহৰখনৰ পৰিস্থিতি শোচনীয় হৈছে আৰু সাধাৰণ মানুহৰ ঘৰত তালিবানে ঘাটি পাতিছে। ফলত আফগান সেনাই এনেবোৰ ঘাটিক লক্ষ্য হিচাপে হৈ আক্ৰমণ চলোৱাত সমস্যাই দেখা দিছে।

## দেউবাৰ বিৰুদ্ধে সৰৱ অলি সমৰ্থকৰ ৰাজপথত প্ৰতিবাদ



**নিউজ ব্যুৰ', কাঠমাণ্ডু, ১৩ জুলাই ঃ** নেপালত উচ্চতম ন্যায়ালয়ে কে পি শৰ্মা অলিক প্ৰধানমন্ত্ৰীৰ পদৰ পৰা অপসাৰণ কৰি তৎকালীনভাৱে নেপালী কংগ্ৰেছৰ সভাপতি শ্বেৰ বাহাদুৰ দেউবাক প্ৰধানমন্ত্ৰী নিযুক্ত কৰাক লৈ আজি প্ৰতিবাদত উত্তাল হৈ উঠিল কাঠমাণ্ডুৰ ৰাজপথ। অলিৰ সমৰ্থকসকলে দেউবাক এইদৰে প্ৰধানমন্ত্ৰী নিযুক্ত কৰাৰ তীব্ৰ বিৰোধিতা কৰি ৰাজপথত দেউবা বিৰোধী শ্ল'গান দিয়ে। ৰাজধানী কাঠমাণ্ডুসহ নেপালৰ একাধিক চহৰৰ বিগত দুদিন ধৰি অলিপন্থীয়ে এইদৰে প্ৰতিবাদ অব্যাহত ৰাখিছে। উল্লেখ্য যে মঙলবাৰে বিয়লিবেলা নেপালৰ ৰাষ্ট্ৰপতি বিদ্যা দেৱী ভাণ্ডাৰীয়ে দেউবাক দেশখনৰ নতুন প্ৰধানমন্ত্ৰী হিচাপে শপত পাঠ কৰায়।



# বৰভাগৰ খনীন বৈশ্যক অসহায় অৱস্থাত গতালে ৰঙিয়াৰ গৃহত

## এবছৰ পূৰ্বে অন্তৰ্ধান হৈছিল নিজ গৃহৰ পৰা

**অগ্ৰদূত বাৰ্তা**
**বৰভাগ, ১৩ জুলাই ঃ** সম্প্ৰতি ক'ভিড পৰিস্থিতিৰ মাজত জীৱন আৰু জীৱিকাৰ বাবে ককবকাই থকা আৰ্তজনক কিছু সহায়ৰ হাত আগবঢ়াই অহা একাংশ যুৱকৰ ইতিবাচক মানসিকতা পৰিলক্ষিত হ'ল নলবাৰী জিলাৰ বৰভাগ অঞ্চলত। বৰ্তমান যন্ত্ৰবৎ সময়ৰ মাজতো আধুনিকতাৰ ধামখুমীয়াত উটি-ভাহি নগৈ অহৰ্নিশে বিপদগ্ৰস্তজনৰ কাষত থিয় হৈ মানৱতাবাদী চিন্তাৰ মাজত উদ্বুদ্ধ এদল সমাজহিতৈষী যুৱকৰ প্ৰশংসনীয় কাৰ্যক সকলোৰে শলাগিছে। অভিযন্তা উজ্জ্বল কুমাৰ ডেকাৰ নেতৃত্বত সমগ্ৰ জিলাখনৰ ভিন্ন স্থানত দুখীয়া তথা আৰ্তজনৰ ওচৰত থিয় হৈ কৰি গৈছে বহু ইতিবাচক কাম। বিভিন্ন দুখীয়া লোকৰ বেমাৰ-আজাৰ, দুখীয়া শিক্ষাৰ্থীক পঢ়ুওৱাৰ ব্যৱস্থা, বস্ত্ৰহীনক কাপোৰ, ক্ষুধাৰ্তজনক খাদ্য আদি প্ৰদান কৰাই তেওঁলোকৰ সংকল্প। অলপতে বৰভাগ কৰিয়া-কটপুহাৰ এটা পথত নিশা বৰষুণত তিতি-বুৰি থকা এজন অসহায় লোকক উদ্ধাৰ কৰে এইসকল যুৱকে। উজ্জ্বল কুমাৰ ডেকাৰ লগতে বাপন আহমেদ, নৱজিৎ কলিতা, ৰিংকু বৰুৱা, জাকিৰ হুছেইন, জীৱেশ্বৰ তালুকদাৰ, হীৰক দাস, জোন আহমেদ, কংকন কলিতা, পুলক বেজবৰুৱা আদি মানৱদৰদী যুৱচামে সেই নিশাই প্ৰায় ১১ বজাত উদ্ধাৰ কৰা ৫০ৰ ঊৰ্ধ্বৰ লোকজনক নতুন সাজ-পাৰ পৰিধান কৰোৱাই ভাত-পানী খুওৱাৰ ব্যৱস্থা কৰে। পাছত জানিব পৰা মতে, খনীন বৈশ্য নামৰ এই লোকজন প্ৰায় এবছৰ পূৰ্বে ৰঙিয়াৰ সন্ধিয়াস্থিত নিজ গৃহৰ পৰা অন্তৰ্ধান হৈছিল। নিজ ককায়েক-বৌয়েকৰ স'তে থকা লোকজনে এবছৰ পূৰ্বে ককায়েকৰ মৃত্যুৰ পাছতে ওলাই আহিছিল ঘৰৰ পৰা। সমগ্ৰ জিলাখনৰ বিভিন্ন স্থানৰ গছৰ তলত, জিৰণি গৃহত, দৰঙৰ তলত আশ্ৰয় গ্ৰহণ কৰি এক যাযাবৰী জীৱন কটাই আহিছিল। অৱশেষত সিদিনা নিশা এক হৃদয়বিদাৰক পৰিবেশত উদ্ধাৰ কৰা হয় লোকজনক। যুৱকৰ দলটোৱে লোকজনক উদ্ধাৰ কৰি নতুন কাপোৰ আৰু ভাতপানী খুৱাই নিশা প্ৰায় ১২ বজাত ৰঙিয়ালৈ লৈ যায়। কিন্তু সেই নিশা লোকজনৰ গৃহ বিচাৰি নাপালে। জীৱনৰ কঠিন পৰিস্থিতিত হয়তো লোকজনে কিছু পৰিমাণে হেৰুৱাই পেলাইছিল মনৰ ভাষা। মাথোঁ স্বল্পভাষীৰ দৰে চলিছিল কথা বতৰা। নিশাটো লোকজনক তেওঁলোকৰ সান্নিধ্যত ৰাখি পিছদিনা পুনৰ বিচাৰি গৈ ৰঙিয়াত উপস্থিত হৈ লোকজনৰ ঠিকনা বিচাৰি পালে। অত্যন্ত দুখীয়া পৰিয়ালৰ লোকজনক এবছৰৰ মূৰত পাই একমাত্ৰ বৌয়েকৰ লগতে গাঁওবাসী উৎফুল্লিত হৈ পৰে।

# কল খেতিক বীমাকৰণ ব্যৱস্থা কৰিবলৈ সদনত দাবী বিধায়ক হেমাংগ ঠাকুৰীয়াৰ

## পলাশবাৰীৰ কৃষকে জনালে ধন্যবাদ

**ছয়গাঁও, ১৩ জুলাই ঃ** পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই প্ৰথমখন বাজেট অধিবেশনত পলাশবাৰী সমষ্টিৰ কৃষকসকলৰ সমস্যাৰ বিষয়ে সদনত বিভিন্ন বিষয় উল্লেখ কৰে। বিধায়কজনে বিধানসভাৰ ৰোল-৩০১ প্ৰশ্নকালীন সময়ত সাপৰটাৰী-বেজৰটাৰী গাঁও পঞ্চায়তৰ বৰটাৰীকে ধৰি বিভিন্ন অঞ্চলৰ লগতে ৰাভা হাছং অঞ্চলৰ চান্দডুবিৰ কৃষকসকলৰ দুখ-দুৰ্দশা আৰু ধুমুহা বৰষুণত কেনেদৰে হেজাৰ হেজাৰ কলখেতি বিনষ্ট হয় সেই বিষয়ে সদনৰ জৰিয়তে কৃষিমন্ত্ৰী অতুল বৰাক প্ৰশ্ন উত্থাপন কৰিছিল। বিধায়কজনে কল খেতিয়কসকলৰ দুৰ্দশাৰ প্ৰতি লক্ষ্য কৰি বীমাকৰণৰ ব্যৱস্থা কৰিবলৈ সদনত দাবী উত্থাপন কৰে। এই প্ৰশ্ন সদনত উত্থাপন কৰাৰ পাছত বৰটাৰীৰ শ শ কৃষকে বিধায়কজনক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে চান্দডুবৰ কৃষকসকলেও বিধায়ক ঠাকুৰীয়াক ধন্যবাদ জ্ঞাপন কৰে।

# দৰমহাৰ পৰা বঞ্চিত টে'ট শিক্ষক অজয় মোহন পাঠকৰ দুয়োটা কিডনী বিকল

## সহায়ৰ বাবে অনুৰোধ মুখ্যমন্ত্ৰীক

**অগ্ৰদূত বাৰ্তা**
**মুছলপুৰ, ১৩ জুলাই ঃ** বাগ্‌সা জিলাৰ ভেহবাৰী গাঁৱৰ দুৰ্ভগীয়া শিক্ষক। নাম অজয় মোহন পাঠক। ষষ্ঠ অনুসূচীত স্বায়ত্ত শাসিত পৰিষদৰ বাবে অনুষ্ঠিত কৰা বিশেষ টে'ট পৰীক্ষাত সফলভাৱে উত্তীৰ্ণ হৈ ২০১৫ৰ ফেব্ৰুৱাৰীত থমনা ছোৱালী হাইস্কুলত সহকাৰী শিক্ষক হিচাপে যোগদান কৰিছিল। ঠিকাভিত্তিক শিক্ষক হিচাপে যোগদানৰ পাছৰে পৰা মাহিলি দৰমহা অনিয়মীয়া হৈ পৰে। আৰ্থিকভাৱে চৰম বিপৰ্যয়ৰ মাজতে পাঠকে বিগত কিছুদিন ধৰি শাৰীৰিক অসুস্থতা অনুভৱ কৰাত জি এম চি হাস্পতালত চিকিৎসাধীন হয়। চিকিৎসকে স্বাস্থ্য পৰীক্ষা কৰাৰ পাছত তেওঁক দুয়োটা কিডনীয়ে বিকল হোৱা বুলি প্ৰকাশ কৰে। ইতিমধ্যে পাঠকে জি এম চি এইছ, জি এন আৰ চিকে ধৰি কে'বাখনো চিকিৎসালয়ত চিকিৎসাৰ নামত সাঁচতীয়া ধন খৰচ কৰিছে যদিও কোনো সুফল পাবলৈ সক্ষম হোৱা নাই। চিকিৎসকে বৃক্ক সংৰোপণৰ বাবে বহিঃৰাজ্যলৈ যোৱাৰ পৰামৰ্শ দিছে। কিন্তু ধনৰ অভাৱত এতিয়া ঘৰতে মৃত্যুৰ ক্ষণ গণিছে শিক্ষকজনে। পাঠকৰ পত্নীয়ে জানিব দিয়া মতে, চাকৰি আৰু দৰমহাৰ দুশ্চিন্তাতে দৈনিক অৱস্থা বেয়া হৈ আহিছে। অনিয়মীয়া দৰমহা আৰু চাকৰিৰ অনিশ্চয়তাৰ মাজতে এতিয়া বিনা চিকিৎসাই ঘৰতে দিন অতিবাহিত কৰিবলগীয়া হৈছে। পাঠকৰ পত্নীয়ে পাবলগীয়া দৰমহাখিনি মুকলি কৰি দিবলৈ আহ্বান জনাইছে বিটিচি কৰ্তৃপক্ষক। কিয়নো বিগত ন মাহে লাভ কৰা নাই নিজৰ প্ৰাপ্য দৰমহা। প্ৰাপ্য দৰমহাৰ পৰা বঞ্চিত শিক্ষকজনক এতিয়া চিকিৎসাৰ বাবে ধনৰ প্ৰয়োজন। সেয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা তথা স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তক দুৰ্ভগীয়া শিক্ষক পাঠকৰ চিকিৎসাৰ ক্ষেত্ৰত সহায় আগবঢ়াবলৈ পৰিয়ালবৰ্গই অনুৰোধ জনায়। আনহাতে, তেওঁৰ চিকিৎসাৰ বাবে কোনো শুভাকাংক্ষীয়ে আৰ্থিকভাৱে সহায় কৰিব বিচাৰিলে ষ্টেট বেংক মুছলপুৰ শাখাৰ একাউণ্ট নম্বৰ ৩০৮০২০৫৭৮৩৮, আই এফ এছ চি- এছবিআইএন০০০৫২৪৩ নম্বৰত প্ৰেৰণ কৰিবলৈ পৰিয়ালে অনুৰোধ জনাইছে।

# ৰঙিয়াত ইলোৰা বিজ্ঞান মঞ্চৰ প্ৰতীকী প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**
**ৰঙিয়া, ১৩ জুলাই ঃ** ইলোৰা বিজ্ঞান মঞ্চৰ আহ্বান মৰ্মে কালি সমগ্ৰ ৰাজ্যৰ লগতে ৰঙিয়াতো এক প্ৰতীকী প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়।মঞ্চৰ ৰঙিয়া শাখাৰ সভাপতি মিৰাজুল ইছলাম আৰু সম্পাদক প্ৰণৱ চন্দ্ৰ ডেকাৰ নেতৃত্বত সদস্যসকলে ৰঙিয়া গান্ধী মণ্ডপৰ সন্মুখত হাতে হাতে দাবী সম্বলিত প্লে'কাৰ্ড লৈ প্ৰতিবাদ জনায়। ক'ভিড নীতি-নিয়মৰ মাজেৰে প্ৰতিবাদকাৰীসকলে বিভিন্ন শ্লʼগানেৰে প্ৰতিবাদস্থলী মুখৰিত কৰি তোলে। কাৰ্যসূচীৰ অন্তত মঞ্চৰ তৰফৰ পৰা মহকুমাধিপতিৰ জৰিয়তে স্বাস্থ্য মন্ত্ৰীলৈ এক স্মাৰকপত্ৰ প্ৰেৰণ কৰা হয়।

# আমচৈত চাৰি হেজাৰ লিটাৰ চুলাই মদ নষ্ট

**অগ্ৰদূত বাৰ্তা**
**ৰহা, ১৩ জুলাই ঃ** ৰহাৰ থানাৰ অন্তৰ্গত আমচৈ আৰু ইয়াৰ দাঁতিকাষৰীয়া কে'বা ঠাইতো যোৱা নিশা আৱকাৰী বিভাগে চুলাই মদৰ বিৰুদ্ধে অভিযান চলাই কে'বাটাও মদৰ ঘাটি উচ্ছেদ কৰাৰ লগতে বহু পৰিমাণৰ চুলাই মদ নষ্ট কৰে। আৰক্ষীৰ সহযোগত নগাঁৱৰ কাৰ্যবাহী দণ্ডাধীশ আৰু ৰহা ৰাজহ চক্ৰ বিষয়াৰ নেতৃত্বত আবকাৰী বিভাগে আমচৈৰ হাটবৰ, আমটোমাবড়ি আৰু ডালিমবাৰীত এই অভিযান চলাই বহু ঘাটি উৎখাত কৰাৰ লগতে প্ৰায় চাৰিহেজাৰ লিটাৰ চুলাই মদ ধ্বংস কৰে। আবকাৰী বিভাগে সদৰী কৰা মতে, অচিৰেই এই অঞ্চলসমূহত পুনৰ চুলাই ঘাটিবোৰতো অভিযান চলাই। লগতে ক'ভিড প্ৰট'কলৰ ওপৰতো কঠোৰ নিৰীক্ষণ তলাই আৰু আমচৈ আৰক্ষীয়ে বহুকেইজন অকাৰণতে ঘুৰি ফুৰা যুৱকক মাস্ক হিচাপে পৰিধান কৰাই দিয়াৰ লগতে নিয়মিত মাস্ক পৰিধান কৰিবৰ বাবে আহ্বান জনায়।

# যুৱ ব্যৱসায়ী নিৰ্মল মিশ্ৰৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ১৩ জুলাই ঃ** জামুগুৰিহাটৰ কুসুমটোলাৰ যুৱ ব্যৱসায়ী নিৰ্মল মিশ্ৰ (ধন)ৰ কালি উচ্চ ৰক্তপাতজনিত কাৰণত মৃত্যু হয়। পুৱা নমান বজাত নিজ গৃহত গুৰুতৰভাৱে অসুস্থ হৈ পৰা যুৱ ব্যৱসায়ীজনক ততাতৈয়াকৈ পৰিয়ালৰ লোকে উত্তৰ জামুগুৰি চিকিৎসালয়ত ভৰ্তি কৰায় যদিও চিকিৎসকে ইতিমধ্যে মৃত বুলি ঘোষণা কৰে। যুৱ ব্যৱসায়ীজনৰ মৃত্যুত কুসুমটোলা ব্যৱসায়িক সন্থা, কুসুমটোলা যুৱক সংঘকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। মৃত্যুৰ সময়ত যুৱ ব্যৱসায়ীজনে মাতৃ-পত্নীসহ একমাত্ৰ জীয়ৰীক ইহসংসাৰত এৰি যায়।

# যাত্ৰীবাহী বাছ বন্ধ থকাত চালক-হেণ্ডিমেনৰ হাহাকাৰ বাগ্‌সাত

## দুমাহে বন্ধ আন্তঃজিলা যাতায়াত

**অগ্ৰদূত বাৰ্তা**
**মুছলপুৰ, ১৩ জুলাই ঃ** কৰ'না মহামাৰীৰ বাবে ৰাজ্য চৰকাৰে জাৰি কৰা এছ অ' পিৰ ফলত বিগত দুমাহ ধৰি বন্ধ হৈ আছে যাত্ৰীবাহী বাছসমূহ। যাৰ বাবে যাত্ৰীবাহী বাছৰ চালক তথা হেণ্ডিমেনসকলৰ জীৱন-জীৱিকালৈ অন্ধকাৰ নামি আহিছে। বিগত দুমাহে কৰ্মহীন হৈ থাকিব লগাত প্ৰতিটো পৰিয়ালতে অবৰ্ণনীয় পৰিৱেশৰ সৃষ্টি হৈছে। উল্লেখ্য যে ৰাজ্যখনৰ অন্যান্য প্ৰান্তৰ লগতে বাগ্‌সা জিলাৰ সদৰ মুছলপুৰ, বৰমা, ডুমুনী আৰু নিকাছিত প্ৰায় চাৰি শতাধিক বাছচালক আৰু হেণ্ডিমেন আছে। যিসকল এতিয়া বাছসমূহ বন্ধ থকাত সমস্যাৰ সন্মুখীন হৈছে। কালি জিলাখনৰ নিকাছিত থকা মটৰ শ্ৰমিক সন্থাৰ কাৰ্যালয়ত বাছ চালক আৰু হেণ্ডিমেনসকল একত্ৰিত হৈ চৰকাৰৰ বিৰুদ্ধে ক্ষোভ উজাৰে। মটৰ শ্ৰমিক সন্থাৰ সম্পাদক ভূপেন শৰ্মাই কয় যে বিগত দুমাহে বাছসমূহ বন্ধ থকাত বাছ চলাই জীৱন নিৰ্বাহ কৰা পৰিয়ালসমূহলৈ অমানিশা নামি আহিছে। বিগত বৰ্ষতো তলাবন্ধৰ বাবে ছমাহ বন্ধ আছিল। সেই বছৰ আমি দুখে-কষ্টই চলিলো। কিন্তু এইবাৰো একে অৱস্থা। দুমাহে বাছসমূহৰ চলাচল বন্ধ হৈ থকাত দুশটা পৰিয়ালে পেটৰ ভাতমুঠিৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে। তেওঁ কয় যে বৰ্তমানলৈ চৰকাৰে বাছচালক বা হেণ্ডিমেনক কোনো ধৰণৰ সহায়-সাহায্য কৰা নাই। প্ৰকাশ যে বাছচালক বা হেণ্ডিমেনসকলক দিন হাজিৰা কৰিবলৈও নামাতে। যাৰ বাবে এতিয়া পৰিয়াল চলাবলৈ সমস্যাৰ সৃষ্টি হৈছে। এই ক্ষেত্ৰত চৰকাৰে বাছচালক তথা হেণ্ডিমেনসকলক কিছু সাহায্য দিলে নিশ্চয় উপকাৰ হ'লহেঁতেন। আন এজন চালকে জানিব দিয়া মতে বহিঃৰাজ্যৰ বিভিন্ন যাত্ৰীবাহী বাছ চলাচল কৰি আছে। কিন্তু আমাৰ বাছসমূহে চৰকাৰে বন্ধ কৰি থৈছে। চৰকাৰে এই ক্ষেত্ৰত ব্যৱস্থা লোৱা উচিত। বাছ চলাই লাভ কৰা দৈনিক মজুৰিৰে ঘৰ চলে চালক বা হেণ্ডিমেনৰ। বাছ বন্ধ হৈ থাকিলে কেনেকৈ পৰিয়াল চলাব। অবৰ্ণনীয় দুৰৱস্থা হৈছে পৰিয়ালসমূহত। ল'ৰা-ছোৱালীৰ মুখলৈ চাব নোৱাৰা হৈছে। ভালকৈ পিন্ধিবলৈ এসাজ ভাল কাপোৰ দিব পৰা নাই। সেয়ে চৰকাৰে বাছচালক আৰু হেণ্ডিমেনসকলক আৰ্থিক সাহায্য প্ৰদান কৰিব লাগে। শ্ৰমিকসকলৰ এনে দুৰ্দশাৰ সময়ত যাত্ৰীবাহী বাছ মালিকসকলেও তেওঁলোকক সহায়-সাহায্য কৰা নাই বুলি কয়।

# মৰিগাঁও জ্ঞানমঞ্জুৰি আলোচনা চক্ৰৰ সভা

**অগ্ৰদূত বাৰ্তা**
**মৰিগাঁও, ১৩ জুলাই ঃ** মৰিগাঁও জ্ঞান মঞ্জুৰি আলোচনাচক্ৰৰ ১৭১ সংখ্যক বৈঠক যোৱা ১০ জুলাইত গুগুল মিটৰ জৰিয়তে অনুষ্ঠিত কৰা হয়। হৰেন্দ্ৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ সম্পাদক জ্যোতিষ বৰ্মনে আঁত ধৰে। সভাখনত কবিতা পাঠ কৰে হৰেন্দ্ৰ বৰা, ৰীণা ডেকা, মনমোহন ৰাজবংশী, দীপাঞ্জলী কাকতি হাজৰিকা, কল্পতৰু চৌধুৰী, ফুকুল ডেকা, সীমা বৰা, নাজমা বেগম, মধুৰাম কুমাৰ, ৰশ্মি ৰেখা কাকতি, প্ৰদীপ পৰাশৰ, দীপিকা ভট্টাচাৰ্য, জাৰ্জিনা বেগম হুছেইন, স্বপ্না কলিতা, মঞ্জু দত্ত, জ্যোতিষ বৰ্মন, অৰুন্ধতী শৰ্মা, ধৰ্মেশ্বৰী শইকীয়া, ঋতুৰাজ গোস্বামী, ডি কে দীপক কুমাৰ, নৰেশ্বৰ নাথ, চন্দন গোস্বামী, বিউটি ডেকা বৰদলৈ, স্মৃতি ৰেখা গোহাঁই, থানেশ্বৰ ডেকাকে আদি কৰি ২৫ জন কবিয়ে কবিতা পাঠ কৰে। শেষত সভাপতি হৰেন্দ্ৰ বৰাৰ সাৰুৱা বক্তব্যৰে সভাখন সামৰণি পৰে।

# মুছলপুৰত জনসংখ্যা স্থিৰকৰণ পষেক পালন

**অগ্ৰদূত বাৰ্তা**
**মুছলপুৰ, ১৩ জুলাই ঃ** 'জনসংখ্যা বিস্ফোৰণত সৰ্বাধিক ক্ষতিগ্ৰস্ত হৈছে তৃতীয় বিশ্বৰ দেশসমূহ। এই গণ বিস্ফোৰণৰ মূল কাৰণ হৈছে নিৰক্ষতা, দৰিদ্ৰতা, বাল্যবিবাহ, ধৰ্মীয় গোড়ামি, অন্ধবিশ্বাস, পৰিয়াল পৰিকল্পনাৰ প্ৰতি ৰাইজৰ অনীহা বা অজ্ঞতা আদি।' বাগ্‌সা জিলা ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ উদ্যোগত কালি মুছলপুৰ জিলা কেন্দ্ৰৰ প্ৰেক্ষাগৃহত বিশ্ব জনসংখ্যা স্থিৰকৰণ পষেক উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত এই মন্তব্য কৰে জিলাখনৰ খণ্ড প্ৰাথমিক চিকিৎসক ডাঃ চক্ৰপাণি শৰ্মাই। তেওঁ লগতে কয় যে জনসংখ্যা নিয়ন্ত্ৰণৰ দ্বাৰাহে সমাজৰ বৰ্ধিত সমস্যাসমূহ সমাধান কৰিব পাৰি। অনুষ্ঠানত অংশ লৈ এন এইছ এমৰ জিলা সংবাদ বিশেষজ্ঞ প্ৰশান্ত কুমাৰ দত্তই পৰিয়াল পৰিকল্পনাৰ স্থায়ী আৰু অস্থায়ী পদ্ধতিসমূহ বৰ্ণনা কৰে। তেওঁ লগতে সাম্প্ৰতিক সময়ত জনবিস্ফোৰণৰ ভয়াৱহ ছবিখন দাঙি ধৰি কয় যে বিশ্বৰ মুঠ জনসংখ্যাৰ ৬১ শতাংশ মানুহৰ বোজা বহন কৰিব লগা হৈছে এছিয়া মহাদেশে। ইয়াৰে প্ৰায় ২০ শতাংশ বোজা আমাৰ দেশ ভাৰতবৰ্ষই বহন কৰে। সেয়েহে আমাৰ দেশ তথা ৰাজ্যখনৰ লগতে বাগ্‌সা জিলাতো এই ক্ষেত্ৰত এক সজাগতা গঢ়ি তোলাৰ লগতে জনবিস্ফোৰণ ৰোধৰ প্ৰয়াস গঢ়ি তুলিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। অনুষ্ঠানত জিলা স্বাস্থ্য বিভাগৰ কে'বাজনো বিষয়া, চিকিৎসকৰ লগতে আশাকৰ্মীসকল উপস্থিত থাকে।


## 'দৈনিক অগ্ৰদূত'ৰ বাতৰিৰ প্ৰভাৱ

# বিদেশী ন্যায়াধিকৰণে আঁতৰালে চিৰাঙৰ গোষ্ঠী সংঘৰ্ষৰ বলি হোৱা পৰিয়ালৰ ফটো

**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ১৩ জুলাই ঃ** অৱশেষত বিদেশী ন্যায়াধিকৰণে ৱেবৰ পৰা আঁতৰালে চিৰাঙৰ গোষ্ঠী সংঘৰ্ষৰ বলি হোৱা পৰিয়ালৰ ফটো। 'দৈনিক অগ্ৰদূত' কাকতত সবিস্তাৰে এই সন্দৰ্ভত বাতৰি প্ৰকাশিত হৈছিল। বাতৰি প্ৰকাশৰ পাছত আমছুৱে মুখ্য সচিবলৈ পৰিয়ালটোৰ ফটো আঁতৰোৱাৰ দাবীত চিৰাং জিলা উপায়ুক্তৰ জৰিয়তে স্মাৰক পত্ৰ প্ৰেৰণ কৰিছিল। এই সন্দৰ্ভত আমছুৰ সভাপতি ৰেজাউল কৰিম চৰকাৰে 'দৈনিক অগ্ৰদূত' কাকতক ধন্যবাদ জনোৱাৰ লগতে প্ৰকাশ কৰিলে নিজৰ প্ৰতিক্ৰিয়া। ৰেজাউলে কয় যে বিদেশী ন্যায়াধিকৰণে গোপনে ফটোখন আঁতৰালে নহ'ব। দৰিদ্ৰ পৰিয়ালটোক বিদেশীৰ বদনাম দিলে। কোনজন বিষয়াই কোনো বিচাৰ নকৰাকৈ এই ফটো ব্যৱহাৰ কৰিলে তাৰ তদন্ত হ'ব লাগিব। দোষী বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ লগতে পৰিয়ালটোৰ ওচৰত ক্ষমা খোজাৰো দাবী উত্থাপন কৰে।

# জাতীয়তাবাদী নেতা-সাংবাদিক মহিৰ উদ্দিন আহমেদ হাজৰিকাৰ মৃত্যুবাৰ্ষিকীত শ্ৰদ্ধাঞ্জলি

**অগ্ৰদূত বাৰ্তা**
**মৰিগাঁও, ১৩ জুলাই ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ মৰিগাঁও জিলা সমিতিৰ উদ্যোগত যোৱা ১২ জুলাইত জাতীয়তাবাদী নেতা তথা সাংবাদিক প্ৰয়াত মহিৰ উদ্দিন আহমেদ হাজৰিকাৰ নৱম মৃত্যু বাৰ্ষিকী উপলক্ষে মৰিগাঁৱত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান ৰূপায়ণ কৰা হয়। জিলা সভাপতি দীপজ্যোতি বৈশ্য আৰু সাধাৰণ সম্পাদক মিৰ্জা আৰিফ আলমে চহৰখনৰ মাজমজিয়াস্থিত লক্ষ্মীনাথ বেজবৰুৱা একাডেমীত জাতীয়তাবাদী নেতাজনৰ নৱম মৃত্যুবাৰ্ষিকী উপলক্ষে অনুষ্টুপীয়াকৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান ৰূপায়ণ কৰে। কাৰ্যসূচীৰ প্ৰাক্‌ক্ষণত আহমেদৰ আত্মাৰ সদ্‌গতিৰ কামনা কৰি এক মিনিট মৌন প্ৰাৰ্থনা কৰা হয়। প্ৰয়াত জাতীয়তাবাদী নেতা তথ্য সাংবাদিকজনৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক ললিত চন্দ্ৰ পাচনিয়ে। উল্লেখ্য যে জাতীয়তাবাদী নেতা তথা সাংবাদিক আগমেদ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতি প্ৰাক্তন সাংগঠনিক সম্পাদক, প্ৰচাৰ সম্পাদক মৰিগাঁও জিলা সমিতিৰ সাধাৰণ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰি জাগীৰোড প্ৰেছ ক্লাবৰ সভাপতি হিচাপে নিষ্ঠাৰে কাৰ্যনিৰ্বাহ কৰিছিল।



আলোপতিত ড্ৰাগছসহ আটক সৰবৰাহকাৰী।

# উত্তৰ শালমাৰাত পিএমজি এছৱাইৰ পথ নিৰ্মাণত দুৰ্নীতি

## নিৰ্মাণৰ পাছতে বিধ্বস্ত পকী দলং

**অগ্ৰদূত বাৰ্তা**
**উত্তৰ শালমাৰা, ১৩ জুলাই ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা অঞ্চলৰ খগৰপুৰত প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ পথ এটা নিৰ্মাণ সম্পূৰ্ণ নৌহওঁতেই পথত নতুনকৈ নিৰ্মাণ কৰা পকী দলং এখন বৰষুণৰ পানীতে বিধ্বস্ত হোৱাত ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰণালয়ৰ এক কোটি ৬৬ লাখ ৬০৭ টকা ২০১৮তে খগৰপুৰ অষ্টম খণ্ডৰ পৰা দুৰ্গাপুৰলৈ যোৱা পথ নিৰ্মাণৰ কাম আৰম্ভ কৰে। গড়কাপ্তানী বিভাগৰ জৰিয়তে ৰূপায়ণ হোৱা চিচি ব্লকৰ পথটোৰ নিৰ্মাণৰ দায়িত্ব লাভ কৰে ঠিকাদাৰ আব্বাচ সৰকাৰে। অভিযোগ মতে, আজি চাৰি বছৰ ধৰি পথটোৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱা নাই। নিৰ্মাণ কৰা অংশও অতি নিম্নমানৰ হোৱাৰ লগতে ঠায়ে ঠায়ে পথৰ ওপৰতে বৰষুণৰ পানী আবদ্ধ হয়। ইয়াৰ উপৰি পথটোৰ দুয়োকাষে কোনো ধৰণৰ ছাইডবাম নথকাত দুৰ্ঘটনাৰ কাৰক হৈ পৰিছে। ঠিকাদাৰে কেৱল ধন লুণ্ঠনৰ লক্ষ্যৰে নিৰ্মাণ কৰাৰ বাবে ১৫ দিনমান পূৰ্বে সম্পূৰ্ণ কৰা পথৰ পকী দলং এখন বৰষুণৰ ধলতে বিধ্বস্ত হয়। ফলত উক্ত পথেৰে যান-বাহন চলাচল কৰাতো দূৰৰে কথা সাধাৰণ লোকে খোজ কাঢ়ি অহা-যোৱা কৰোতে বিপজ্জনক হৈ পৰে। ইপিনে, পথত থকা আন এটা কালভাৰ্ট আজি কে'বা বছৰ ধৰি সম্পূৰ্ণ কৰিব নোৱৰাত ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# বালিকৰিয়াত কৰ'না, মানসিক স্বাস্থ্যৰ ওপৰত সজাগতা সভা

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ১৩ জুলাই ঃ** নলবাৰী জিলা মানসিক স্বাস্থ্য বিভাগৰ উদ্যোগত স্বেচ্ছাসেৱী অনুষ্ঠান 'আশ্ৰয়' আৰু বালিকৰিয়া শাখা ছাত্ৰ সন্থাৰ সহযোগত বালিকৰিয়া বাসুদেৱ দেৱালয় প্ৰাংগণত যোৱা ১২ জুলাইত ক'ভিড-১৯ আৰু মানসিক স্বাস্থ্য সম্বন্ধে এখন সজাগতা সভা অনুষ্ঠিত হয়। নলবাৰী জিলা মানসিক স্বাস্থ্য বিভাগৰ তৰফৰ পৰা মানসিক ৰোগ বিশেষজ্ঞ ডাঃ নিপুল মহন্ত, ক্লিনিকেল চাইকোলোজিষ্ট সংগীতা দাসে ৰোগ বিধৰ পৰা সমাজৰ যুৱক-যুৱতীসকলক আক্ৰান্ত হোৱাৰ পৰা কেনেদৰে হাত সাৰিব পাৰি তাৰ ওপৰত তত্ত্বগধুৰ বক্তব্য আগবঢ়ায়। সভাত নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰুবুল বৰ্মন, বালিকৰিয়া বাসুদেৱ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰমোদ বৰ্মন, অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজকৰ্মীদ্বয় ৰামচৰণ বৰ্মন, ৰবীন্দ্ৰ শৰ্মা আদিয়ে বক্তব্য আগবঢ়ায়। সভাত বালিকৰিয়া বাসুদেৱ দেৱালয় পৰিচালনা সমিতিৰ সম্পাদক হৰিহৰ শৰ্মা, সমাজ কৰ্মী শচীন্দ্ৰ চৌধুৰী, কুলদীপ বৰ্মন, নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক ৰতন, বৰ্মন কাৰ্যনিৰ্বাহক অজয় বৰ্মন, বালিকৰিয়া শাখা ছাত্ৰ সন্থাৰ উপদেষ্টা চক্ৰ বৰ্মন, সমাজকৰ্মী কুমুদ ডেকা, জগদীশ দত্ত, পংকজ বৰ্মন, গজেন বৰ্মন, কৰুণা বৰ্মন, ভবেন বৰ্মন, প্ৰবীণ বৰ্মন, ভগৱান, ৰেণু চৌধুৰীৰ লগতে কিছু সংখ্যক ৰাইজ, বালিকৰিয়া শাখা ছাত্ৰ সন্থাৰ সভাপতি-সম্পাদকৰ লগতে বিষয়ববীয়াসকল উপস্থিত থাকে। আশ্ৰয়ৰ সভানেত্ৰী ৰেণু বৰুৱা মহন্তই আঁত ধৰা অনুষ্ঠানত অৰ্ধশতাধিক ব্যক্তি উপস্থিত থাকে।

# গোৱালপাৰাত তিনিটাকৈ অবৈধ চুলাই মদৰ ঘাটি উৎখাত ঃ গ্ৰেপ্তাৰ দুই

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ১৩ জুলাই ঃ** আৱকাৰী বিভাগে কালি অভিযান চলাই গোৱালপাৰাৰ তিনিটাকৈ অবৈধ চুলাই মদৰ ঘাটি উৎখাত কৰাৰ লগতে দুজনকৈ লোকক গ্ৰেপ্তাৰ কৰে। আৱকাৰী বিভাগে জিলাখনৰ মাকৰী, কল্যাণপুৰ আৰু আমতলাৰ তিনিটাকৈ চুলাই মদৰ ঘাটি উচ্ছেদ কৰি প্ৰায় ৭৫০ লিটাৰ চুলাই ধ্বংস কৰে। লগতে চুলাই মদ তৈয়াৰ কৰা সামগ্ৰীসমূহ ধ্বংস কৰে। এই সন্দৰ্ভত চুলাই মদৰ কাৰখানাৰ স্বত্বাধিকাৰীসকলৰ বিৰুদ্ধে পাঁচটাকৈ গোচৰ ৰুজু কৰাৰ লগতে চুলাই মদৰ ব্যৱসায়ৰ লগতে জড়িত থকা দুজন লোকক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে আৱকাৰী বিভাগে মাজে-সময়ে দুই এটা চুলাই মদৰ ঘাটিৰ বিৰুদ্ধে অভিযান চলাই আহিছে। কিন্তু অভিযানৰ কিছু দিন পাছতে পুনৰ সেই লোকসকলে চুলাই মদৰ ৰমৰমীয়া ব্যৱসায় আৰম্ভ কৰে। কিন্তু এই ক্ষেত্ৰত বিভাগটোয়ে ৰহস্যজনকভাৱে নীৰৱ ভূমিকা পালন কৰে বুলি সঘনাই অভিযোগ উত্থাপিত হৈ আহিছে। ইপিনে, গোৱালপাৰা চহৰৰ মাজমজিয়াৰ ভালুৰডুবি টিলাপাৰা অঞ্চলত ১২ টাকৈ অবৈধ মদৰ ঘাটি থকা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। কিন্তু এই ক্ষেত্ৰত আবকাৰী বিভাগে ৰহস্যজনকভাৱে নীৰৱ ভূমিকা পালন কৰাত আশ্চৰ্য প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। এই অবৈধ চুলাই মদৰ ঘাটিসমূহত প্ৰতিদিনে শ শ ৰাইজে ক'ভিড প্ৰট'কল উলংঘন কৰি চুলাই মদ সেৱন কৰি অহা বুলিও এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে।

# মুখ্যমন্ত্ৰীয়ে বিধায়কক লৈ কৰা বক্তব্য অগণতান্ত্ৰিক

## নলবাৰীত চিপিআই (এম)ৰ প্ৰতিবাদী পথসভা

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ১৩ জুলাই ঃ** বিধায়কক লৈ মুখ্যমন্ত্ৰীয়ে কৰা মন্তব্যৰ কালি চিপিআই (এম)ৰ নলবাৰী জিলা সমিতিয়ে প্ৰতিবাদ কৰে। গণতন্ত্ৰ ৰক্ষাৰ দাবীত আজি দলটোৰ জিলা কাৰ্যালয়ৰ পৰা দলীয় পতাকা, বেনাৰ লৈ এটি সমদল কৰাৰ উপৰি নলবাৰী চহৰত পাঁচখনকৈ প্ৰতিবাদী পথসভা অনুষ্ঠিত কৰে। বাওঁপন্থী দলটোৰ জিলা সম্পাদক উমেশ দত্তই আঁত ধৰা সভাত ৰাজ্যিক কাৰ্যনিৰ্বাহক জগত গোস্বামী, জিলা সম্পাদক মণ্ডলীৰ সদস্য ৰবীন মিশ্ৰ, কৰুণা কলিতা, মহেশ দত্ত, সনাতন বৈশ্য, কাৰ্যকৰ্তা ৰাজীৱ আলী, অনিল মহন্তসহ অৰ্ধশতাধিক কৰ্মীয়ে ভাগ লয়। পথসভাত বাওঁপন্থী নেতা ৰবীন মিশ্ৰই কয় যে বিজেপি চৰকাৰে গণতান্ত্ৰিক স্বাধীনতাক কুঠাৰাঘাত কৰাত লাগিছে। মুখ্যমন্ত্ৰীয়ে বিধায়কসকলক লৈ কৰা বক্তব্যই উদাহৰণ। বাওঁপন্থী নেতা জগত গোস্বামীয়ে কয় যে সমগ্ৰ দেশত ক'ভিড অতিমাৰী ৰোধত ব্যৰ্থ বিজেপি চৰকাৰৰ মুখ্যমন্ত্ৰী, মন্ত্ৰীসকলে মন্তব্য কৰি ৰাইজক সমস্যাসমূহ পাহৰাব বিচাৰিছে বুলি ব্যক্ত কৰে।

# কৃত্ৰিম বানৰ কবলত দুমুনিচকী

## ক্ষুদ্ৰ ব্যৱসায়ীৰ দুৰৱস্থা ঃ নলা নিৰ্মাণৰ আহ্বান

**অগ্ৰদূত বাৰ্তা**
**দুমুনিচকী, ১৩ জুলাই ঃ** এজাক বৰষুণতে কৃত্ৰিম বানত ডুব যায় দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দুমুনিচকী চ'ক। পানী নিষ্কাসনৰ বাবে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োকাষে নলীৰ ব্যৱস্থা নথকাৰ ফলতে সৃষ্টি হৈছে এই কৃত্ৰিম বানৰ। অভিযোগ অনুসৰি ২০২০ত দুমুনিচকী-দিপীলা পথ তথা বাইহাটা চাৰিআলি-মঙলদৈ পথৰ দুয়োকাষে নলীৰ ব্যৱস্থাৰ বাবে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দায়িত্বত থকা ৰঙিয়া সংমণ্ডলৰ বিষয়াক স্থানীয় ৰাইজৰ তৰফৰ পৰা এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰা হৈছিল। স্মাৰকপত্ৰ লাভ কৰাৰ পাছতে বিভাগীয় কৰ্তৃপক্ষই এক্সকেভেটৰৰে নলা খন্দা কাম আৰম্ভ কৰিছিল যদিও অজ্ঞাত কাৰণত সেই কাম আধাতে সামৰি সমস্যাটো সমাধানৰ পৰিৱৰ্তে আৰু অধিক জটিল কৰি তোলে। যাৰ পৰিণতিতে এজাক বৰষুণতে দুমুনিচকীত পূৰ্বতকৈয়ো জটিল ৰূপ ধাৰণ কৰে কৃত্ৰিম বানে। এই কৃত্ৰিম বানৰ ফলতেই দুমুনিচকী চ'কৰ পাচলি তথা মৎস্য ব্যৱসায়ীসকলে বৰষুণ আহিলেই নিজৰ ব্যৱসায় সামৰিব লগা হয়। দুমুনিচকী আঞ্চলিক ছাত্ৰ সন্থা, দুমুনিচকী সাহিত্য সভা, দৰং দুৱাৰ ক্লাব, দুমুনিচকী বৰনৈ প্ৰেছ ক্লাব, দুমুনিচকী জ্যেষ্ঠ নাগৰিক সন্মিলনী, পোহৰ এনজিঅ'কে ধৰি কে'বাটাও স্থানীয় সামাজিক সংস্থাই দুমুনিচকীৰ বিধ্বস্ত পথ মেৰামতিৰ লগতে পথৰ



দুয়োকাষে নলীৰ ব্যৱস্থা কৰি দুমুনিচকীক কৃত্ৰিম বানৰ কবলৰ পৰা মুক্ত কৰিবলৈ ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী তথা ৰাজ্য চৰকাৰক আহ্বান জনাইছে।

# নগৰবেৰাত সংঘটিত ডকাইতি কাণ্ডত জড়িত দুজনক গ্ৰেপ্তাৰ



**অগ্ৰদূত বাৰ্তা**

**আলোপতি, ১৩ জুলাই ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ নগৰবেৰা আৰক্ষী থানাৰ অন্তৰ্গত নগৰবেৰাৰ সৰুডোৱাত যোৱা ১০ জুলাইৰ নিশা সংঘটিত লোমহৰ্ষক ডকাইতি কাণ্ডৰ লগত জড়িত থকাৰ অভিযোগত দুজনক গ্ৰেপ্তাৰ কৰিছে নগৰবেৰা আৰক্ষীয়ে। উল্লেখ্য যে গাঁওখনৰ ৰঞ্জিত দাসৰ ঘৰত নিশা চাৰিজনীয়া অস্ত্ৰধাৰী ডকাইতৰ দলে ডকাইতি কৰিবলৈ যায় যদিও গৃহস্থৰ তৎপৰতাত দলটোৱে কোনো বয়বস্তু লুটিবলৈ সক্ষম নহ'লেও দাসৰ পত্নী দুৰ্গাবালা দাসক চোকা অস্ত্ৰৰে ডিঙিত আঘাত কৰে। এই চাঞ্চল্যকৰ ডকাইতি কাণ্ডৰ পাছতে কামৰূপ জিলা আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰয়, উপ-আৰক্ষী অধীক্ষক কল্যাণ কুমাৰ পাঠকৰ নেতৃত্বত আৰক্ষীৰ এটা দল ভুক্তভোগী পৰিয়ালটোৰ ঘৰত উপস্থিত হৈ ডকাইতি কাণ্ডত জড়িত থকাসকলক গ্ৰেপ্তাৰ কৰাৰ আশ্বাস প্ৰদান কৰি তদন্ত অব্যাহত ৰাখিছিল। নগৰবেৰা আৰক্ষীয়ে কালিয়ে ডকাইতি কাণ্ডৰ লগত জড়িত নাইটৰ বিদ্যানগৰৰ আব্দুল হকৰ পুত্ৰ আশ্ৰফ আলী আৰু বিদ্যানগৰ গাঁৱৰ নছিম উদ্দিনৰ পুত্ৰ শ্বৰফ উদ্দিনক গ্ৰেপ্তাৰ কৰে যদিও তদন্তৰ খাতিৰত সবিশেষ জনোৱা নাছিল। আজি দুয়োজনকে জেললৈ প্ৰেৰণ কৰা হয়। ঘটনাৰ স'তে জড়িত আন দুজনকো শীঘ্ৰেই গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হ'ব বুলি ব্যক্ত কৰিছে নগৰবেৰা আৰক্ষীয়ে।

# গৰৈমাৰীত ড্ৰাগছ সৰবৰাহকাৰী মহিলা আটক

**অগ্ৰদূত বাৰ্তা**

**সোণতলী, ১৩ জুলাই ঃ** ছয়গাও আৰক্ষীৰ ড্ৰাগছৰ বিৰুদ্ধে অব্যাহত আছে অভিযান। এই অভিযানৰ মাজতে ছয়গাঁও আৰক্ষী থানাৰ উপ-পৰিদৰ্শক শ্যামল শইকীয়াৰ নেতৃত্বত এটি আৰক্ষীৰ দলে অভিযান চলাই গৰৈমাৰীৰ লাৰুৱাজানত ড্ৰাগছসহ এগৰাকী ড্ৰাগছ ব্যৱসায়ী মহিলাক আটক কৰে। আটক কৰা মহিলাগৰাকী গৰৈমাৰীৰ লাৰুৱাজানৰ ছফিয়া খাতুন। মহিলাগৰাকীৰ স'তে ড্ৰাগছৰ ১৮টা কণ্টেইনাৰ আৰু এটা ছিৰিঞ্জ জব্দ কৰিবলৈ সক্ষম হয়। দীৰ্ঘদিন ধৰি উক্ত অঞ্চলত ড্ৰাগছৰ ৰমৰমীয়া বেহা চলাই থকা খবৰ লাভ কৰিয়ে মঙলবাৰে আৰক্ষীয়ে অভিযান চলাই ড্ৰাগছ ব্যৱসায়ী মহিলাগৰাকীক আটক কৰে। আটক কৰা মহিলাগৰাকীক ছয়গাঁও আৰক্ষীয়ে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে।

# ডবকাত দুৰ্ঘটনাত মহিলা নিহত

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ১৩ জুলাই ঃ** হোজাই জিলাৰ ডবকা আৰক্ষী থানাৰ অন্তৰ্গত ডবকা-ডিফু সংযোগী ৩৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি বিয়লি সংঘটিত এক পথ দুৰ্ঘটনাত এগৰাকী মহিলা থিতাতে নিহত হয়। কাৰ্বি আংলং অভিমুখে গৈ থকা এ এছ-০৯ এফ-৮৪৪৩ নম্বৰৰ চাৰিচকীয়া এখন বাহনে ডবকাৰ হালধিআটিত নিয়ন্ত্ৰণ হেৰুৱাই আনোৱাৰা বেগম নামৰ এগৰাকী মহিলাক খুন্দা মৰাত মহিলাগৰাকী থিতাতে নিহত হয়। দুৰ্ঘটনাত বাহনখনৰ চালক সঞ্জয় বসুমতাৰী আহত হয়। হালধিআটী উপ-আৰক্ষী চকীৰ আৰক্ষীয়ে নিহত মহিলাগৰাকীক উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে আহত চালকজনক উদ্ধাৰ কৰি চিকিৎসাৰ ব্যৱস্থা কৰে।

# বিশ্বনাথৰ উপায়ুক্তৰ ফেচবুক একাউণ্ট হেক কৰি ধন ভিক্ষা দুৰ্বৃত্তৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৩ জুলাই ঃ** বিশ্বনাথ জিলাৰ উপায়ুক্তৰ অফিচিয়েল ফেচবুক একাউণ্ট ক্লন কৰি এইবাৰ দুৰ্বৃত্তই ধন ভিক্ষাৰ প্ৰস্তাৱ আগবঢ়োৱা খবৰত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ইতিমধ্যে সামাজিক মাধ্যমত এই একাউণ্ট পৰিচালনা কৰা কৰ্তৃপক্ষই বিষয়টো সদৰী কৰিছে। দুৰ্বৃত্তই কৌশলপূৰ্ণভাৱে চৰকাৰী নীতি-নিৰ্দেশনা ঘোষণা কৰা এই ফেচবুক একাউণ্টৰ পৰা বহুসংখ্যকে ধন বিচাৰি অনুৰোধ লাভ কৰিছে। প্ৰথম অৱস্থাত এই ঘটনাই সকলোকে স্তম্ভিত কৰিলেও বিশ্বনাথ জিলা প্ৰশাসনে সমগ্ৰ ঘটনাটো সন্দৰ্ভত স্পষ্ট কৰিছে যে উপায়ুক্তৰ অফিচিয়েল একাউণ্ট ক্লন কৰিহে অজ্ঞাত হেকাৰে ধন বিচাৰি এনে আইন বিৰোধী কাৰ্যত লিপ্ত হৈছে। উপায়ুক্তৰ ফেচবুক একাউণ্ট ধন বিচৰা কাৰ্যত ব্যৱহাৰ নহয়। বৰঞ্চ এই একাউণ্টত প্ৰশাসনিক ঘোষণা আদিহে আগবঢ়োৱা হয় বুলি নিশ্চিত কৰিছে। প্ৰশাসনে আইনী ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে শীঘ্ৰে দুৰ্বৃত্ত ধৰা পৰিব বুলি আশা কৰাৰ লগতে ধন ভিক্ষাৰ অনুৰোধক আওকাণ কৰিবলৈ অনুৰোধ জনোৱা হৈছে।

# কৃষ্ণাই চাৰিআলি-হাৰিমুৰা গড়কাপ্টানী পথৰ বিধ্বস্ত অৱস্থা

## কৃষ্ণাই দৈনিক বজাৰৰ প্ৰৱেশ পথত আবদ্ধ আঁঠুৱনি বোকাপানী

**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ১৩ জুলাই ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই দৈনিক বজাৰখনৰ অৱস্থা সম্প্ৰতি পূতিগন্ধময় হৈ উঠিছে। বজাৰখনৰ ৰূপ দেখিলে এনে লাগে সেয়া যেন বজাৰ নহয়, এখন আৱৰ্জনা স্থলীহে। বিশেষকৈ কৃষ্ণাই মূল বজাৰৰ পৰা হনুমান মন্দিৰ হৈ কৃষ্ণাই নৰপতি গড়কাপ্টানী পথ সংযোগী দৈনিক বজাৰৰ ভিতৰৰ পথছোৱা দেখিলে যিকোনো লোকৰে শৰীৰ বেজবেজাই উঠিব। এয়া যেন বজাৰত প্ৰৱেশ প্ৰস্থান কৰা পথ নহয়, এটা পৰিত্যক্ত জলাশয়হে। আটাইতকৈ পৰিতাপৰ কথা এয়ে যে এই পথৰ কাষতে শংকৰ



মন্দিৰ, হনুমান মন্দিৰ এটাৰ লগতে অৱস্থিত হনুমান হিন্দী প্ৰাথমিক বিদ্যালয়খন। এফালে, দৈনিক বজাৰখনৰ দুৰ্গন্ধময় পৰিৱেশ, আনহাতে গেলা বোকাপানীৰে পৰিপূৰ্ণ পথছোৱাই অঞ্চলটোত বসবাস কৰা লোকসকলৰ স্বাস্থ্যৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। পিছে এই ক্ষেত্ৰত সকলো নিমাত। খণ্ড উন্নয়ন কাৰ্যালয়, জিলা প্ৰশাসন তথা স্থানীয় বিধায়ক কাৰোৱে দৃষ্টিত নপৰে কৃষ্ণাই দৈনিক বজাৰ তথা বজাৰ সংলগ্ন পথছোৱা। দৈনিক বজাৰখন বিজ্ঞান সন্মতভাৱে নিৰ্মাণ কৰাৰ লগতে পয়ালগা পথছোৱাত দ্ৰুত উন্নয়ন সাধন কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক পুনঃ আবেদন জনাইছে স্থানীয় ৰাইজে। এই ক্ষেত্ৰত সংশ্লিষ্ট বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া নিশ্চয় লক্ষ্যণীয় হ'ব। ইফালে, কৃষ্ণাইৰ ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী চাৰিআলি-হাৰিমুৰা গড়কাপ্টানী পথছোৱাত বৰ্তমান অতি বিধ্বস্ত অৱস্থা। সময় মতে মেৰামতি নকৰাৰ ফলতে অতি পুৰণি এই পথটোৰে যাতায়াত কৰাটো একেবাৰে জটিল হৈ পৰিছে। এই ক্ষেত্ৰত স্থানীয় ৰাইজে ৩৬ নম্বৰ দুধনৈ বিধানসভা সমষ্টিৰ পূৰ্বৰ বিধায়কসকলক বহুবাৰ অনুৰোধ কৰিও একো সুফল নাপালে। সেয়ে ৰাইজে পুনৰাই বৰ্তমানৰ বিধায়ক যাদৱ স্বৰ্গীয়াৰীৰ ওচৰত পথছোৱা মেৰামতি কৰাৰ বাবে দাবী জনাইছে।

# আমিনগাঁৱৰ ডকাইতি কাণ্ডত জড়িত ইৰানী গ্ৰুপৰ আটক তিনি

**অগ্ৰদূত বাৰ্তা**

**উত্তৰ গুৱাহাটী, ১৩ জুলাই ঃ** যোৱা ১০ জুলাইত আমিনগাঁৱত ৰহস্যজনক দিন ডকাইতি ঘটনাত জড়িত চিলনী চোৰৰ এজনক আমিনগাঁও আৰক্ষীয়ে আজি গড়চুকৰ পৰা গ্ৰেপ্তাৰ কৰে। অৱশ্যে আৰক্ষীয়ে তদন্তৰ খাতিৰত ইৰানী গ্ৰুপৰ ডকাইতজনৰ নাম প্ৰকাশ কৰাৰ পৰা বিৰত আছে। ইফালে ম'বাইল ট্ৰেকিঙৰ জৰিয়তে আৰক্ষীয়ে আমিনগাঁৱৰ বেবী বিবি নামৰ এগৰাকী মহিলা আৰু মুনু আলী নামৰ কামৰূপ মহানগৰ জিলা মুখ্য ন্যায়িক দণ্ডাধীশ কাৰ্যালয়ৰ এগৰাকী মহৰীক আৰক্ষীয়ে আটক কৰিছে। মুন আলীৰ ঘৰ হাজোৰ কলিতাকুছিত। দীৰ্ঘদিনৰ পৰা চিলনী চোৰৰ গেঙে আমিনগাঁওবাসীৰ নিদ্ৰা হৰণ কৰি আহিছে। ১০ জুলাইত আমিনগাঁৱৰ বেংকৰ পৰা কমল বুঢ়াগোহাঁই নামৰ লোকজনে তিনি লাখ টকা উলিয়াই স্কুটীৰ ডিকিত লৈ ঘৰমুৱা হৈছিল। আমিনগাঁও কালভাৰ্টৰ সমীপত বন্ধুৰ ঘৰত সোমাওতেই ডিকি ভাঙি সমুদায় ধন লৈ উধাও হৈছিল চিলনী চোৰ। চিলনী চোৰৰ মূল অপৰাধী বিহাৰৰ নাগেশ্বৰ নুনিয়া নামৰ চোৰজনক আৰক্ষীয়ে আটক কৰা খবৰ পোৱা হৈছে। আজি আমিনগাঁৱত আটক কৰা বেবী বিবিৰ ম'বাইল ফোনৰ পৰা মুন আলী আৰু নাগেশ্বৰ নুনিয়াৰ লগত সংযোগ ৰক্ষা কৰাৰ অভিযোগত দুয়োজনকে আটক কৰিছে আৰক্ষীয়ে। উল্লেখ্য যে বিবি বেবীৰ স্বামী বিহাৰৰ মদন আনচাৰী ইৰাণী গ্ৰুপৰ লগত জড়িতৰ সন্দেহ কৰিছে আৰক্ষীয়ে। মদন আনচাৰী এক হত্যাকাণ্ডৰ গোচৰত কাৰাগাৰত বন্দী হৈ আছে।

# বৰপেটাত চুলাইৰ ঘাটি উচ্ছেদ, আটক চাৰি

**বিশেষ সংবাদদাতা**

**বৰপেটা, ১৩ জুলাই ঃ** বৰপেটা জিলাৰ বিভিন্ন প্ৰান্তত অবৈধভাৱে চলি থকা চুলাই মদৰ ঘাটিসমূহৰ জিলা উপায়ুক্তৰ নিৰ্দেশত আবকাৰী বিভাগে অভিযান তীব্ৰতৰ কৰি তুলিছে। আবকাৰী অধীক্ষক আৰু উপ-অধীক্ষকৰ নেতৃত্বত বৰপেটা আৰক্ষী থানাৰ অন্তৰ্গত ভকতপাৰা, পাটবাউসী, মাজকুছি আৰু কাঁহিবাহী অঞ্চলত অভিযান চলাই মুঠ ২৫০ লিটাৰ চুলাই মদ জব্দ কৰি ধ্বংস কৰাৰ লগতে এই কাৰ্যত জড়িত এজনক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। অভিযুক্ত চুলাই ব্যৱসায়ীজনক আদালতত হাজিৰ কৰাৰ পাছত জেললৈ প্ৰেৰণ কৰা হয়। যোৱা ন জুলাইৰ দিনাও আবকাৰী বিভাগে ব্যাপক অভিযান চলাই বৃহৎ পৰিমাণৰ চুলাই মদ জব্দ কৰাৰ লগতে তিনিজনক আটক কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰিছিল।

# কবি নৱকান্ত বৰুৱাৰ স্মৃতি দিৱসত সম্প্ৰচাৰিত হ'ব সংস্কৃত ভাষাত 'নিয়ৰৰে ফুল'

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৩ জুলাই ঃ** কাইলৈ কবি-সম্ৰাট নৱকান্ত বৰুৱাৰ মৃত্যু দিৱস উপলক্ষে কবিজনাৰ ৰচিত আৰু সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ সুৰৰ অনুপম কালজয়ী গীত 'নিয়ৰৰে ফুল' সংস্কৃতত নগাঁৱৰ উদীয়মান শিল্পী চিদাংশ শেখৰৰ কণ্ঠত বিভিন্ন দূৰদৰ্শন চেনেল আৰু ইণ্টাৰনেট মাধ্যমত সম্প্ৰচাৰিত হ'ব। ইতিমধ্যে গীতটিৰ ভিডিঅ' ৰূপটি উন্মোচন হৈ যায়। সংস্কৃত গীতেৰে শ্ৰোতাৰ মাজত বিশেষ পৰিচয় লাভ কৰা শিল্পী ৰঞ্জন বেজবৰুৱাৰ দ্বাৰা অনূদিত 'নীহাৰসূনম্' শীৰ্ষক গীতটিৰ সংগীত ব্যৱস্থাপনা প্ৰাঞ্জল বৰাৰ। গীতৰ ভিডিঅ' নিৰ্মাণ উদ্দীপ্ত কুমাৰ ভট্টাচাৰ্যৰ আৰু থ্ৰী ডি মডেলিং উদ্দীপন ভট্টাচাৰ্যৰ, প্ৰযোজনা, এ জি ক্ৰিয়েছন। ইতিমধ্যে কবি নৱকান্ত বৰুৱাৰ সুযোগ্যা কন্যা, আইনু বৰুৱাই ইয়াৰ বাবে অনুমতি তথা শুভেচ্ছা বাণী প্ৰেৰণ কৰিছে। বিশিষ্ট লেখক জনাৰ্দন গোস্বামী, ড° প্ৰয়াগ শইকীয়া, বৰ্ণালী কটকী ওজা, ৰঞ্জন কুমাৰ দত্তৰ দৰে লোকে অসমীয়া গীতি সাহিত্যত গীতটিৰ গুৰুত্বৰ কথা কৈ ভূয়সী প্ৰশংসা কৰিছে। গীতটিৰ পৰিকল্পনা আৰু প্ৰচাৰৰ বিভিন্ন দিশত সহায় কৰিছে সাংস্কৃতিক কৰ্মী দীপাংক শইকীয়া, প্ৰাঞ্জল কুমাৰ মহন্ত আৰু গৌৰাংগ বৰাই।

# কমলপুৰ মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়ত মহিলা মাতাল চিকিৎসাকৰ্মীৰ মাতলামি

**অগ্ৰদূত বাৰ্তা**

**কমলপুৰ, ১৩ জুলাই ঃ** কামৰূপ জিলাৰ কমলপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত কমলপুৰ মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়ত এগৰাকী মহিলা চিকিৎসা কৰ্মীৰ মাতলামিত অতিষ্ঠ হৈ পৰিছে স্থানীয় ৰাইজ। নিতৌ মদৰ ৰাগিত মাতাল হৈ কৰ্তব্য কৰি থাকে এগৰাকী মহিলা কৰ্মচাৰী। চিকিৎসলায়খনৰ উপ-অধীক্ষকগৰাকীয়ে সকলো গম পোৱাৰ পাছতো চকু মুদা কুলিৰ ভাও ধৰি আহিছে। চিকিৎসালয়খনৰ এগৰাকী মহিলা লেব'ৰেট'ৰী টেকনিচিয়ানে নিতৌ চিকিৎসালয়ৰ ভিতৰতে মদ্যপান কৰি কৰ্তব্য সম্পাদন কৰি আহিছে দীৰ্ঘদিন ধৰি। মহিলা কৰ্মচাৰীগৰাকীৰ সকলো গতি-বিধি দীৰ্ঘদিনৰ পৰা লক্ষ্য কৰি আছিল বিধায়ক দিগন্ত কলিতাৰ হৈ স্বাস্থ্য বিভাগ পৰ্যবেক্ষণৰ দায়িত্বত থকা প্ৰণৱ কলিতাই। দীৰ্ঘদিনৰ পৰ্যবেক্ষণৰ অন্তত সোমবাৰে চিকিৎসালয়খনত মহিলাগৰাকীয়ে মদ খাই কৰ্তব্য কৰি থকা ধৰা পেলায়। আনহাতে, মহিলাগৰাকীয়ে মদ খাই কৰ্তব্য সম্পাদন কৰি থকা বুলি বিজেপি কাৰ্যকৰ্তাজনে চিকিৎসালয়খনৰ উপ-অধীক্ষকগৰাকীক সকলো কথা অৱগত কৰোৱাত দায়সৰা মন্তব্য দিয়াৰো অভিযোগ উঠিছে। সাংবাদিকৰ সন্মুখত উপ-অধীক্ষকগৰাকীয়ে পূৰ্বৰে পৰা মদ খাই কৰ্তব্য পালন কৰাৰ কথা গম পায় বুলি উল্লেখ কৰে। উপ-অধীক্ষকগৰাকীয়ে জনোৱা মতে, পাঁচদিন পূৰ্বে মহিলাগৰাকীয়ে গা ভাল নহয় বুলি তেওঁক অৱগত কৰোৱাত কৰ্তব্যত আহিবলৈ মানা কৰে। কিন্তু হঠাৎ কৰ্তব্যত যোগদান কৰি পুনৰ মদ খাই কৰ্তব্য কৰাৰ কথাও উল্লেখ কৰে। এই সমগ্ৰ ঘটনাৰ বিষয়ে উপ-অধীক্ষকে বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰোৱা বুলি উল্লেখ কৰে। উল্লেখনীয় কথা যে ধপাতমুক্ত অঞ্চল বুলি ডাঙৰ ডাঙৰ ফলক লগাই থকাৰ পাছত কিদৰে চিকিৎসালয়ৰ ভিতৰতে চিকিৎসাকৰ্মীয়ে মদ খাই কৰ্তব্য কৰাত আচৰিত হৈছে সচেতন মহল।







গৌৰৱময় সফলতা লাভ কৰা বিশ্বৰ প্ৰথম বেটছমেন

# টি-২০ ক্ৰিকেটত ৱেষ্টইণ্ডিজৰ ক্ৰিছ গেইলৰ ১৪ হেজাৰ ৰাণ

**ছেইণ্ট লুছিয়া, ১৩ জুলাই ঃ** ৱেষ্ট ইণ্ডিজৰ বিস্ফোৰক বেটছমেন ক্ৰিছ গেইলে টি-20 ক্ৰিকেটত বিশ্বৰ প্ৰথম খেলুৱৈৰূপে 14 হেজাৰ ৰাণ সংগ্ৰহ কৰাৰ কৃতিত্ব অৰ্জন কৰিছে। উল্লেখ্য যে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলা পাচঁখনীয়া টি-20 শৃংখলাৰ তৃতীয় মেচত এই গৌৰৱময় সফলতা লাভ কৰে গেইলে। মেচখনত ক্ৰিছ গেইলে বিস্ফোৰক 67 ৰাণ কৰে। উল্লেখ্য যে ৱেষ্ট ইণ্ডিজে প্ৰথম তিনিখন মেচত জয়ী হৈ অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলা পাচঁখনীয়া টি-20 শৃংখলাত 3-0 ৰ অগ্ৰগতিৰে শৃংখলা দখল নিশ্চিত কৰিছে। আজি অনুষ্ঠিত তৃতীয় মেচত ছয় উইকেটত জয়লাভ কৰে ৱেষ্ট ইণ্ডিজে। পোনতে বেটিং কৰা অষ্ট্ৰেলিয়াই ছয় উইকেটত সংগ্ৰহ কৰে 141 ৰাণ। প্ৰত্যুত্তৰত, ৱেষ্ট ইণ্ডিজে 14.5 অভাৰত চাৰি উইকেট হেৰুৱাই 142 ৰাণ কৰি হেলাৰঙে বিজয়লক্ষ্যত উপনীত হয়। উল্লেখ্য যে ৱেষ্ট ইণ্ডিজ ভ্ৰমণলৈ যোৱা অষ্ট্ৰেলিয়াই প্ৰথমখন টি-20 মেচত 18 ৰাণত পৰাস্ত হৈছিল। আনহাতে, দ্বিতীয়খন টি-20 মেচতো অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে 56 ৰাণত জয়লাভ কৰে কেৰিবিয়ান দলে।

# আজি শৃংখলা জয়ৰ লক্ষ্যৰে ইংলণ্ডৰ বিৰুদ্ধে খেলিব ভাৰতীয় মহিলা দলে

**লণ্ডন, ১৩ জুলাই ঃ** ভাৰতীয় মহিলা ক্ৰিকেট দলে কাইলৈ ইংলণ্ডৰ বিৰুদ্ধে শৃংখলা জয় কৰাৰ লক্ষ্যৰে তৃতীয় টি-20 মেচখন খেলিব। উল্লেখ্য যে ভাৰতীয় মহিলা ক্ৰিকেট দলে প্ৰথমখন টি-20 মেচত পৰাস্ত হোৱাৰ পাছত দ্বিতীয় মেচত আঠ ৰাণত জয়ী হৈ শৃংখলাত সমতা স্থাপন কৰে। দ্বিতীয় মেচত পোনতে বেটিং কৰা ভাৰতে চাৰি উইকেটত 148 ৰাণ কৰে। দলৰ হৈ শ্বেফালী বাৰ্মাই 48 ৰাণ আৰু হৰমনপ্ৰিত কৌৰে 31 ৰাণ কৰে। প্ৰত্যুত্তৰত, ইংলণ্ডে বেটিং কৰি 140 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে ভাৰতীয় মহিলা ক্ৰিকেট দলে প্ৰথমখন মেচত ডি এল পদ্ধতিত 18 ৰাণত পৰাস্ত হৈছিল। মেচখনত পোনতে বেটিং কৰা ইংলণ্ডে সাত উইকেটত 177 ৰাণ কৰে। প্ৰত্যুত্তৰত, ভাৰতে 8.4 অভাৰত তিনি উইকেট হেৰুৱাই 54 ৰাণ কৰাৰ সময়ত বৰষুণৰ বাবে মেচ বন্ধ হয়। কিন্তু সেইসময়ত ভাৰতক ডি এল পদ্ধতি অনুসৰি প্ৰয়োজন আছিল 73 ৰাণ। সেয়ে মেচখনত ইংলণ্ড জয়ী হয়। উল্লেখ্য যে ভাৰতীয় মহিলা ক্ৰিকেট দলে ইংলণ্ড ভ্ৰমণত একমাত্ৰ টেষ্টখন ড্ৰ খেলে যদিও তিনিখনীয়া এদিনীয়াৰ প্ৰথম দুখনত পৰাস্ত হোৱাৰ পাছত অন্তিমখনত জয়ী হয়। ফলত শৃংখলা 2-1 ত হেৰুৱায়। এতিয়া সুযোগ আহিছে কাইলৈ ইংলণ্ডৰ বিৰুদ্ধে শৃংখলা জয় কৰাৰ। ইয়াৰ বাবে দলে তৃতীয় টি-20 মেচখনত জয়ী হ'ব লাগিব।



# প্ৰধানমন্ত্ৰীৰ স'তে টকিঅ' অলিম্পিকত খেলিব লগা ভাৰতীয় খেলুৱৈৰ বাৰ্তালাপ

**নতুন দিল্লী, ১৩ জুলাই ঃ** আসন্ন টকিঅ' অলিম্পিকত অংশ ল'ব লগা ভাৰতীয় দলৰ সদস্যৰ স'তে আজি বাৰ্তালাপ কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে। ভাৰ্চুৱেলি অনুষ্ঠিত হোৱা এই বাৰ্তালাপত বৰ্তমান আৰু প্ৰাক্তন কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰী ক্ৰমে অনুৰাগ সিং ঠাকুৰ আৰু কিৰেন ৰিজিজুও উপস্থিত থাকে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক আসন্ন টকিঅ' অলিম্পিকত অংশ ল'ব লগা ভাৰতীয় দলৰ সম্পৰ্কত সকলো বিবৰণ দিয়ে ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি নৰিন্দ্ৰৰ বাট্ৰাই। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে খেলুৱৈৰ লগতে অভিভাৱকসকলৰ স'তেও আলোচনা কৰে। আসন্ন টকিঅ' অলিম্পিকত চাপহীন হৈ শ্ৰেষ্ঠ খেল খেলিবলৈ ভাৰতীয় খেলুৱৈসকলক শুভেচ্ছা জনাই ব্যক্ত কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে। উল্লেখ্য যে প্ৰধানমন্ত্ৰীৰ স'তে বাৰ্তালাপ কৰে দিপীকা কুমাৰী, মেৰীকম, মনিকা বাট্ৰা, শৰথ কমল, সৌৰভ চৌধুৰী, ডুটি চান্দ, নিৰজ চোপ্ৰা, ভিনেছ ফ'গাত, মনপ্ৰীত সিং, ছানিয়া মিৰ্জা আদিয়ে। উল্লেখ্য যে আসন্ন টকিঅ' অলিম্পিকত অংশ লোৱাৰ বাবে ভাৰতৰ প্ৰথমটো দল অহা 17 জুলাইত নতুন দিল্লীৰ পৰা ৰাওনা হ'ব। এইবাৰ উদ্বোধনী অনুষ্ঠানত ভাৰতীয় দলৰ হৈ জাতীয় পতাকা লৈ দেশক নেতৃত্ব দিব মহিলা বক্সাৰ এম চি মেৰীকম আৰু হকী খেলুৱৈ মনপ্ৰীত সিঙে। এম চি মেৰীকম ছবাৰৰ বিশ্ব বক্সিঙৰ চেম্পিয়ন তথা লণ্ডন অলিম্পিকৰ ব্ৰঞ্জ পদকজয়ী। আনহাতে, মনপ্ৰীত ভাৰতীয় হকী দলৰ অধিনায়ক। অহা 23 জুলাইৰ পৰা আৰম্ভ হ'ব টকিঅ' অলিম্পিক। আনহাতে, সামৰণি পৰিব আঠ আগষ্টত। সামৰণি অনুষ্ঠানত ভাৰতীয় দলক নেতৃত্ব দিব মল্লযোদ্ধা বজৰং পুনিয়াই। উল্লেখ্য যে আসন্ন টকিঅ' অলিম্পিকলৈ ভাৰতৰ 126 জনীয়া খেলুৱৈৰ দল তথা 75 জনীয়া বিষয়াৰ দলে অংশ ল'ব।





ভাৰতৰ প্ৰথমটো দলৰূপে অৱতৰণ

## টকিঅ'ত উপস্থিত ছেইলিং দল

**টকিঅ', ১৩ জুলাই ঃ** আসন্ন টকিঅ' অলিম্পিকত অংশ লোৱাৰ বাবে ভাৰতৰ প্ৰথমটো দল আজি গৈ উপস্থিত হৈছে জাপানৰ ৰাজধানী চহৰত। উল্লেখ্য যে আসন্ন টকিঅ' অলিম্পিকত অংশ ল'ব লগা ভাৰতৰ ছেইলিং দলে দেশৰ প্ৰথমটো দলৰূপে অৱতৰণ কৰে টকিঅ'ত। দলৰ সদস্যসকল হ'ল বৰুণ ঠাকুৰ, গণপতি চেংগাপ্পা, বিষ্ণু ছাৰাভানান আৰু নেত্ৰ কুমাৰণ। উল্লেখ্য যে আসন্ন টকিঅ' অলিম্পিকত অংশ লোৱাৰ বাবে ভাৰতৰ প্ৰথমটো দল অহা 17 জুলাইত নতুন দিল্লীৰ পৰা ৰাওনা হ'ব যদিও বিদেশত প্ৰশিক্ষণ লোৱা ভাৰতৰ ছেইলিং দলে দেশৰ প্ৰথমটো দলৰূপে আজি অৱতৰণ কৰে টকিঅ'ত। স্মৰ্তব্য যে দৰ্শক অবিহনে অনুষ্ঠিত হ'ব আসন্ন টকিঅ' অলিম্পিক। জাপানৰ ক্ৰীড়ামন্ত্ৰী টামায়া মাৰুকাৱাই এই কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰিছে। যিসকলে টিকট ক্ৰয় কৰিছিল ধন ওভোটাই দিয়া হ'ব বুলিও ক্ৰীড়ামন্ত্ৰী টামায়া মাৰুকাৱাই ব্যক্ত কৰে। উল্লেখ্য যে কৰ'নাৰ বাবে জাপানত জৰুৰীকালিন অৱস্থা ঘোষণা কৰা হৈছে। কিন্তু দৰ্শক অবিহনে অনুষ্ঠিত হ'ব আসন্ন টকিঅ' অলিম্পিকৰ খেল।অহা 23 জুলাইৰ পৰা আৰম্ভ হ'ব টকিঅ' অলিম্পিক। আনহাতে, সামৰণি পৰিব আঠ আগষ্টত।

## ৮৫ টা পদকৰ বাবে ১১৯ ভাৰতীয় খেলুৱৈয়ে প্ৰতিদ্বন্দ্বিতা কৰিব টকিঅ'ত

# অলিম্পিকৰ ইতিহাসত ভাৰতৰ সৰ্ববৃহৎ দল

**নতুন দিল্লী, ১৩ জুলাই ঃ** আসন্ন টকিঅ' অলিম্পিকত ভাৰতৰ মুঠ 228 জনীয়া এটা দলে অংশ ল'ব। এয়া অলিম্পিকৰ ইতিহাসত সংখ্যাৰ দৃষ্টিৰে ভাগ ল'ব লগা ভাৰতৰ শ্ৰেষ্ঠ দল। উল্লেখ্য যে ভাৰতৰ মুঠ 228 জনীয়া দলত আসন্ন টকিঅ' অলিম্পিকত অংশ ল'ব লগা খেলুৱৈ সংখ্যা হ'ল 119¼ ইয়াৰে পুৰুষ খেলৱৈ 67 আৰু মহিলা খেলুৱৈ 52¼ ভাৰতে মুঠ 85 টা পদকৰ বাবে বিভিন্ন খেলত অংশ ল'ব। আসন্ন টকিঅ' অলিম্পিকত অংশ ল'ব লগা ভাৰতীয় দলৰ সম্পৰ্কত আজি এই বিবৰণ দিয়ে ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি নৰিন্দ্ৰৰ বাট্ৰাই। আসন্ন টকিঅ' অলিম্পিকত অংশ ল'ব লগা ভাৰতীয় দলৰ সদস্যৰ স'তে আজি বাৰ্তালাপ কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে। ভাৰ্চুৱেলি অনুষ্ঠিত হোৱা এই বাৰ্তালাপত বৰ্তমান আৰু প্ৰাক্তন কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰী ক্ৰমে অনুৰাগ সিং ঠাকুৰ আৰু কিৰেন ৰিজিজুও উপস্থিত থাকে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক আসন্ন টকিঅ' অলিম্পিকত অংশ ল'ব লগা ভাৰতীয় দলৰ সম্পৰ্কত সকলো বিবৰণ দিয়ে ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি নৰিন্দ্ৰৰ বাট্ৰাই। তেওঁ লগতে জনাই যে আসন্ন টকিঅ' অলিম্পিকত অংশ লোৱাৰ বাবে ভাৰতৰ প্ৰথমটো দল অহা 17 জুলাইত নতুন দিল্লীৰ পৰা ৰাওনা হ'ব। সিদিনা 90 জনীয়া দল এটা যাব টকিঅ'লৈ।



# ১৯৮৩ ৰ বিশ্বকাপ বিজয়ী ভাৰতীয় দলৰ সদস্য যশপাল শৰ্মাৰ পৰলোক



**নতুন দিল্লী, ১৩ জুলাই ঃ** ভাৰতীয় ক্ৰিকেট দলৰ প্ৰাক্তন সদস্য যশপাল শৰ্মাৰ আজি নতুন দিল্লীত মৃত্যু হয়। পুৱা হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যু মুখত পৰে বিশ্বকাপ বিজয়ী ভাৰতীয় দলৰ সদস্যজনৰ। উল্লেখ্য যে যশপাল শৰ্মা আছিল 1983 ত কপিল দেৱৰ নেতৃত্বত বিশ্বকাপ বিজয়ী ভাৰতীয় ক্ৰিকেট দলৰ সদস্য। 1954 ত জন্মলাভ কৰা শৰ্মাৰ মৃত্যুৰ সময়ত বয়স হৈছিল 66 বছৰ। উল্লেখ্য যে পৰলোকগামী হোৱা শৰ্মাই সংসাৰত পত্নীৰ লগতে কন্যা-পুত্ৰক এৰি থৈ গৈছে। দেশৰ হৈ 37 খন টেষ্ট আৰু 42 খন এদিনীয়া খেলা যশপাল শৰ্মাই টেষ্টত 1606 ৰাণ আৰু এদিনীয়াত 883 ৰাণ কৰিছিল। 1983 ৰ বিশ্বকাপত ইংলণ্ডৰ বিৰুদ্ধে ভাৰতে খেলা ছেমিফাইনেলত যশপাল শৰ্মাই গুৰুত্বপূৰ্ণ অৰ্ধশতক অৰ্জন কৰি দলৰ বিজয়ত মুখ্য ভূমিকা লৈছিল। তেওঁ সেই অনবদ্য ইনিংছ আজিও স্মৰণ কৰে দেশৰ ক্ৰিকেটপ্ৰেমীয়ে। উল্লেখ্য যে ক্ৰিকেটৰ পৰা অৱসৰ লোৱাৰ পাছত 2000 ত ৰাষ্ট্ৰীয় নিৰ্বাচকৰ দয়িত্বত আছিল শৰ্মা। ইফালে ক্ৰিকেটাৰ শৰ্মাৰ আকস্মিক মৃত্যুত স্তম্ভিত হৈ পৰিছে 1983 ত বিশ্বকাপ বিজয়ী ভাৰতীয় দলৰ সদস্যসকল। অধিনায়ক কপিল দেৱে চকুপানী মচি কয় 'এয়া ভাবিব নোৱাৰা কথা। মোৰ মুখত এতিয়া কোনো শব্দ নাই।' দিলীপ ৱেংচৰকাৰে কয় যে এয়া নভবা এক ঘটনা। বিদেশত যশপালৰ লগত মোৰ বহু স্মৃতি আছে। এটা পৰিয়ালৰ দৰে আছিলো আমি। শ্ৰীকান্তে শ্ৰদ্ধাঞ্জলি জনাই কয় যে 1983 ৰ বিশ্বকাপ জয়ৰ যশপাল অন্যতম নায়ক। তেওঁৰ বিদায় মানি ল'ব নোৱাৰি। ইফালে, ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দে দেশে এজন মহান ক্ৰীড়াবিদ হেৰুৱালে বুলি শোক প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে প্ৰয়াত শৰ্মাৰ ভাৰতীয় ক্ৰীড়াত থকা অৱদান দেশে কেতিয়াও নাপাহৰে বুলি কয়। ক্ৰীড়ামন্ত্ৰী অনুৰাগ ঠাকুৰে শৰ্মাৰ বিশ্বজয়ৰ সফলতা দেশৰ বাবে চিৰদিনৰ গৌৰৱ বুলি ব্যক্ত কৰে। ইফালে, শচীন তেণ্ডুলকাৰ, অনিল কুম্বলে, বীৰেন্দ্ৰ সেৱাগ, যুৱৰাজ সিং, ভি ভি এছ লক্ষ্মণ আদি ক্ৰিকেটাৰেও শোকপ্ৰকাশ কৰিছে ভাৰতীয় ক্ৰিকেট দলৰ প্ৰাক্তন সদস্য যশপাল শৰ্মাৰ মৃত্যুত।



ক্ৰমাগত তৃতীয় মেচত পৰাজয় অষ্ট্ৰেলিয়াৰ

# পাঁচখনীয়া টি-২০ শৃংখলা ৩-০ৰ অগ্ৰগতিৰে দখল ৱেষ্টইণ্ডিজৰ

**ছেইণ্ট লুছিয়া, ১৩ জুলাই ঃ** ৱেষ্ট ইণ্ডিজে প্ৰথম তিনিখন মেচত জয়ী হৈ অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলা পাচঁখনীয়া টি-20 শৃংখলাত 3-0 ৰ অগ্ৰগতিৰে শৃংখলা দখল নিশ্চিত কৰিছে। আজি অনুষ্ঠিত তৃতীয় মেচত ছয় উইকেটত জয়লাভ কৰে ৱেষ্ট ইণ্ডিজে। পোনতে বেটিং কৰা অষ্ট্ৰেলিয়াই ছয় উইকেটত সংগ্ৰহ কৰে 141 ৰাণ। প্ৰত্যুত্তৰত, ৱেষ্ট ইণ্ডিজে 14.5 অভাৰত চাৰি উইকেট হেৰুৱাই 142 ৰাণ কৰি হেলাৰঙে বিজয়লক্ষ্যত উপনীত হয়। দলৰ হৈ ক্ৰিছ গেইলে বিস্ফোৰক 67 ৰাণ কৰে। উল্লেখ্য যে ৱেষ্ট ইণ্ডিজ ভ্ৰমণলৈ যোৱা অষ্ট্ৰেলিয়াই প্ৰথমখন টি-20 মেচত 18 ৰাণত পৰাস্ত হৈছিল। মেচখনত পোনতে বেটিং কৰি ৱেষ্ট ইণ্ডিজে ছয় উইকেটত 145 ৰাণ কৰে। দলৰ হৈ আন্দ্ৰে ৰাছেলে 51 ৰাণ কৰে। প্ৰত্যুত্তৰত, অষ্ট্ৰেলিয়াই 16 অভাৰত 127 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। আনহাতে, দ্বিতীয়খন টি-20 মেচতো অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে 56 ৰাণত জয়লাভ কৰে কেৰিবিয়ান দলে। মেচত পোনতে বেটিং কৰি ৱেষ্ট ইণ্ডিজে চাৰি উইকেটত 196 ৰাণ কৰে। দলৰ হৈ হেটমীয়েৰে 61 আৰু ব্ৰাভোই 47 ৰাণ কৰে। প্ৰত্যুত্তৰত, মিচেল মাৰ্শ্বৰ 54 ৰাণৰ সহায়ত অষ্ট্ৰেলিয়াই 19.2 অভাৰত 140 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে।



১৫ টা সোণ, ১৪ টা ৰূপ, ১৯ টা ব্ৰঞ্জৰ পদক লাভ ঃ দ্বিতীয় স্থান অৰ্জন

# ৰাষ্ট্ৰীয় টাং ছু ডু প্ৰতিযোগিতাত অসমৰ সফলতা



**গুৱাহাটী, ১৩ জুলাই ঃ** আই টি এফ ছু ডু স্পৰ্টছ এছ'চিয়েচন, অসমে আয়োজন কৰা সৰ্বভাৰতীয় পৰ্যায়ত দ্বিতীয় ৰাষ্ট্ৰীয় টাং ছু ডু ভাৰ্চুৱেল প্ৰতিযোগিতাত অসমে 15 টা সোণ, 14 টা ৰূপ আৰু 19 টা ব্ৰঞ্জৰ পদক লাভ কৰি দ্বিতীয় শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰিছে। উল্লেখ্য যে কৰ'নাৰ বাবে খেলুৱৈসকলে যাতে ঘৰতে থাকি প্ৰতিযোগিতাত অংশ ল'ব পাৰে সেই উদেশ্যে এই প্ৰতিযোগিতা আয়োজন কৰিছিল আই টি এফ ছু ডু স্পৰ্টছ এছ'চিয়েচন, অসমে। অলপতে, প্ৰতিযোগিতাত পদক বিজয়ী গুৱাহাটীৰ খেলুৱৈসকলক আনুষ্ঠানিকভাবে পদক প্ৰদান কৰা হয়। অনুষ্ঠানত অংশ লয় অসম অলিম্পিকৰ অনূপ চৌধুৰী লগতে প্ৰশিক্ষক দেৱজিৎ গগৈ, অশোক কুমাৰ শইকীয়া, বৰ্ণালী গগৈ আৰু মানস প্ৰতীম কোঁৱৰ। উল্লেখ্য যে কঠিন পৰিস্থিতিৰ মাজতো সমৰকলাৰ ছাত্ৰ-ছাত্ৰীসকলক খেলৰ লগত জড়িত ৰখাৰ লক্ষ্যৰে দ্বিতীয় ৰাষ্ট্ৰীয় টাং ছু ডু ভাৰ্চুৱেল প্ৰতিযোগিতা আয়োজন কৰা হৈছে বুলি কয় দেৱজিত গগৈয়ে। তেওঁ লগতে জনাই যে উক্ত সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতাখনত মুঠ চাৰিটা বিভাগত খেল অনুষ্ঠিত হয়। অসমৰ 50 গৰাকী খেলুৱৈয়ে 76 টা বিভাগত অংশ লয়। ইফালে, আই টি এফ ছু ডু স্পৰ্টছ এছ'চিয়েচন, অসমে খেলুৱৈসকলক সহায় কৰাৰ বাবে ক্ৰীড়া সঞ্চালক পৱিত্ৰ খাউণ্ডক লগ কৰি আবেদন জনায়।

# ভাৰতৰ বিৰুদ্ধে খেলাৰ পূৰ্বে কৰ'না মুক্ত শ্ৰীলংকাৰ ক্ৰিকেটাৰ

**কলম্বো, ১৩ জুলাই ঃ** ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ আসন্ন এদিনীয়া আৰু টি-20 শৃংখলাত এতিয়া আৰু কোনো সমস্যা নাই। কাৰণ কৰ'না আক্ৰান্ত শ্ৰীলংকা দলৰ সদস্যৰ শেহতীয়া পৰীক্ষাত কৰ'না মুক্ত বুলি চিকিৎসকে প্ৰতিবেদন দিছে। উল্লেখ্য যে ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ আসন্ন এদিনীয়া আৰু টি-20 শৃংখলা সূচী সলনি কৰা হৈছিল শ্ৰীলংকাৰ খেলুৱৈৰ কৰ'না আক্ৰান্ত হোৱা বাবেই। নতুন সূচী মতে এতিয়া এদিনীয়া মেচ তিনিখন ক্ৰমে 18, 20, 23 জুলাইত হ'ব। আনহাতে, টি-20 শৃংখলাৰ মেচ ক্ৰমে 25, 27, 29 জুলাইত হ'ব। উল্লেখ্য যে ভাৰত-শ্ৰীলংকাৰ সকলো মেচ কলম্বোৰ প্ৰেমদাসা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ইতিমধ্যে শ্ৰীলংকাত উপস্থিত হোৱা ভাৰতীয় দলে অনুশীলন চলাই আছে। উল্লেখ্য যে অপেনিং বেটছমেন শিখৰ ধৱনে টীম ইণ্ডিয়াক নেতৃত্ব দিব। আনহাতে, পেচাৰ ভূৱনেশ্বৰ কুমাৰ হ'ব সহঃঅধিনায়ক। দলত আছে পৃথ্বি শ্ব, মনীষ পাণ্ডে, সূৰ্যকুমাৰ যাদৱ, হাৰ্দিক পাণ্ডিয়া, ইষান কিষান, সঞ্জু ছেমছন, চাহল, কুলদীপ যাদৱ, ক্ৰুণাল পাণ্ডিয়া আদি। ইফালে, শ্ৰীলংকা ভ্ৰমণত ভাৰতৰ মুখ্য প্ৰশিক্ষক টীম ইণ্ডিয়াৰ প্ৰাক্তন ক্ৰিকেটাৰ তথা বৰ্তমানৰ এন চি এৰ মুখ্য প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড়। উল্লেখ্য যে পূৰ্বে শৃংখলাটো অহা 13 জুলাইৰ পৰা আৰম্ভ হৈ 25 জুলাইত সমাপ্ত হোৱাৰ কথা আছিল। শ্ৰীলংকাত ভাৰতীয় দলে তিনিখন এদিনীয়া আৰু তিনিখন টি-20 মেচ খেলিব। পূৰ্বৰ সূচী অনুসৰি ভাৰতীয় দলে শ্ৰীলংকাৰ বিৰুদ্ধে অহা 13, 16, 18 জুলাইত তিনিখন এদিনীয়া আৰু 21, 23, 25 জুলাইত তিনিখন টি-20 মেচ খেলাৰ কথা আছিল।

## বিলাসনন্দন চ'ৰা



# মাটিৰ লাড়ু-পিঠা

**সৰুতে** যদি কোনোবাই বৰ বেছি উৎপাত কৰে, তেন্তে ডাঙৰবোৰে ৰিয়েকছন দিয়ে—'ই বৰ বিধান ৰাখ্‌বা লগা ছলি হৈছিয়েই!' ঠিক তেনেকৈ আমাৰ এখন বিধান ৰাখিব লগা সভাও আছে। সেইকাৰণে বহুতে ইয়াক বিধান আৰু সভা দুয়োটা শব্দ মিলাই মাতে। নামত সভা যদিও ইয়াত সৰ কথাই পাতিব নোৱাৰি। সেইবোৰ কথাহে পাতিব পৰা যায়, যিবোৰ পাতি থাকিলে উইডাউট টেনছন টাইমখিনি পাছ হয়। কোনোবাই যদি ৰাইজৰ কথা পাতিব খুজিছে, হাল্লা-চিল্লা কৰি তাক গেটআউট কৰি দিয়াটো এই সভাৰ প্ৰধান উদ্দেশ্য।



অৱশ্যে এতিয়া বেলেগে ৰাইজৰ কথা পাতিবৰ দৰকাৰ নাই। তাৰ কাৰণে বেলেগে সভাও পাতিব নালাগে। কিয়নো দৈনিক বুধবাৰে বুধবাৰে একোখন সভা বহে ৰাইজৰ কথা পাতিবলৈ। তেনেবোৰ সভা বুধবাৰেহে পাতিবলৈ কিয় থিৰাং কৰা হৈছে, তাৰো স্পেচিয়েল কাৰণ আছে। আচলতে দেওবাৰে সৰৰে বন্ধৰ দিন। বন্ধ মানে ৰেষ্টৰ দিন। সিদিনা তিৰী-ছলিৰ লগত আটায়ে ৰেষ্ট কৰে। সোমবাৰে ঠিক কৰা হয়—যোৱা দেওবাৰে ক'ত ক'ত ফুৰিবলৈ যোৱা নহ'ল আৰু অহা দেওবাৰে ক'ত ক'ত যোৱা হ'ব। মঙলবাৰে ঠিক কৰা হয় ৰজাৰ লগত ক'লৈ ক'লৈ গৈ লগত যোৱা মন্ত্ৰীৰ চকীখন মজবুতকৈ ৰখা হ'ব। এই তিনিওদিনৰ ব্যস্ততা পাৰ কৰিহে আটায়ে আহি বুধবাৰে বহাৰ টাইম পায়। এই ৰাজসভাত সদায় ৰাইজৰ কথাই আলোচনা হয়, নতুন নতুন কামৰ কথা আলোচনা হয়। কাম মানে এই ধৰক—আমি সদায় জাতীয় সংগীত গাব লাগে, সদায় ৰাষ্ট্ৰীয় সংগীত গাব লাগে, ৰাম-ৰাৱণৰ যুদ্ধক আমি কেনেকৈ ৰাম-ৰহিমৰ যুদ্ধলৈ সলনি কৰিব পাৰো তাকে লৈ মাথা মাৰিব লাগে, গৰুৰ ৰচনাখন শুদ্ধকৈ লিখিবলৈ সকলোকে শিকাব লাগে ইত্যাদি ইত্যাদি।

এইবাৰ ৰাজসভাত ওলাল লাড়ু-পিঠাৰ প্ৰসংগ। ৰজাৰ মতে, লাড়ু-পিঠা খাঁটি অসমীয়া খাদ্য। গতিকে ৰজাঘৰত যিমানবোৰ সভা হয়, আটাইবোৰ সভাতে লাড়ু-পিঠাৰে অতিথি আপ্যায়ন কৰিব লাগে। খবৰটো কেনেবাকৈ আমাৰ এমেলেবোৰৰ কাণত পৰিল। সৰেই খুচ! এইকেইদিন কাম নাই বুলি প্ৰচাৰ হোৱাত এমেলেবোৰৰ অৱস্থা টাইট হৈ গৈছে। সৰৰে এতিয়া মন্ত্ৰী হোৱাৰ ধুম উঠিছে। নহ'লে যে কোনেও পাত্তা নিদিয়ে। এতিয়া যদি সৰ সভাতে লাড়ু-পিঠা দিয়া হয়, তেন্তে দৈনিক বহু লাড়ু-পিঠা লাগিব। সেইবোৰ মেনেজ কৰিবলৈ দুটা দপ্তৰৰ জন্ম হৈ যাব পাৰে। লাড়ু দপ্তৰ আৰু পিঠা দপ্তৰ। দুটা দপ্তৰ মানে দুজন মন্ত্ৰী। এজন হ'ব লাড়ুমন্ত্ৰী আৰু আনজন হ'ব পিঠামন্ত্ৰী। মালটোও নহাকৈ নাথাকে। লাড়ু-পিঠা ছাপ্লাইৰ ঠিকা বিচাৰি টেণ্ডাৰতো মৰা হ'বই। ঠিকা বিচৰা মানেই টু পাৰ্চেণ্ট, থ্ৰি পাৰ্চেণ্ট বা ফাইভ পাৰ্চেণ্ট। এইবোৰ পৰিকল্পনা কৰি লাড়ুমন্ত্ৰী আৰু পিঠামন্ত্ৰী হ'বলৈ সকলো এমেলেই উঠি-পৰি লাগিছে।

ৰাজসভাতো লাড়ু-পিঠাক লৈ তামাম আলোচনা চলিছে। বেছিকৈ ইণ্টাৰেষ্ট দেখুৱাইছে ৰজাই—'এতিয়া কওক—বছৰি আমাক লাড়ু-পিঠা কিমান লাগিব? অসমীয়া কৃষ্টি ৰক্ষা কৰিব লাগিব আমি, মনত ৰাখিব।'

ঃ কৃষ্টি ৰাখিব পৰা যাব মহাৰাজ!

ঃ এনেয়ে কৈ নিদিবচোন। হিচাপ লাগে মোক।

ঃ এজনে মাত দিলে—'ধৰি লওক মহাৰাজ, আপুনি দৈনিক এভাৰেজ চাৰিখনকৈ সভা কৰিব আৰু প্ৰতিখন সভাতে এভাৰেজ তিনিশকৈ মানুহ হ'ব।'

ঃ হ'বই।

ঃ তাৰমানে দৈনিক বাৰশ লাড়ু-পিঠা লাগিব।

ঃ অ' লাগিব।

ঃ তাৰমানে বছৰি আমাক চাৰি-পাঁচ লাখ লাড়ু-পিঠা লাগিব।

মহাৰাজে মুখ বিকটাই দিলে—'কি কোৱাহে?'

ঃ হয় মহাৰাজ! তাতে আকৌ নাৰিকলৰ যি দাম, বজাৰত এখন পিঠাতে বিছ টকা লয়। লাড়ু পাঁচ টকা।

ঃ খুচুৰা হিচাপ বাদ দিয়াহে। বছৰত যাব কিমান?

ঃ দুই কোটিমান যাব মহাৰাজ।

ৰজাই জঁপিয়াই উঠিল আৰু দৰবাৰৰ খিৰিকীৰে বাহিৰলৈ চাই মাতি দিলে—'সৰুতে মই কৰ্ম অভিজ্ঞতাত বৰ ভাল নম্বৰ পাইছিলো জানে! মাটিৰে লাড়ু-পিঠা বনাইছিলো। এইবাৰো এখন কাঁহীত লাড়ু-পিঠা মাটিৰে বনাই থৈ দিলে হ'ল। মই য'লৈকে সভা কৰিবলৈ যাওঁ, কাঁহীখনো তালৈ পঠিয়াই দিলে হ'ল।'

ঃ আৰু সভাৰ গেষ্টবোৰে কি খাব?

ঃ অৰ্ডাৰ দিলে হ'ল—চিকেন বিৰিয়ানী!

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*



# 'একনিষ্ঠ' নহয় বাম বিধায়ক, বিধানসভাত ভৰিলে জৰিমনা

### বিধানসভাৰ অধ্যক্ষৰ নিৰ্দেশত চিপিএমৰ বিধায়কে নতুনকৈ শপতগ্ৰহণৰ লগতে ভৰিব লগা হ'ল জৰিমনা

■ **নিউজ ব্যু'ৰ'**
**তিৰুঅনন্তপুৰম, ১৩ জুলাই ঃ** বামপন্থী বিধায়ক হিচাপে তেওঁৰ ঈশ্বৰত বিশ্বাস নাই। এইবাৰ ধৰা পৰিল তেওঁৰ 'একনিষ্ঠতা'ৰ অভাৱ। বিধানসভাৰ অধ্যক্ষৰ নিৰ্দেশত সেয়েহে চিপিএমৰ বিধায়কে নতুনকৈ শপতগ্ৰহণৰ লগতে ভৰিব লগা হ'ল জৰিমনা। এই ঘটনা সংঘটিত হ'ল কেৰালাত। ৰাজ্যখনৰ ইডুক্কিৰ দেৱীপুৰম সমষ্টিৰ পৰা এইবাৰৰ বিধানসভাৰ নিৰ্বাচনত প্ৰথম নিৰ্বাচিত হৈছিল এ ৰাজা। পূৰ্বৰ তিনিবাৰ উক্ত সমষ্টিটো চিপিএমৰ দখলতে আছিল যদিও এইবাৰ দলটোৱে সমষ্টিটোত প্ৰাৰ্থী সলনি কৰিছিল। বিধায়ক হিচাপে কেৰালাৰ বিধানসভাত তামিলতে শপত ল'ব বিচাৰিছিল ৰাজাই। শপত বাক্য পাঠ কৰাৰ সময়ত বিধায়কজনে 'একনিষ্ঠভাৱে' (ইংৰাজী ছলেম্‌লি) শব্দটো তামিলত ভুলকৈ কৈছিল। নতুন বিধায়কৰ বিৰুদ্ধে 'ত্ৰুটিপূৰ্ণ শপতগ্ৰহণ' অভিযোগ উত্থাপন কৰি বিৰোধী দলনেতা ভি ডি সতীশনে বিধানসভাৰ অধ্যক্ষ এম বি ৰাজেশলৈ এখন পত্ৰ প্ৰেৰণ কৰিছিল। অধ্যক্ষই চলোৱা অনুসন্ধানত প্ৰাথমিক তথ্যপ্ৰমাণৰ ভিত্তিতে বিধায়কে গ্ৰহণ কৰা শপতত ভুল ধৰা পৰে। অধিবেশন চলাৰ সময়ত যোৱা মাহত পুনৰ নতুনকৈ শপত ল'বলগা হয় ৰাজাই। অধ্যক্ষৰ দ্বাৰা গঠিত সমিতিয়ে প্ৰতিবেদন দাখিল কৰাত এই কথা ধৰা পৰে যে ৰাজাই 'ফৰ্‌ম অৱ অথ' অনুসৰণ কৰি শপত পাঠ কৰিছিল আৰু তাতেই ভুল আছিল। সেয়েহে কঠোৰ শাস্তিৰ পৰা তেওঁ ৰক্ষা লাভ কৰিলে। কিন্তু বিধি অনুসৰি, জৰিমনা আদায় দিব লগা হ'ল চি পি এমৰ এইজন নতুন বিধায়কে। বিধানসভাৰ অধ্যক্ষই প্ৰকাশ কৰা অনুসৰি সংবিধানৰ ১৯৩ অনুচ্ছেদ লংঘন কৰি 'ভুল বা অসম্পূৰ্ণ' শপতগ্ৰহণৰ দায়ত সংশ্লিষ্ট বিধায়কক প্ৰতিদিনে ৫০০ টকা জৰিমনা বিহাৰ ব্যৱস্থা আছে। সেয়েহে নতুনকৈ শপতগ্ৰহণৰ পূৰ্বে ৰাজাই বিধানসভাত উপস্থিত থকা দিন অনুসৰি প্ৰতিদিনে পাঁচশ টকাকৈ জৰিমনা ভৰিব লগা হ'ল। উল্লেখ্য যে বিৰোধী দলনেতা সতীশনে কৈছিল যে ভুলকৈ শপত লোৱা উক্ত বিধায়কজনে অধ্যক্ষ নিৰ্বাচনত অংশ লৈছিল আৰু সেয়েহে অধ্যক্ষৰ নিৰ্বাচন বাতিল কৰা উচিত। কিন্তু অধ্যক্ষ ৰাজেশে কয় যে উক্ত বিধায়কৰ ভোট অবিহনে অধ্যক্ষ পদৰ নিৰ্বাচন নিষ্পত্তি হৈছিল আৰু সেয়েহে উক্ত নিৰ্বাচনক অবৈধ আখ্যা দিয়াটো যুক্তিসন্মত নহয়।

শপত বিতৰ্ক সন্দৰ্ভত সদনে গঠন কৰা সমিতিয়ে প্ৰতিবেদনত উল্লেখ কৰা মতে, উক্ত বিধায়কজনে তামিলত শপত ল'বলৈ ইচ্ছা প্ৰকাশ কৰাৰ পাছত ৰাজ্যৰ আইন বিভাগে তামিল ভাষাত শপত বাক্য লিখি প্ৰেৰণ কৰিছিল। শপতত 'ঈশ্বৰৰ নামত' বা 'একনিষ্ঠভাৱে' বুলি ক'ব লাগে। কমিউনিষ্ট ৰাজাই ঈশ্বৰৰ নামত শপত লোৱাৰ প্ৰশ্ন নাহে। যি শপত বাক্য প্ৰত্যক্ষ কৰি ৰাজাই শপত পাঠ কৰিছিল সেই শপত বাক্যতে 'একনিষ্ঠভাৱে'ৰ তামিল শব্দ ভুলকৈ লিখা আছিল।

এই সন্দৰ্ভত ৰাজাই কয়, 'এই ভুল মোৰ ইচ্ছাকৃত নাছিল। জৰিমনা মই আদায় দিছো। ভুলটো যে একেবাৰে অনিচ্ছাকৃত আছিল, এই কথা সকলোৱে বুজিব পাৰিলে বিতৰ্ক নাথাকিব।' কেৰালাত অৱশ্যে এনে বিতৰ্ক নতুন নহয়। গৌৰী আম্মা প্ৰতিষ্ঠিত জে এছ এছৰ এজন বিধায়কে ২০ বছৰ পূৰ্বে 'শ্ৰীনাৰায়ণ গুৰু'ৰ নামত বিধানসভাত শপত লৈছিল। এই বিধায়কজনে সেই সময়ত দাবী কৰি কৈছিল যে নাৰায়ণ গুৰু হৈছে তেওঁৰ ঈশ্বৰ। পাছত অৱশ্যে বিধায়কজনৰ এই যুক্তি কেৰালা উচ্চ ন্যায়ালয়ে অগ্ৰাহ্য কৰে আৰু দুবছৰ পাছত উক্ত বিধায়কজনে নতুনকৈ শপত ল'ব লগা হৈছিল। যোৱা শতিকাৰ ৬০ৰ দশকতো চিপিআইৰ এজন বিধায়কে শপতগ্ৰহণৰ সময়ত ঈশ্বৰৰ পৰিৱৰ্তে 'জনতাক সাক্ষী ৰাখি' বুলি শপত লোৱাক লৈ যথেষ্ট বিতৰ্কৰ সৃষ্টি হৈছিল।

# লোক নিৰ্মাণ বিভাগৰ ছয় কোটিটকীয়া দলং নিৰ্মাণত দুৰ্নীতিৰ অভিযোগ

**আলোপতি, ১৩ জুলাই ঃ** দুৰ্নীতিৰ বিৰুদ্ধে আপোচহীন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হাতত থকা লোক নিৰ্মাণ বিভাগতেই একাংশ ঠিকাদাৰে নিৰ্মাণ কাৰ্যত ব্যাপক দুৰ্নীতি অনিয়ম সংঘটিত কৰাৰ পাছতো বিভাগটোৰ বিষয়া-কৰ্মচাৰীসকলে নীৰৱ ভূমিকা গ্ৰহণ কৰাৰ অভিযোগ উঠিছে। শেহতীয়াকৈ লোক নিৰ্মাণ বিভাগৰ বৰপেটা গ্ৰাম্য পথ সংমণ্ডলৰ অধীনত জিলাখনৰ চেঙা সমষ্টিৰ অন্তৰ্গত শিমলুবাৰী কাছুমাৰা-সংযোগী পথৰ কলহী নদীৰ ওপৰত প্ৰায় পাঁচ কোটি ৯০ লাখ টকীয়া পকী দলং নিৰ্মাণত ঠিকাদাৰ ধনেশ্বৰ কলিতাই ব্যাপক অনিয়মৰ আশ্ৰয় লোৱাৰ পাছতো বিভাগটোৰ অভিযন্তা, কনিষ্ঠ অভিযন্তাসকলে ৰহস্যজনকভাৱে নীৰৱতা অৱলম্বন কৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। ৰাইজে কৰা অভিযোগ অনুসৰি, নিৰ্মীয়মাণ দলঙৰ কাষতে যাত্ৰী, পথচাৰীৰ বাবে উপ-পথ নিৰ্মাণৰ নামত প্ৰায় ১০ লাখ টকাও আবণ্টন দিয়া হয় যদি ঠিকাদাৰ ধনেশ্বৰ কলিতাই উপ-পথ নবনোৱাত ভয়ংকৰ পৰিস্থিতিৰ মাজেৰে যাতায়াত অব্যাহত ৰাখিবলগীয়া হৈছে অঞ্চলবাসীয়ে। একাংশ লোকে নিৰ্মীয়মাণ দলঙৰ ওপৰেৰে অতি বিপজ্জকভাৱে পাৰাপাৰ হোৱাৰ বিপৰীতে আন একাংশই থুতুৰীলৈকে পানী ভাঙি পাৰ হ'বলগীয়া হৈছে। নিৰ্মীয়মাণ পকী দলঙৰ কাষত উপপথ নবনোৱাৰ বাবেই প্ৰতিদিনাই ৰোগী লৈ ভয়ংকৰ বিপদৰ মোকাবিলা কৰিছে অঞ্চলটোৰ ৰাইজে। ঠিকাদাৰ ধনেশ্বৰ কলিতাৰ এনে মইমতালি, দুৰ্নীতি- অনিয়মৰ বিৰুদ্ধে স্থানীয় লোকে বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰাইয়ো কোনো সুফল পোৱা নাই। এখন পকী দলং নিৰ্মাণৰ নামত অঞ্চলবাসীক ভয়ংকৰ বিপদত পেলোৱাৰ পাছতো দলং নিৰ্মাণৰ দায়িত্বত থকা অভিযন্তা, কনিষ্ঠ অভিযন্তাই ঠিকাদাৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ নকৰাত অঞ্চলটোৰ একাংশ লোকে ঠিকাদাৰ ধনেশ্বৰ কলিতাৰ লগতে লোক নিৰ্মাণ বিভাগৰ বিৰুদ্ধে আজি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে অঞ্চলটোৰ একাংশ সচেতন লোকে। সমগ্ৰ দুৰ্নীতিৰ এক উচ্চ পৰ্যায়ৰ তদন্ত কৰি দোষী ঠিকাদাৰ আৰু লোক নিৰ্মাণ বিভাগৰ বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী আৰু লোক নিৰ্মাণ বিভাগৰ মুখ্য অভিযন্তাক ৰাইজে দাবী জনাইছে।




বজ্ৰাঙ্গ

এম. এম. টেব (ফোৰ্ট) আৰু ডাইবিক্যোৰ

*নিৰ্ভৰযোগ্য ডাইবিটিজ (পেশাব ও ৰক্তত চেনী, মধুমেহ) নাশক, অত্যন্ত*

অম্লশূলশমন

*অম্লপিত্ত, পিত্তশূল, গেছ, বুকু পুৰা, কোষ্টবদ্ধতা, শূল*

শ্ৰী বজ্ৰাঙ্গ আয়ুৰ্বেদ ভৱন


(আয়ুৰ্বেদোক্ত বিশুদ্ধ ও অনুভূত ঔষধৰ

মুৰলীধৰ শৰ্মা ৰোড, ফাঁচী বজাৰ, গুৱাহাটী-১ (অসম)

ফোন ঃ (০৩৬১) ২৫৪৭৭৮৯ (কা.) ২৫২২৫৭৪ (ফেক্টৰী)



Government of Assam



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

## UDISE Plus 2020-21ৰ শুদ্ধতা পৰীক্ষাকৰণ ঃ
## (১৪ জুলাইৰ পৰা ২০ জুলাই ২০২১লৈ)

অসম চৰকাৰৰ শিক্ষা বিভাগে সমগ্ৰ শিক্ষা, অসমৰ জৰিয়তে ১৪ জুলাইৰ পৰা ২০ জুলাই ২০২১ তাৰিখলৈকে অসমৰ সকলো প্ৰাথমিক, উচ্চ প্ৰাথমিক, মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় (প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ)ৰ UDISE Plus 2021 চনৰ তথ্যৰ শুদ্ধতা পৰীক্ষাকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সন্দৰ্ভত সংশ্লিষ্ট মণ্ডল সমল সমন্বয়ক/খণ্ড গাণনিক / সমল ব্যক্তি / সহকাৰী সমল ব্যক্তি বা অতিৰিক্ত সহকাৰী সমল ব্যক্তি (সমন্বিত শিক্ষা)য়ে বিদ্যালয়ত উপস্থিত থাকি তথ্যসমূহৰ শুদ্ধতা পৰীক্ষা কৰিব। সকলো চৰকাৰী / প্ৰাদেশীকৃত, মঞ্জুৰীকৃত, ব্যক্তিগত অসাহায্যপ্ৰাপ্ত, পৌৰ নিগমৰ অধীনস্থ বিদ্যালয়, কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ বিদ্যালয়, চাহ বাগিছাৰ দ্বাৰা পৰিচালিত বিদ্যালয়, জৱাহৰ নৱোদয় বিদ্যালয়, সৈনিক বিদ্যালয় আদিৰ কৰ্তৃপক্ষক সংশ্লিষ্ট সমল ব্যক্তিসকলক এই শুদ্ধতা পৰীক্ষাকৰণ কাৰ্যসূচীত সহযোগিতা আগবঢ়াই UDISE Plus 2021 ৰ কাৰ্যসূচী সফল কৰিবলৈ অনুৰোধ কৰা হ'ল।







শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়োঁ সকলোৱে আগবাঢ়োঁ
অসম চৰকাৰ
প্ৰাথমিক শিক্ষা বিভাগ

জনসংযোগ/ডি এফ/৩৭৮/২১


**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com